C M Y K

● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

www.dainikagradoot.in


# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

## দিগ্‌দৰ্শন

আমি যিকোনো কাম কৰিব পাৰো; কিন্তু সকলো কাম কৰিব নোৱাৰো, অন্ততঃ একে সময়তে। গতিকে নিজৰ অগ্ৰাধিকাৰ ঠিক কৰি লওক সময়ৰ ক্ষেত্ৰত। সময়েই সকলো।

ডেন মিলমেন
*আমেৰিকাৰ লেখক*



৭ জনছন চৰকাৰৰ দুই মন্ত্ৰীৰ পদত্যাগ ঃ চাঞ্চল্য
১৫ ৰেষ্টইণ্ডিজত ভাৰতৰ নেতৃত্বত ধৱন
৪ শিক্ষাৰ মানৰ অধোগামী গতি ঃ দোষ কাৰ?

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৬৭তম সংখ্যা ● গুৱাহাটী ● বৃহস্পতিবাৰ ২২ আহাৰ ১৪২৯ ভাস্কৰাব্দ ৭ জুলাই ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Thursday 7 July 2022 মূল্য ঃ ৯.০০ টকা

■ অসমীয়া ভাষাত উত্তৰ-পূৰ্বাঞ্চলৰ বলিষ্ঠ কণ্ঠ 'অগ্ৰদূত' ■ সোণালী জয়ন্তীৰ কাৰ্যসূচীৰ উদ্বোধন কৰি ক'লে প্ৰধানমন্ত্ৰীয়ে ■ কলমেৰে এক দীঘলীয়া সময় তপস্যা-সাধনা কৰা ব্যক্তিগৰাকীয়েই হৈছে কনকসেন ডেকা

# অগ্ৰদূতৰ পাঁচ দশকৰ স্বৰ্ণিল যাত্ৰা ঃ মোদী



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৬ জুলাই ঃ** ১৯৭১ৰ পৰা এক প্ৰত্যাহ্বানপূৰ্ণ যাত্ৰাৰ ৫০টা বছৰ গৰকি আঞ্চলিক ভাষাৰ সংবাদ মাধ্যমত এক শক্তিশালী পথদ্ৰষ্টা হৈ পৰা 'অগ্ৰদূত'ৰ সোণালী জয়ন্তী উদ্‌যাপনৰ উদ্বোধন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাকতখনক অসমীয়া ভাষাত উত্তৰ-পূৰ্বাঞ্চলৰ এক বলিষ্ঠ কণ্ঠৰূপে অভিহিত কৰে। এই যাত্ৰাক পাঁচ দশকৰ স্বৰ্ণিল যাত্ৰা বুলিও অভিহিত কৰে মোদীয়ে। তেওঁ কয় যে কাকতগোষ্ঠীৰ সম্পাদক তথা প্ৰতিষ্ঠাতা কনকসেন ডেকাই কলমেৰে দীঘলীয়া সময় তপস্যা-সাধনা কৰি আহিছে। ভাষণৰ আৰম্ভণিতে প্ৰধানমন্ত্ৰীয়ে কয়, 'আগন্তুক সময়ত অগ্ৰদূতে নতুন উচ্চতাক স্পৰ্শ কৰক, ভাই প্ৰাঞ্জল আৰু তেওঁৰ যুৱ টীমক মই তাৰ বাবে শুভ কামনা জনাইছো।'

'শ্ৰীমন্ত শংকৰদেৱে অসমীয়া কাব্য আৰু ৰচনাৱলীৰ জৰিয়তে এক ভাৰত, শ্ৰেষ্ঠ ভাৰতৰ অনুভৱক শক্তিশালী কৰি তুলিছে। এই মূল্যবোধকে অগ্ৰদূতে নিজস্ব সাংবাদিকতাৰে সমৃদ্ধ কৰি তুলিছে। সেয়েহে আজিৰ অনুষ্ঠানৰ বাবে শ্ৰীমন্ত শংকৰদেৱৰ কলাক্ষেত্ৰৰ প্ৰেক্ষাগৃহ বাছনিত এক অদ্ভুত সংযোগ মই দেখিবলৈ পাইছো।' এইদৰে কয় প্ৰধানমন্ত্ৰী মোদীয়ে। 'অগ্ৰদূত'ৰ বৰ্ষীয়ান সম্পাদক তথা অসম *১০ পৃষ্ঠাত চাওক*

কনকসেন ডেকায়ো ক'ব খোজে মই যিখিনি লিখি আছো, সেয়া আমাৰ নতুন পুৰুষৰ বাবে

সোণালী জয়ন্তী অতিক্ৰমৰ গৌৰৱ অসমৰ সকলো সাংবাদিকৰ স'তে উপভোগ কৰিব বিচাৰিছো

অগ্ৰদূত কেৱল এখন কাকত নহয়, অসমৰ এক ডাঙৰ প্ৰতিষ্ঠান ঃ সোণালী জয়ন্তীত মুখ্যমন্ত্ৰী

## অগ্ৰদূত জাতীয় জীৱনৰ এক সম্পদ, জীৱন্ত প্ৰবাহ ঃ ড° শৰ্মা



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৬ জুলাই ঃ** 'অগ্ৰদূত' কেৱল এখন বাতৰি কাকত নহয়, অসমৰ কাৰণে ই এক গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠান। অসমৰ সমাজ জীৱনলৈ 'অগ্ৰদূত'-এ সদায় অমূল্য অবদানেৰে জাতীয় জীৱনক চহকী কৰি ৰাখক।' 'অগ্ৰদূত'ৰ সোণালী জয়ন্তী বছৰজোৰা কাৰ্যসূচী শুভাৰম্ভ অনুষ্ঠানত মুখ্য অতিথিৰূপে ভাষণ দি আজি এইদৰে মন্তব্য কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মহানগৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান তথা *১০ পৃষ্ঠাত চাওক*

## অগ্ৰদূত প্ৰতিযোগী নহয়, সহযোগী ঃ ডেকা



### 'অগ্ৰদূত' অসমৰ অৰ্ধ শতাব্দীৰ দাপোণ

**ষ্টাফ ৰিপ'ৰ্টাৰ**


**গুৱাহাটী, ৬ জুলাই ঃ** প্ৰকাশৰ সোণালী বৰ্ষ অতিক্ৰম কৰি 'অগ্ৰদূত'-এ যি স্বৰ্ণিল ইতিহাস অসম তথা ভাৰতৰ সংবাদ জগতত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ'ল সেই গৌৰৱৰ অংশীদাৰ কেৱল 'অগ্ৰদূত'ৰ মাজতে সীমাবদ্ধ ৰাখিব নিবিচাৰে কনকসেন ডেকাই। সোণালী জয়ন্তীৰ বৰ্ষজোৰা কাৰ্যসূচীৰ উদ্বোধনী অনুষ্ঠানত নাতিদীৰ্ঘ ভাষণৰ মাজত এই কথা উল্লেখ কৰি 'অগ্ৰদূত'ৰ মুৰব্বী ডেকাই লগতে কয় যে কাকতখন অসমৰ যোৱা অৰ্ধ শতাব্দীৰ দাপোণ। তদুপৰি এইখনেই হয়তো ভাৰতৰ একমাত্ৰ কাকত যি ১৯৭১ৰ পৰা চলিত ২০২২ লৈ কোনো মূলধন অবিহনে প্ৰকাশ পাই আহিছে। অগ্ৰদূতে আজি উপনীত হোৱা এই গৌৰৱময় *১০ পৃষ্ঠাত চাওক*


■ অসমৰ সংবাদপত্ৰৰ ইতিহাসৰে এটা শুভ দিন ■ বন্তি প্ৰজ্বলনেৰে সোণালী জয়ন্তীৰ অনুষ্ঠান ■ দুই বিশিষ্ট অতিথি বৰা-মহন্তৰ প্ৰত্যাশা

## সমাজলৈ ইতিবাচক বাৰ্তা প্ৰেৰণৰ পৰম্পৰা অগ্ৰদূতৰ অব্যাহত থাকক

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৬ জুলাইত ঃ** একমাত্ৰ পঢ়ুৱৈৰ আদৰ-মৰমত ৫২টা বছৰ অতিক্ৰম কৰা 'অগ্ৰদূত'ৰ সোণালী জয়ন্তীৰ বৰ্ষজোৰা কাৰ্যসূচীৰ আজি





শুভাৰম্ভ অনুষ্ঠানৰ সাক্ষী হৈ ৰ'ল বহুজন। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰ্চুৱেলী সোণালী জয়ন্তীৰ বৰ্ষজোৰা কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। বন্তি প্ৰজ্বলনেৰে আজিৰ এই সোণালী জয়ন্তী উদ্‌যাপন *১০ পৃষ্ঠাত চাওক*

## ঘৰুৱা ৰন্ধন গেছৰ চিলিণ্ডাৰৰ মূল্য ৫০ টকা বৃদ্ধি

**■ নিউজ ব্যুৰ'**

**নতুন দিল্লী, ৬ জুলাই ঃ** ঘৰুৱা বাজেটত পাকঘৰৰ ব্যয় বৃদ্ধি কৰি যোৱা মাৰ্চৰ পৰা চতুৰ্থবাৰলৈ মূল্যবৃদ্ধি হ'ল ঘৰুৱা ৰন্ধন গেছৰ চিলিণ্ডাৰৰ মূল্য। এইবাৰ প্ৰতিটো এনে চিলিণ্ডাৰৰ মূল্য ৫০ টকাকৈ বৃদ্ধি কৰিলে ৰাজহুৱা খণ্ডৰ তেল আৰু গেছ প্ৰতিষ্ঠানবোৰে। আন্তঃৰাষ্ট্ৰীয় *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৪° | ২৭° |
| ডিব্ৰুগড় | ৩৩° | ২৬° |
| দিল্লী | ৩৪° | ৩০° |
| কলকাতা | ৩৪° | ২৭° |
| মুম্বাই | ২৮° | ২৬° |
| চেন্নাই | ৩৪° | ২৮° |
| বাংগালুৰু | ২৮° | ২৬° |
| শ্বিলং | ২৪° | ১৯° |

*৬ জুলাই, ২০২২*

## আজি ৰাজ্যৰ শাসকীয় মিত্ৰজোঁটক সম্বোধন কৰিব মুৰ্মুৱে

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৬ জুলাই ঃ** বিজেপি নেতৃত্বাধীন এনডিএৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মুৱে কাইলৈ ৰাজ্যৰ বিজেপি মিত্ৰজোঁটৰ বিধায়কসকলক সম্বোধন কৰিব। এই উপলক্ষে *১০ পৃষ্ঠাত চাওক*

উপ-ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থিত্ব পাবনে?


## ৰাজ্যসভাৰ কাৰ্যকাল সামৰণিৰ পূৰ্বে মন্ত্ৰীসভাৰ পৰা পদত্যাগ নাকভীৰ

**■ নিউজ ব্যুৰ'**



**নতুন দিল্লী, ৬ জুলাই ঃ** কেন্দ্ৰীয় সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী মুখতাৰ আব্বাছ নাকভীয়ে আজি পদত্যাগ কৰে। কাইলৈ তেওঁৰ ৰাজ্যসভাৰ কাৰ্যকালৰ অন্ত পৰিব। বিজেপিয়ে পৰৱৰ্তী কাৰ্যকালৰ বাবে তেওঁক মনোনয়ন প্ৰদান নকৰিলে। আজি পুৱা তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বিজেপি সভাপতি *১০ পৃষ্ঠাত চাওক*

## চেঙা তেল



*সদায়ে এনেকৈ তললৈ গৈ থাকিবা নে মোৰ ওচৰ চাপিবলৈও কেতিয়াবা চেষ্টা কৰিবা!*

এক অংশক বাদ দিলে আমি সকলোৱেই খিলঞ্জীয়া ঃ মুখ্যমন্ত্ৰী

## খিলঞ্জীয়া পাঁচ ইছলামধৰ্মী জনগোষ্ঠীৰ লোকপিয়ল-বিকাশৰ পদক্ষেপৰ ঘোষণা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৬ জুলাই ঃ** ৰাজ্যৰ পাঁচটা ইছলামধৰ্মী জনগোষ্ঠী ক্ৰমে গৰিয়া, মৰিয়া, দেশী, জলহা আৰু ছৈয়দক কালি ৰাজ্য চৰকাৰে খিলঞ্জীয়া অসমীয়া মুছলমানৰূপে স্বীকৃতি প্ৰদান কৰাৰ পাছতে এই জনগোষ্ঠীকেইটাৰ লোকপিয়ল আৰু আৰ্থ-সামাজিক বিকাশৰ বাবে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব। আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আন্তৰ্জাতিক প্ৰেক্ষাগৃহত 'অগ্ৰদূত'ৰ সোণালী জয়ন্তীৰ বৰ্ষজোৰা কাৰ্যসূচী শুভাৰম্ভ কাৰ্যসূচীত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সংবাদ মাধ্যমৰ আগত এই কথা সদৰী কৰে। মুখ্যমন্ত্ৰীয়ে কয়, 'অসমত বহুখিনি ধৰ্মীয় সংখ্যালঘু বা মুছলমান লোক আছে। ইয়াৰ ভিতৰত কিছুমান মুছলমান লোক আছে যিয়ে *১০ পৃষ্ঠাত চাওক*



দৈনিক অগ্ৰদূত
গুৱাহাটী, ৭ জুলাই, ২০২২ বৃহস্পতিবাৰ পৃষ্ঠা তিনি

## গোৰেশ্বৰত পথ দুৰ্ঘটনাত দুজনৰ মৃত্যু, আহত দুজন

অগ্ৰদূত বাৰ্তা

**গোৰেশ্বৰ, ৬ জুলাই ঃ** তামুলপুৰ জিলাৰ গোৰেশ্বৰ থানাৰ অন্তৰ্গত আজি সৰুফুলচ'কীত সংঘটিত পথ দুৰ্ঘটনাত দুজন লোকৰ মৃত্যু হয়। গোৰেশ্বৰৰ পৰা নাওকাটা অভিমুখে গৈ থকা যাত্ৰীবাহী বাছ আৰু ওদালগুৰি জিলাৰ ৰাজাগড়ৰ পৰা গুৱাহাটী অভিমুখে গৈ থকা মাৰুতি ছয় পৃষ্ঠাত চাওক

## পত্নীক চিকিৎসালয়লৈ নিয়াৰ পথত মৃত্যু, পিতৃসহ কন্যা আহত

## বান পৰিস্থিতি উন্নত হ'লেও বহু লোক ঘৰলৈ উভতিব পৰা নাই

# নগাঁৱত লক্ষাধিক বানত আক্ৰান্ত হৈয়ে আছে

## আপোন ঘৰখন হেৰুৱাই নিঠৰুৱা হৈছে বহু পৰিয়াল

বিশেষ সংবাদদাতা

**নগাঁও, ৬ জুলাই ঃ** নগাঁও জিলাত হোৱা দ্বিতীয়টো বানে জিলাখনৰ, কামপুৰ, ৰহা, নগাঁও সদৰ ৰাজহ চক্ৰৰ তিনিশতাধিক গাঁৱৰ বিস্তৰ ক্ষতিসাধন কৰে। এতিয়া পানী শুকাবলৈ আৰম্ভ কৰিছে যদিও বহু বানাক্ৰান্ত এতিয়াও নিজৰ আপোন ঘৰখনলৈ উভতি যাব পৰা নাই। যুদ্ধত বিধ্বস্ত হৈ পৰা ঠাইৰ দৰে এই বানাক্ৰান্ত গাঁওসমূহ বিধ্বস্ত হৈ পৰিছে। বিশেষকৈ কামপুৰ আৰু ৰহা ৰাজহ চক্ৰ অঞ্চলত প্ৰতিফলিত হৈছে এখন কৰুণ ছবি। বহুলোকৰ ঘৰ-দুৱাৰ বানে মহটিাই নিলে। এতিয়া তেওঁলোকৰ ঘৰৰ কোনো চিনমোকামেই নাই। আনহাতে, একাংশ লোকৰ ঘৰৰ ভিতৰত একাঁঠু পৰ্যন্ত বোকা-পলস জমা হৈ আছে। সেয়েহে তেওঁলোকে ছয় পৃষ্ঠাত চাওক



'অগ্ৰদূত'ৰ সোণালী জয়ন্তীত অংশগ্ৰহণকাৰীৰ একাংশ, বুধবাৰে শংকৰদেৱ কলাক্ষেত্ৰত।

## শুৱালকুছিৰ বস্ত্ৰশিল্প প্ৰদৰ্শনীত ক্ষোভ শুৱালকুছিয়া শিপিনীৰ

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ৬ জুলাই ঃ** ছিংগাপুৰৰ জ্যেষ্ঠ মন্ত্ৰী থাৰমান ছনমুগাৰত্নমে কালি শুৱালকুছিৰ বস্ত্ৰ শিল্প প্ৰদৰ্শনী কৰাৰ পাছৰে পৰা ক্ষোভত ফাটি পৰিছে শুৱালকুছিয়া শিপিনীসকল। শিল্প পৰিদৰ্শনৰ বাবে চৰকাৰী পৃষ্ঠপোষকতাত অহা প্ৰতিজন অভ্যাগতক প্ৰতিবাৰতে ৰিংকি চিল্ক উইভিং ফেক্টৰীতে বস্ত্ৰ শিল্পৰ প্ৰদৰ্শন কৰা হয়। কালিও লক্ষাধিক টকা ব্যয় সাপেক্ষে আটোমটোকাৰিকৈ ফেক্টৰীটো সজাই-পৰাই ছিংগাপুৰৰ সপত্নীক মন্ত্ৰীজনক শুৱালকুছিৰ বস্ত্ৰ প্ৰদৰ্শন কৰাই প্ৰশংসা বুটলিলে চৰকাৰৰ হস্ততাঁত বস্ত্ৰ বিভাগে। এই ক্ষেত্ৰত ক্ষোভ উজাৰি আয়োজনস্থলীতে অশীতিপৰ শিপিনী হৰিচন্দ্ৰ কলিতা (দেউৰী)-এ কয় যে অসম চৰকাৰৰ বস্ত্ৰ বিভাগে শুৱালকুছিৰ বস্ত্ৰ উদ্যোগ বুলিলে নাক্তাদলৰ ৰিংকি চিল্ক ফেক্টৰীকে জানে যেন অনুভৱ হয়। যিখন ফেক্টৰী প্ৰদৰ্শন ছয় পৃষ্ঠাত চাওক

## গোৱালপাৰাত দহিকটাত পথ দুৰ্ঘটনাত নিহত দুই কিশোৰ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ৬ জুলাই ঃ** গোৱালপাৰা জিলাৰ মৰনৈ আৰক্ষী থানাৰ অন্তৰ্গত দহিকটাত কালি সন্ধিয়া ৬.৩০ বজাত সংঘটিত হোৱা এক পথ দুৰ্ঘটনাত দুই কিশোৰ নিহত হয়। ডুবাপাৰা লুপ্তচৰ গাঁৱৰ ইছমাইল হুছেইনৰ পুত্ৰ জিয়াৰুল হক (১৬) আৰু ডাকাইদল গাঁৱৰ ছামছুল হকৰ পুত্ৰ আব্দুল আলীমে (১৬) এএছ-১৯ এল-৮৩৯৮ নম্বৰৰ আপাচী মটৰ চাইকেলেৰে কোধালধোৱাৰ পৰা দহিকটা অভিমুখে তীব্ৰ বেগেৰে গৈ থকা অৱস্থাত দহিকটা সংৰক্ষিত বনাঞ্চলৰ মাজভাগত থকা কেঁকুৰিত নিয়ন্ত্ৰণ হেৰুৱাই গছত খুন্দিয়ায়। উক্ত দুৰ্ঘটনাৰ ফলত দুয়োগৰাকী কিশোৰ গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। লগে লগে মৰনৈৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ কিশোৰী দুগৰাকীক উদ্ধাৰ কৰি মৰনৈ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰে যদিও দুয়োগৰাকীৰ ইতিমধ্যে মৃত্যু হোৱা বুলি চিকিৎসকে ঘোষণা কৰে। আজি গোৱালপাৰা অসামৰিক চিকিৎসালয়ত দুয়োগৰাকী কিশোৰৰ মৰণোত্তৰ পৰীক্ষা কৰি অন্তিম সৎকাৰৰ বাবে আৰক্ষীয়ে পৰিয়ালক গতাই দিয়ে। পাছত শোকাকুল ছয় পৃষ্ঠাত চাওক

## জাগীৰোডস্থিত কেন্দ্ৰীয় বিদ্যালয়ত ২০২২-২৩ৰ নাম ভৰ্তি বন্ধ

### শিক্ষামন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ জিলা ছাত্ৰ সন্থাৰ উদ্বিগ্ন শৈক্ষিক মহল, অভিভাৱক-অভিভাৱিকা

**জাগীৰোড, ৬ জুলাই ঃ** জাগীৰোডস্থিত নগাঁও কাগজ কল বন্ধ হোৱাৰ পাছত এইবাৰ বন্ধ হোৱাৰ উপক্ৰম হৈছে মৰিগাঁও জিলাৰ এক মাত্ৰ কেন্দ্ৰীয় বিদ্যালয়খন। ১৯৮৪ত স্থাপন হোৱা তথা কেন্দ্ৰীয় মানৱ সম্পদ উন্নয়ন দপ্তৰৰ অধীনত থকা কেন্দ্ৰীয় বিদ্যালয়খনলৈ শেহতীয়াকৈ নামি আহিছে অশনি সংকেত। বিভিন্ন সমস্যাৰে জৰ্জৰিত মৰিগাঁও জিলাৰ একমাত্ৰ কেন্দ্ৰীয় বিদ্যালয়খনত বন্ধ কৰি দিয়া হৈছে ২০২২-২৩ ৰ প্ৰথম আৰু একাদশ শ্ৰেণীৰ নামভৰ্তি প্ৰক্ৰিয়া। যিয়ে বিদ্যালয়খন বন্ধ হৈ যোৱাৰ এক ইংগিত বহন কৰিছে। এই সন্দৰ্ভত আজি মৰিগাঁও জিলা ছাত্ৰ সন্থাই ৰাজ্যৰ শিক্ষামন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰিছে। স্মাৰকপত্ৰখনত মৰিগাঁও জিলা ছাত্ৰ সন্থাই কেন্দ্ৰীয় বিদ্যালয়খনৰ বৰ্তমানৰ স্থিতিৰ ওপৰত উদ্বিগ্ন প্ৰকাশ কৰি, শীঘ্ৰে নতুন নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ আহ্বান জনাইছে। কাৰণ দেশৰ আন আন কেন্দ্ৰীয় বিদ্যালয়ত ইতিমধ্যে প্ৰথম আৰু একাদশ শ্ৰেণীৰ নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ হৈছে। নগাঁও কাগজ কল বন্ধ হোৱাৰ গইনা লৈ যাতে কেন্দ্ৰীয় বিদ্যালয়খন বন্ধ কৰি নিদিয়ে তাৰ বাবেও আহ্বান জনাইছে। মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ সভাপতি দিপুল কুমাৰ নাথ আৰু সম্পাদক ৰূপজ্যোতি মেধিয়ে স্বাক্ষৰ কৰা স্মাৰকপত্ৰখনত এই কথাও উল্লেখ ছয় পৃষ্ঠাত চাওক

## সাহিত্যাচাৰ্য মহিম বৰাৰ ৯৯ সংখ্যক ওপজা দিনত নগাঁও কলেজ ভ্ৰাম্যমাণ পুথিভঁৰাল উন্মোচন




বিশেষ সংবাদদাতা

নগাঁও, ৬ জুলাই ঃ অসমীয়া সাহিত্যৰ পাঠকৰ সংখ্যা বৃদ্ধি কৰাৰ লগতে অসমীয়া ভাষাত ৰচিত গ্ৰন্থৰাজি সাধাৰণ ৰাইজৰ ওচৰলৈ নিয়াৰ অৰ্থে আজি অসমীয়া সাহিত্যৰ পুৰোধা ব্যক্তি, কথা শিল্পী আৰু অসমীয়া সাহিত্যৰ বটবৃক্ষস্বৰূপ সাহিত্যাচাৰ্য মহিম বৰাৰ ৯৯ সংখ্যক ওপজা দিনত নগাঁও কলেজ (অট'নমাচ)ত এটি ভ্ৰাম্যমান পুথিভঁৰাল উন্মোচন কৰা হয়। মহিম বৰাৰ নামত উৎসৰ্গিত এই ভ্ৰাম্যমাণ পুথিভঁৰালটি উন্মোচন কৰি মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শৰৎ বৰকটকীয়ে কয়, 'ডিজিটেল যুগৰ এই জয়জয়-ময়ময় পৰিৱেশৰ মাজত ছপা আখৰৰ কিতাপৰ যাতে আদৰ থাকে সেই উদ্দেশ্যেৰে আজি মহিম বৰাৰ ওপজা দিনত এই ভ্ৰাম্যমাণ পুথিভঁৰাল এক ক্ষুদ্ৰ প্ৰয়াস কৰা হৈছে। কিতাপ পঢ়িবৰ বাবে উদগ্ৰীৱ হৈ থকা এচাম পাঠক এতিয়াও ছয় পৃষ্ঠাত চাওক

## বিদ্যুৎ বিচ্ছিন্ন কৰাৰ ভয় দেখুৱাই টকা সৰকোৱাৰ ফন্দি চাইবাৰ চক্ৰৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ৬ জুলাই ঃ** একাংশ লোকৰ অজ্ঞতাৰ সুযোগ লৈ চলাহী কথাৰে দুৰ্বৃত্তই বেংকৰ সাঁচতীয়া টকাকেইটা লুটি নিয়া ঘটনা এতিয়া আৰু নতুন কথা নহয়। বিভিন্ন ঠাইত সঘনাই সংঘটিত হৈ আহিছে এই ঘটনা। থানাত গোচৰ দিয়াৰ পাছতো দুৰ্বৃত্তৰ সন্ধান উলিয়াব নোৱাৰে আৰক্ষীয়ে। দৈনিক বহু লোক চাইবাৰ অপৰাধীৰ বলি হৈ অহাৰ সময়তে যোৰহাটত চাইবাৰ অপৰাধীয়ে প্ৰৱঞ্চনাৰ নতুন জাল পেলাইছে। শেহতীয়াকৈ পোৱা তথ্য অনুসৰি, নতুন প্ৰৱঞ্চনাৰ আধাৰ কৰি লৈছে বিদ্যুৎ বিল। অতি চতুৰ চাইবাৰ অপৰাধী চক্ৰটোৱে



এসময়ত শেহতীয়াকৈ বিদ্যুৎ আদায় নিদিলে সংযোগ কৰ্তন কৰা নিয়মৰ গইনা লৈ বিদ্যুতৰ গ্ৰাহকলৈ জাননী প্ৰেৰণ কৰে আৰু শীঘ্ৰে বিল আদায় নিদিলে গধূলি বিদ্যুৎ সংযোগ কৰা হ'ব বুলি সকীয়াই দিয়ে। আজি যোৰহাট তৰাজান নিবাসী এজন বিশিষ্ট ব্যৱসায়ীৰ ম'বাইললৈ এখন জাননী আহে। অসমীয়া ভাষাত লিখা জাননীখনত কোৱা হয়, 'আপুনি বিল আদায় দিয়া নাই, গতিকে নিশা ছয় পৃষ্ঠাত চাওক

## নিৰ্মাণ কাৰ্য সম্পূৰ্ণ নৌহওঁতেই চপৰা-চপৰে উঠিছে ছয় কোটি টকীয়া পথ



অগ্ৰদূত বাৰ্তা

**মাটিয়া, ৬ জুলাই ঃ** নিৰ্মাণ কাৰ্য সম্পূৰ্ণ নৌহওঁতেই গোৱালপাৰা পশ্চিম সমষ্টিৰ অন্তৰ্গত ১৭ নম্বৰ ঘাইপথৰ মাকৰি বজাৰৰ পৰা শিলডাংগা বজাৰলৈ যোৱা পথটোৰ ঠাই বিশেষে চপৰা-চপৰে উঠি যোৱাত স্থানীয় ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। উল্লেখ্য যে মাকৰিৰ পৰা খৰমুজা-আমবাৰী-বগুৱান হৈ লক্ষীপুৰলৈ যোৱা পথটোৰ আৰাম্ভণিৰ প্ৰায় ছয় কিলোমিটাৰ পথ নতুনকৈ নিৰ্মাণৰ বাবে প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত প্ৰায় ছয় পৃষ্ঠাত চাওক

## হস্ততাঁত-বয়ন শিল্প বিভাগৰ পৰিদৰ্শক যতীন্দ্ৰ নাথ শৰ্মাৰ আকস্মিক বিয়োগ

বিশেষ সংবাদদাতা

**নগাঁও, ৬ জুলাই ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ মাহৰিআটিৰ নিবাসী, বিশিষ্ট সমাজকৰ্মী তথা হস্ততাঁত বিভাগৰ পৰিদৰ্শক যতীন্দ্ৰ নাথ শৰ্মাৰ যোৱা নিশা আকস্মিকভাৱে মৃত্যু হয়। মৃত্যুৰ সময়ত শৰ্মাৰ বয়স আছিল ৫৮ বছৰ। উল্লেখ্য যে যোৱা নিশা প্ৰায় ১১ বজাত স্নানাগাৰৰ পৰা শৰ্মা ওলাই আহিব ধৰোতেই মজিয়াত ঢলি পৰে। পৰিয়ালৰ সদস্যই ততালিকে তেওঁক নিশায়েই নগাঁৰৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰোৱাই যদিও ছয় পৃষ্ঠাত চাওক

## ■ দৰিদ্ৰ পৰিয়ালক চৰকাৰী ঘৰ দিয়াৰ নামত ১০-১৫ হেজাৰকৈ টকা সংগ্ৰহ ভিচিডিচিৰ সভাপতিৰ ■ দুৰ্নীতিগ্ৰস্ত ভিচিডিচি সভাপতিৰ বিৰুদ্ধে ৰাইজৰ প্ৰতিবাদ

## গোসাঁইগাঁৱত পিএম ৱাই গৃহ প্ৰদানৰ নামত দুৰ্নীতি

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ৬ জুলাই ঃ** দুৰ্নীতি-ভ্ৰষ্টাচাৰ ৰোধ কৰিবলৈ ৰাজ্য চৰকাৰে কঠোৰ হোৱাৰ সমান্তৰালকৈ বিটিআৰৰ শাসক দল ইউপিপিএলৰ মুৰব্বী তথা বিটিচি প্ৰধান প্ৰমোদ বড়োৱে উন্নয়নৰ কামত যাতে কোনো দুৰ্নীতি সংঘটিত নহয় তাৰ বাবে বাৰম্বাৰ দলীয় নেতা-কৰ্মীক আহ্বান জনোৱাৰ পাছতো একাংশ স্বাৰ্থান্ধ নেতা-কৰ্মীয়ে দলৰ নিৰ্দেশক গুৰুত্ব দিয়া নাই। বিটিআৰ অঞ্চলৰ বিভিন্ন প্ৰান্তৰ ভিচিডিচিসমূহত জবকাৰ্ড, অৰুণোদয়, চিলাই মেচিন বিতৰণৰ ক্ষেত্ৰত ব্যাপক অনিয়ম আৰু দুৰ্নীতি হোৱাই নহয় প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰ প্ৰদানৰ নামতো একাংশ ভিচিডিচিৰ সভাপতিয়ে দুৰ্নীতিৰ বজাৰ মেলিছে। একো একোজন সভাপতিয়ে পিএমএৱাই ঘৰ দিয়াৰ নামত হিতাধিকাৰীৰ পৰা ১০-১৫ হেজা টকাকৈ উৎকোচ লোৱাৰ গুৰুতৰ অভিযোগ উঠিছে। চাৰিদিন পূৰ্বে গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত কচুগাঁও উন্নয়ন খণ্ডৰ অধীনস্থ আনঠাইবাৰী-অমৃতপুৰ ভিচিডিচিৰ সবাপতি আব্দুল জলিল খানৰ বিৰুদ্ধে দুৰ্নীতিৰ বাতৰি প্ৰকাশ পোৱাৰ পাছত একেখন মহকুমা আৰু উন্নয়ন খণ্ডৰ অন্তৰ্গত দুই নম্বৰ হুদুম খাতা গাঁৱত দৰিদ্ৰ পৰিয়ালক চৰকাৰে দিয়া পিএমএৱাই গৃহ আবণ্টনক কেন্দ্ৰ কৰি পৰ্বতসম দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ কৰিছে অঞ্চলটোৰ ৰাইজে। ভিচিডিচি সভাপতিয়ে সংঘটিত কৰি অহা দুৰ্নীতিৰ বিৰুদ্ধে গাঁৱৰ ৰাইজে কালি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি ছয় পৃষ্ঠাত চাওক

## গোসাঁইগাঁৱত দুৰ্ঘটনাত কোচ ৰাজবংশী সন্মিলনীৰ নেতাসহ দুজনৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ/গোসাঁইগাঁও, ৬ জুলাই ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ হাৰাপুটাৰ ৩১ নম্বৰ (চি) ঘাইপথত আজি বিয়লি ২.৩০ বজাত সংঘটিত এক শোকাৱহ পথ দুৰ্ঘটনাত কোচ ৰাজবংশী সন্মিলনীৰ এগৰাকী নেতাসহ আন এজন লোকৰ অকাল মৃত্যুত কোকৰাঝাৰ আৰু ধুবুৰী জিলাৰ সীমামূৰীয়া অঞ্চলৰ ৰাইজক ব্যথিত কৰি তুলিছে। প্ৰাপ্ত তথ্য মতে, ধুবুৰী জিলাৰ তামাৰহাট আৰক্ষী থানাৰ অন্তৰ্গত বাসন্তীপুৰ গাঁৱৰ বাসিন্দা তথা অৱসৰপ্ৰাপ্ত শিক্ষক বিমল ৰায় আৰু হৰিপুৰ গাঁৱৰ বাসিন্দা তথা অৱসৰপ্ৰাপ্ত লাট মণ্ডল উপেন্দ্ৰ নাথ ৰায় ছয় পৃষ্ঠাত চাওক

## খাটিসোনাত ওলমি থকা মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ৬ জুলাই ঃ** মৰিয়নিৰ সমীপৰ দেবেৰাপাৰ আৰক্ষী চকীৰ অন্তৰ্গত খাটিসোনা অঞ্চলত আজি এটা চিপ লোৱা মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ঘটনাৰ সম্পৰ্কে জানিব পৰা মতে, খাটিসোনা তিনিআলিৰ সমীপত বিয়পি পৰা এক দুৰ্গন্ধৰ উৎস বিচাৰি একাংশ ৰাইজে তাৰ বিছাৰ-খোচাৰ আৰম্ভ কৰে। সন্ধিয়ালৈ এজোপা গছৰ এটা ডালত ওলমি থকা মৃতদেহ এটা প্ৰত্যক্ষ কৰে স্থানীয় ৰাইজে। মৃতদেহটোৰ দেহত অন্তৰ্বাসৰ বাদে একো নাছিল। এটা জিন্স পেন্টেৰে চিপ লোৱা অৱস্থাত মৃতদেহটো উদ্ধাৰ হয়। মাটিৰ পৰা প্ৰায় ১৫ ফুট উচ্চতাত থকা এটা ডালত মৃতদেহটো ওলমি আছিল। ইতিমধ্যে উৰলিবলৈ ধৰা মৃতদেহটোৰ পৰা দুৰ্গন্ধ বিয়পি পৰিছিল। ছয় পৃষ্ঠাত চাওক

## ৰাজ্যৰ সাম্প্ৰতিক বান পৰিস্থিতিত কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ দিছপুৰত অৱস্থান কাৰ্যসূচী বাতিল

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ৬ জুলাই ঃ** কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ কাৰ্যনিৰ্বাহক সভাই কোচ ৰাজবংশী জনগোষ্ঠীৰ দীৰ্ঘদিনীয়া জনজাতিকৰণৰ দাবীত ঘোষণা কৰা ১২ জুলাইত দিছপুৰত অৱস্থান কাৰ্যসূচী বাতিল কৰা বুলি সংগঠনটোৰ কেন্দ্ৰীয় সভাপতি নাৰায়ণ মেধিয়ে জানিবলৈ দিয়ে। অসমৰ সাম্প্ৰতিক বান পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত উক্ত কাৰ্যসূচীৰ বাতিলৰ সিদ্ধান্ত লোৱা হয়। উল্লেখ্য যে যোৱা ১২ জুনত অভয়াপুৰীৰ চিলাৰায় ভৱনত কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সভাপতি নাৰায়ণ মেধিৰ সভাপতিত্বত অনুষ্ঠিত ছয় পৃষ্ঠাত চাওক

### আধা বাটৰ পৰা ঘূৰিল স্বাস্থ্য বিভাগৰ আদৰণি ঃ বোকা পানীৰে একাকাৰ প্ৰায় এক কিলোমিটাৰ পথেৰে কোচত নৱজাতকক লৈ খোজকাঢ়ি মাতৃ আহিল নিজৰ গৃহলৈ

## খুমটাইত বিধ্বস্ত বাটপথ





**খুমটাই, ৬ জুলাই ঃ** গোলাঘাট জিলাৰ খুমটাই গাঁও পঞ্চায়তৰ অন্তৰ্গত বহুকেইটা গ্ৰাম্য পথ অতি শোচনীয় হৈ পৰাত ৰাইজে যাতায়াতৰ ক্ষেত্ৰত যমৰ যাতনা ভুগি আহিছে। অতি বিধ্বস্ত হৈ পৰা বাট-পথসমূহৰ এটা হ'ল খুমটাইৰ ধোদৰ আলিৰ পৰা এৰাবাৰী আৰু ঐতিহাসিক পদুম পুখুৰী থান সংযোগী পথটো। প্ৰায় এক কিলোমিটাৰ দৈৰ্ঘ্যৰ পথটো দ' গাঁতৰ সৃষ্টি হোৱাৰ লগতে বোকা-পানীৰে একাকাৰ হৈ পৰিছে। পথটো অতি বিধ্বস্ত বাবে জৰুৰী সময়তো এম্বুলেন্স আহিব নোৱৰা বাবে এৰাবাৰী অঞ্চলৰ লোকসকলে ঠেলা, চাইকেল নাইবা বোকোচাত উঠাই ৰোগীক চিকিৎসালয়লৈ নিব লগা পৰিস্থিতিৰ সৃষ্টি হয়। পথটোৰ দুৰৱস্থাৰ বাবে এম্বুলেন্স আহিব নোৱৰাত আন ৰোগীৰ দৰে এগৰাকী গৰ্ভৱতী মহিলাই খোজকাঢ়ি চিকিৎসালয়লৈ যাব লগা পৰিস্থিতিৰ সৃষ্টি হয়। চিকিৎসালয়ত সন্তান জন্মৰ পাছত স্বাস্থ্য বিভাগৰ আদৰণি এম্বুলেন্সৰে নৱজাতকক মাতৃগৃহত থ'বলৈ আহে যদিও পথটো অতি ছয় পৃষ্ঠাত চাওক


## গৌৰাং নৈত গা ধুবলৈ গৈ কোকৰাঝাৰ বি বি ইঞ্জিনীয়াৰিং কলেজৰ ছাত্ৰ সন্ধানহীন



অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ৬ জুলাই ঃ** কোকৰাঝাৰস্থিত বি বি ইঞ্জিনীয়াৰিং কলেজৰ দ্বিতীয় ষাণ্মাসিকৰ কেমিকেল ইঞ্জিনীয়াৰিঙৰ ছাত্ৰ তথা কামৰূপৰ মিৰ্জাৰ নিবাসী অন্তৰীক্ষ শৰ্মা (১৯) ই গৌৰাং নৈত গা ধুবলৈ গৈ সন্ধানহীন হোৱা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আৰক্ষী আৰু এছডিআৰএফ বাহিনীয়ে ছাত্ৰজনৰ সন্ধানত ছয় পৃষ্ঠাত চাওক

## চিৰাঙৰ ভূটান সীমান্তত জনাঞ্চলত দিন দুপৰতে বন্যহস্তীৰ জাকৰ বিচৰণ



অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ৬ জুলাই ঃ** চিৰাং জিলাৰ ৰুনিখাতা বনাঞ্চলৰ অধীনত ভূটান সীমান্তৰ ফুলবাৰী গাঁৱত দিন দুপৰতে প্ৰৱেশ কৰে বন্যহস্তীৰ জাকে। জনাঞ্চলত প্ৰায় ২৫ টাকৈ বন্যহস্তীৰ এটা জাকে প্ৰৱেশ কৰি শালি ধানৰ বিধানৰ লগতে তামোলৰ বাৰী ধ্বংস কৰে। প্ৰায়েই অঞ্চলটোত বন্যহস্তীৰ জাকে প্ৰৱেশ কৰি মানুহৰ ঘৰ-দুৱাৰ ধ্বংস কৰাৰ লগতে খেতিপথাৰৰ ক্ষতি কৰিছিল নিশাৰ ভাগত। কিন্তু আজি দিন দুপৰতে এই দৰে বন্যহস্তীৰ জাকে প্ৰৱেশ কৰাত আতংকিত হৈ পৰিছে গাঁও বাসী। মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা বন্যহস্তীৰ জাকটো ৰিপু চিৰাং বনাঞ্চলত আশ্ৰয় লয় আৰু তাৰ পৰা ওলাই অহা বন্যহস্তীৰ জাকটোৰ পৰা গাঁওখনক ৰক্ষাৰ বাবে এতিয়াও বন বিভাগে কোনো ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। বন বিভাগৰ লোক আজি ঘটনাস্থলীত উপস্থিত হৈ বন্যহস্তীৰ জাকটো পৰ্যৱেক্ষণ কৰি থকা পৰিলক্ষিত হৈছে। ইতিমধ্যে বিগত সময়ছোৱাত বহু লোকে বন্যহস্তীৰ আক্ৰমণত নিহত হ'বলগীয়া হৈছে। সেয়ে স্থানীয় লোকে বন বিভাগ তথা চৰকাৰৰ ওচৰত দাবী জনায় বন্যহস্তীৰ পৰা গাঁওখনক ৰক্ষা কৰাৰ বাবে। ইপিনে, চিৰাং বন সংমণ্ডল বিষয়া ব্ৰহ্মানন্দ পাতিৰীয়ে বন্যহস্তীৰ জনাঞ্চলত প্ৰৱেশৰ সন্দৰ্ভত কয় যে ২০০৫ লৈ চিৰাং জিলাৰ বৃহত্তৰ সংৰক্ষিত বনাঞ্চল আছিল আৰু এই সমূহত জন বসতি স্থাপন হোৱাত বন্যহস্তীৰ বিচৰণ কৰা ঠাইৰ ছয় পৃষ্ঠাত চাওক

## এৰাবাৰীত পৰিণত কোটি টকাৰে নিৰ্মাণ কৰা খাৰুপেটীয়া কলেজৰ দুই ছাত্ৰ-ছাত্ৰী নিৱাস



### পৰিত্যক্ত হৈ আছে ইনড'ৰ ষ্টেডিয়াম

অগ্ৰদূত বাৰ্তা

**দলগাঁও, ৬ জুলাই ঃ** দৰঙৰ পূব প্ৰান্তৰ সংখ্যালঘু বসতি প্ৰধান অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলক দীৰ্ঘদিনৰ পৰা উচ্চ শিক্ষাৰ পোহৰ বিলাই অহা একমাত্ৰ শিক্ষানুষ্ঠান খাৰুপেটীয়া মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰীৰ বাবে নিৰ্মাণ কৰা হোষ্টেল দুখন আজিলৈ ছয় পৃষ্ঠাত চাওক

## ডিব্ৰুগড় তাই শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰত হ'ব তাই ভাষাৰ পাঠ্যক্ৰম

### ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু তাই শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰৰ চুক্তি পত্ৰ সম্পন্ন

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ৬ জুলাই ঃ** তাই শিক্ষাৰ আৰু সংস্কৃতিৰ উত্তৰোনৰ ক্ষেত্ৰত দীৰ্ঘদিন বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি অহা ডিব্ৰুগড় তাই শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰত দুবছৰীয়া তাই শিক্ষাৰ পাঠ্যক্ৰমৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা অনুমোদন লাভ কৰিছে। আজি ডিব্ৰুগড় বিশ্ববিদ্যালয় কতৃপক্ষ আৰু তাই শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰৰ এক ঐতিহাসিক চুক্তি সম্পন্ন হয়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য সভা কক্ষত ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু ডিব্ৰুগড় বৈৰাগীমঠস্থিত তাই সংস্কৃতি আৰু শিক্ষা কেন্দ্ৰৰ মাজত এক চুক্তি পত্ৰত স্বাক্ষৰ কৰা হয়। চুক্তি অনুসৰি তাই শিক্ষা কেন্দ্ৰক দুবছৰীয়া তাই ভাষা পাঠ্যক্ৰম অন্তভুক্তিৰ বাবে অনুমতি প্ৰদান কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ হৈ উপস্থিত থাকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য লীলাকান্ত নাথ, থুলগুৰু দেইজী বৰা তালুকদাৰ, পঞ্জীয়ক জিতেন হাজৰিকা, মহাবিদ্যালয়ৰ উন্নয়ন পৰিষদৰ সঞ্চালক ৰূপম শইকীয়া, যুটীয়া পঞ্জীয়ক (শৈক্ষিক) বিনোদ বড়া, ন্যায়িক বিষয়া দেৱৰাজ শৰ্মা আৰু অঞ্জন চেতিয়া। আনহাতে, তাই শিক্ষা ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী বৃহস্পতিবাৰ ২২ আহাৰ ১৪২৯ ভাস্কৰাব্দ ৬ জুলাই ২০২২

# সংক্ৰমণ বৃদ্ধি

**একাংশ** বিশেষজ্ঞই ভাৰতত পুনৰ ক'ভিড মহামাৰীৰ নতুন অথবা চতুৰ্থ তৰংগৰ সৃষ্টিৰ সম্ভাৱনা নুই কৰি আহিছে যদিও শেহতীয়াকৈ যিদৰে দেশৰ কে'বাখনো ৰাজ্যত ক'ভিডৰ সংক্ৰমণ প্ৰতিদিনে বৃদ্ধি পাইছে, সেয়া অতি উদ্বেগজনক। যোৱা চাৰি জুলাইত দেশত ২৪ ঘণ্টাত নতুনকৈ ক'ভিডত আক্ৰান্ত হৈছে ২০,১৪৩ জন। ক'ভিডত আক্ৰান্ত হৈ এদিনত প্ৰাণ হেৰুৱাইছে ৩১ জনে। সক্ৰিয় ৰোগীৰ সংখ্যাও এক লাখ ১১ হেজাৰ হ'লগৈ। অথচ এসপ্তাহ পূৰ্বে দেশত ২৪ ঘণ্টাত নতুনকৈ ক'ভিডত আক্ৰান্ত হৈছিল ১৪,৫০৬ জন। কেৱল মহাৰাষ্ট্ৰতেই ২৪ ঘণ্টাত নতুনকৈ ক'ভিডত আক্ৰান্ত হৈছিল ৬,৪৮২ জন। বিশেষকৈ চুবুৰীয়া পশ্চিমবংগত যোৱা চাৰি জুলাইত ১,৮২২ জন আক্ৰান্ত হোৱাৰ বিপৰীতে কেৰালাত যোৱা সপ্তাহত ২৪ ঘণ্টাত ২,৯৯৩ জন ক'ভিডত আক্ৰান্ত হৈছে। আনহাতে, দিল্লী, তামিলনাড়ু, কৰ্ণাটক আদি ৰাজ্যত ক'ভিডৰ সংক্ৰমণ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। উল্লেখ্য যে দেশৰ কে'বাখনো ৰাজ্যত নতুনকৈ ক'ভিডত আক্ৰান্তৰ সংখ্যা বৃদ্ধি হোৱাৰ প্ৰতি লক্ষ্য ৰাখি যোৱা সপ্তাহতেই কেন্দ্ৰীয় চৰকাৰে সকলো ৰাজ্যলৈকে ক'ভিড স্বাস্থ্যবিধি অনুসৰণত গুৰুত্ব দিবলৈ আৰু ব্যৱস্থা ল'বলৈ সতৰ্কতামূলক বাৰ্তা প্ৰেৰণ কৰিছে। দেশৰ অন্যান্য ৰাজ্যতকৈ অসমত নতুনকৈ ক'ভিডত আক্ৰান্তৰ সংখ্যা কম যদিও যোৱা এটা মাহত অসমতো সংক্ৰমণ বৃদ্ধি পাইছে। যোৱা পাঁচ জুনত অসমত এশজনৰ ক'ভিড পৰীক্ষাত এজনো ক'ভিডত আক্ৰান্ত ধৰা পৰা নাছিল; কিন্তু ৩০ দিনৰ পাছত যোৱা চাৰি জুলাইত ৰাজ্যৰ ১,৬০০ জনৰ ক'ভিড পৰীক্ষাত ১৬১ জনৰ দেহত নতুনকৈ ক'ভিডৰ সংক্ৰমণ ধৰা পৰিছে। ৰাজ্যত সংক্ৰমণৰ হাৰ ন শতাংশ বৃদ্ধি পোৱা বুলি অসমৰ ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান বিভাগৰ সূত্ৰই সদৰী কৰিছে বুলি সংবাদ মাধ্যমত প্ৰকাশ।

উল্লেখ্য যে এই মুহূৰ্তত দেশত ক'ভিডৰ ৰাষ্ট্ৰীয় সংক্ৰমণৰ হাৰ ৩.৫৯ শতাংশৰ বিপৰীতে অসমত সংক্ৰমণ বৃদ্ধিৰ হাৰ ন শতাংশ। অসমে সেয়ে চিকিৎসালয়ত অতি কম ৰোগী ভৰ্তি হোৱা বুলি কৈ ক'ভিড স্বাস্থ্য বিধি উপেক্ষা কৰা উচিত নহ'ব। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে ক'ভিড বিধি মানি চলিবলৈ আহ্বান জনোৱাৰ লগতে পৰীক্ষা কৰিবলৈও কৈছে। অতি কমসংখ্যকে স্বেচ্ছাই ক'ভিড পৰীক্ষাৰ বাবে আগবাঢ়ি আহে। বিশেষকৈ শৰীৰত ক'ভিডৰ লক্ষণে দেখা দিলেহে পৰীক্ষা কৰিবলৈ পৰীক্ষা কেন্দ্ৰ বা চিকিৎসালয়লৈ যায়। বহুতেই পানী লগা জ্বৰ-কাহ আদি হ'লে ফাৰ্মাচীৰ ঔষধ খাই ঘৰতেই থাকে। সেয়ে কিমান লোকৰ দৈনিক ক'ভিড হৈছে, সেই সন্দৰ্ভত নিৰ্ভৰযোগ্য তথ্য স্বাস্থ্য বিভাগেও দিব পৰা নাই। এনে কাৰণতেই তলে তলে ক'ভিড বিয়পিব পাৰে। অন্যথা ৰাজ্যত ক'ভিডৰ সংক্ৰমণৰ হাৰ ৰাষ্ট্ৰীয় হাৰতকৈ অধিক বৃদ্ধি পাই ন শতাংশলৈ বৃদ্ধি নাপালেহেঁতেন। চিন্তাৰ আন এটা কাৰণ হ'ল যিবিলাক লোক ক'ভিডত আক্ৰান্ত হৈছে সেইসকল লোক ৰাজ্যৰ বাহিৰলৈ যোৱা নাই। কামৰূপ মহানগৰ অঞ্চলতেই অধিক সংখ্যক আক্ৰান্ত হৈছে। কামৰূপ মহানগৰৰ স্বাস্থ্য বিভাগৰ সঞ্চালকৰ মতে ৰেল তথা বিমান যাত্ৰীসকলৰ পৰাই অসমত ক'ভিড বিয়পা বুলি সন্দেহ কৰা হৈছিল যদিও মহানগৰ অঞ্চলৰ যিসকল আক্ৰান্ত হৈছে, তেওঁলোকৰ বেছিভাগেই ৰাজ্যৰ বাহিৰলৈ যোৱা নাই। তেন্তে তেওঁলোক কেনেকৈ ক'ভিডত আক্ৰান্ত হৈছে? সম্ভৱতঃ পৰীক্ষা নকৰা আৰু চিকিৎসা কেন্দ্ৰ বা চিকিৎসালয়লৈ নোযোৱা একাংশ ক'ভিড সংক্ৰমিত লোকৰ পৰাই তলে তলে ক'ভিড বিয়পিছে। যিহেতু বৰ্তমান পূৰ্বৰ দৰে মাস্ক পৰিধান, দূৰত্ব ৰক্ষা কৰা, সঘনাই হাত পৰিষ্কাৰ কৰা, জনাকীৰ্ণ অঞ্চলৰ পৰা আঁতৰি থকা আদি বিধিসমূহ কোনো লোকেই মানি চলা দেখা নাযায়। ক'ভিডৰ প্ৰতি কাৰো এতিয়া ভয় নাই। এনে পৰিৱেশ— ক'ভিড ভাইৰাছ বিয়পাৰ বাবে সুন্দৰ আৰু সুবিধাজনক। মানুহেই এনে পৰিৱেশৰ বাবে দায়ী। সকলোৱেই এতিয়া একেটা ভুল কৰা দেখা যায়; সেইটো হ'ল তেওঁলোকে ক'ভিডৰ প্ৰতিষেধক লৈছে। প্ৰথম আৰু দ্বিতীয় দুয়ো পালি ক'ভিডৰ প্ৰতিষেধক লোৱা হৈছে যেতিয়া তেওঁলোক সম্পূৰ্ণ নিৰাপদ। প্ৰতিষেধক লোৱাৰ ফলত ক'ভিডত আক্ৰান্ত হ'লেও জটিল হোৱা বা মৃত্যু হোৱাৰ ভয় নাই ঠিকেই, কিন্তু ক'ভিডৰ সংক্ৰমণ বৃদ্ধি পাই থকা আৰু ই সক্ৰিয় হৈ থকাত এনে পৰিৱেশে সহায় কৰিছে। আনহাতে, চৰকাৰে তৃতীয় পালি ক'ভিডৰ প্ৰতিষেধক বুষ্টাৰ ল'বলৈ আহ্বান জনাই আছে যদিও ভাৰতৰ মুঠ জনসংখ্যাৰ মাত্ৰ ২.১ শতাংশ লোকেহে এই তৃতীয় পালি প্ৰতিষেধক লৈছে বুলি প্ৰকাশ পাইছে। ক'ভিডৰ তৃতীয় টো অহাৰ সময়ত দেশত যিসকলে তৃতীয় পালি বা বুষ্টাৰ লৈছিল, তেওঁলোকৰ মাজত আক্ৰান্তৰ সংখ্যা আছিল অতি কম; কিন্তু ভাৰতৰ দুই শতাংশৰ বিপৰীতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৩০ শতাংশ, ইউ এ ইৰ ৫৩ শতাংশ, ব্ৰিটেইনৰ ৫৯ শতাংশ, চিলিৰ ৯৬ শতাংশ আৰু আনকি পাকিস্তানৰো ৩.৩ শতাংশ লোকে বুষ্টাৰ বা তৃতীয় পালি প্ৰতিষেধক লৈছে।

সমগ্ৰ বিশ্বতে বৰ্তমান ক'ভিডৰ অ'মিক্ৰন প্ৰজাতিৰ কে'বাটাও উপ-প্ৰজাতিৰ সংক্ৰমণ ঘটিছে। ভাৰতত চতুৰ্থ টো অহা নাই যদিও অ'মিক্ৰন প্ৰজাতিৰ একাধিক উপ-প্ৰজাতিয়ে ক'ভিড বিয়পাইছে। দেশত শেহতীয়াকৈ পুনৰ ক'ভিডৰ সংক্ৰমণ বৃদ্ধি পোৱাৰ কাৰণ হ'ল এই উপ-প্ৰজাতিসমূহ। এই মুহূৰ্তত ভাৰতত অ'মিক্ৰনৰ চাৰিটা উপ-প্ৰজাতিয়ে সংক্ৰমণ বৃদ্ধি কৰিছে বুলি প্ৰকাশ পাইছে। অমিক্ৰনৰ চাৰিটা উপ-প্ৰজাতিৰ ভিতৰত বি এ-৪ৰ তিনিটা উপ-প্ৰজাতি আৰু বি এ-৫ৰ এটা উপ-প্ৰজাতি সক্ৰিয় হৈ আছে। ভাৰতৰ বাহিৰেও বিশ্বৰ ৪২ খন দেশত বি এ-৪ আৰু ৪৭ খন দেশত বি এ-৫ উপ-প্ৰজাতি সক্ৰিয় হৈ আছে। অ'মিক্ৰন প্ৰজাতিৰ এই উপ-প্ৰজাতিবিলাক দ্ৰুতগতিৰে সংক্ৰমণ ঘটাব পাৰে যদিও এই উপ-প্ৰজাতিবিলাকৰ মাৰণ ক্ষমতা যথেষ্ট কম। ক'ভিডত মৃত্যুৰ সংখ্যা সেয়ে বিশ্বজুৰি হ্ৰাস পাইছে। অৱশ্যে ক'ভিডৰ প্ৰতিষেধক অবিহনে পৰিস্থিতি হয়তো অতি ভয়াবহ হ'লগৈহেঁতেন। ক'ভিডৰ প্ৰতিষেধক বেছি সংখ্যক লোকেই দুটাকৈ লোৱাৰ ফলত লাখ লাখ লোকৰ প্ৰাণ ৰক্ষা পৰিছে। ভাৰতত ক'ভিড প্ৰতিষেধক লোৱাৰ বাবে ৪২ লাখ লোকৰ জীৱন ৰক্ষা পৰিল বুলি প্ৰকাশ পাইছে। অৱশ্যে প্ৰতিষেধক লোৱাৰ আগেয়েই দেশত চাৰি লাখৰো অধিক লোকৰ ক'ভিডত মৃত্যু হ'ল।

# শিক্ষাৰ মানৰ অধোগামী গতি ঃ দোষ কাৰ?

**প্ৰাথমিক বিদ্যালয়তে শিক্ষাৰ অধোন্নতিৰ এইটো এটা প্ৰধান কাৰণ। শিক্ষাগুৰুৰ প্ৰতি ভয়-ভক্তি নাথাকিলে ছাত্ৰ-ছাত্ৰীয়ে একো শিক্ষা লাভ কৰিব নোৱাৰে। আৰু তেনেবোৰ ছাত্ৰ-ছাত্ৰীক এনেয়ে পঢ়াশালিলৈ নপঠোৱাই ভাল। সিহঁতক সৰুৰে পৰা বৃত্তিমূলক কাম-কাজ শিকাই জীৱনত নিজৰ ভৰিত থিয় দি চলিব পৰা কৰাটোহে উচিত, যাতে সিহঁত কাৰো বোজা বা হাৰমাল হ'ব নালাগে**

সৰুতে যিখন প্ৰাথমিক বিদ্যালয়ত মোক নাম লগাই দিছিল, সেইখন আছিল নামতি আলি ৰেল ষ্টেচনৰ কাষতে থকা 'মাইগুৰি পুখুৰী পাৰ প্ৰাথমিক স্কুল।' বহু পুৰণি এই বিদ্যালয়খন এতিয়াও আছে নে নাই নাজানো, কিন্তু তাত নাম লিখোৱাৰ দিনৰ পৰা তৃতীয় শ্ৰেণীৰ শেষলৈকে বহু কথা এতিয়াও মনত সজীৱ হৈ আছে। তিনিটা কোঠাৰ বাঁহৰ বেৰ-চালেৰে পাঁচটা শ্ৰেণীৰ এশমান ছাত্ৰক জ্ঞান দান কৰিবলৈ এগৰাকী প্ৰধান শিক্ষক আৰু দুগৰাকী সহ শিক্ষক আছিল আৰু সেইসকল বহিবলৈ তিনিখন চকী আৰু এখন টেবুল আছিল। আমি ছাত্ৰ-ছাত্ৰীবোৰ কঠ, বস্তা বা ঢাৰি পাৰি মাটিতে বহিছিলো। এতিয়াও হয়তো তাৰ পৰিৱৰ্তন হোৱা নাই।

তেতিয়া প্ৰধান শিক্ষক আছিল প্ৰয়াত শ্ৰদ্ধেয় পদ্মনাথ ভট্টাচাৰ্য আৰু সহ-শিক্ষক দুগৰাকী আছিল ক্ৰমে শ্ৰদ্ধেয় মুকুতা কটকী আৰু শ্ৰদ্ধেয় মইনাকণ গোস্বামী। মুকুতা মাষ্টৰ আছিল নৰ্মাল পাছ আৰু অতিকে চোকা শিক্ষক। প্ৰথম দিনাৰ প্ৰথম পাঠটো মোক তেৱেঁই পঢ়ুৱাইছিল। সেইদিনাই তেওঁৰ চৰিত্ৰৰ দুটা ৰূপ দেখি মই ভয়ত পেঁপুৱা লাগিছিলো। কাৰণ, মোক বৰ মৰমেৰে পঢ়ুৱাই উঠি গৈয়েই দ্বিতীয় নে তৃতীয় শ্ৰেণীৰ এজন ছাত্ৰক তেওঁ গুৰুলা-গুৰুলকৈ পিটিছিল। ল'ৰাজন উৎপতীয়া আৰু পঢ়াত বৰ অমনোযোগী আছিল। মই সাৱধান হ'লো আৰু দিনৰ পাঠ দিনৌ আওৰাইছিলো। সেই কাৰণে এদিনো মাৰ খাব লগা হোৱা নাছিল। বাকী গোস্বামী ছাৰ বোলে তৃতীয় শ্ৰেণী উত্তীৰ্ণহে আছিল আৰু প্ৰধান শিক্ষক পদ্মনাথ আছিল মাইনৰ পাছ শিক্ষক। গোস্বামী ছাৰে ছাত্ৰ-ছাত্ৰীক কেৱল সাহিত্য আৰু নেওঁতা পঢ়ুৱাইছিল আৰু অংক, মৌখিক আদিৰ কাষেই নাচাপিছিল। পিছে প্ৰতিজনলৈকে আমাৰ ভয় আৰু শ্ৰদ্ধাত হীন-দেঢ়ি ঘটা নাছিল।

পঢ়াশালিখন আছিল ৰাজপথটোৰ কাষতে আৰু পুখুৰীটোৰ একেবাৰে পাৰতে। নিচেই বাম পুখুৰীটোৰ পানী আছিল ৰঙা আৰু খোৱা কথাটো বাদেই, হাত-ভৰি ধুবলৈকো সংকোচ লগা। যথেষ্ট ডাঙৰ সেই পুখুৰীটো কোনে, কেতিয়া আৰু কি কাৰণে খন্দাইছিল, তাৰ ইতিহাস কেৰে নাজানে। আজি-কালি পঞ্চায়তে ফিচাৰী কৰা বুলি শুনিছো।

কিন্তু আচৰিত কথা, তেনেখন বিদ্যালয়ৰ বহু ছাত্ৰই প্ৰতি বছৰে শেষ পৰীক্ষাটোত বৃত্তি লাভ কৰি বিদ্যালয়খনৰ বাবে গৌৰৱ কঢ়িয়াই আনিছিল। সেই সময়ত গাঁৱৰ দুখীয়া ল'ৰা-ছোৱালীক কেৰে গৃহ শিক্ষক দি পঢ়ুওৱা নাছিল আৰু কেৱল শিক্ষককেইগৰাকীয়ে দিয়া সু-শিক্ষাৰ বলতে ছাত্ৰ-ছাত্ৰীয়ে বৃত্তি পায় সুনাম কঢ়িয়াই আনিছিল। অৱশ্যে গাঁৱৰ জনসাধাৰণৰ শিক্ষাৰ প্ৰতি থকা আগ্ৰহ আৰু শিক্ষকসকলৰ প্ৰতি বিশ্বাস আৰু শ্ৰদ্ধাৰ কথাটোও উল্লেখ কৰিব লাগিব। কেতিয়াবা একোটা ল'ৰাৰ দেউতাকে আহি ল'ৰাৰ পঢ়াৰ খবৰ লয়হি আৰু নিজৰ ল'ৰাই নপঢ়ি উৎপাত কৰি থাকিলে শিক্ষকক কয়, 'পণ্ডিত বেছকৈ কোবাব, মাথোঁ চাব যাতে চকুকেইটা বাছে।' এতিয়া ছাত্ৰক কোবোৱাটো বাদেই, ধমক্ এটা দিলেও ল'ৰাৰ বাপেক-দদায়েক আদি আহি শিক্ষককে তৰ্জন-গৰ্জন কৰিবহি বা বাটে-পথে ধৰি গুৰুলা-গুৰুল কৰিবহি। শিক্ষকেনো

**নগেন ভট্টাচাৰ্য**

কিয় মাৰ খাই মৰিবলৈ যাব! 'যি হয় হৈ থাকক, দৰমহাটো পালেই হ'ল।'

প্ৰাথমিক বিদ্যালয়তে শিক্ষাৰ অধোন্নতিৰ এইটো এটা প্ৰধান কাৰণ। শিক্ষাগুৰুৰ প্ৰতি ভয়-ভক্তি নাথাকিলে ছাত্ৰ-ছাত্ৰীয়ে একো শিক্ষা লাভ কৰিব নোৱাৰে। আৰু তেনেবোৰ ছাত্ৰ-ছাত্ৰীক এনেয়ে পঢ়াশালিলৈ নপঠোৱাই ভাল। সিহঁতক সৰুৰে পৰা বৃত্তিমূলক কাম-কাজ শিকাই জীৱনত নিজৰ ভৰিত থিয় দি চলিব পৰা কৰাটোহে উচিত, যাতে সিহঁত কাৰো বোজা বা হাৰমাল হ'ব নালাগে।

প্ৰাথমিক বিদ্যালয় এৰি ঘৰৰ ওচৰৰে 'নামতি দ'ল হাইস্কুল'ত চতুথ শ্ৰেণীত নাম লগালো। তাত ইংৰাজী, অসমীয়া, ভূগোল, বুৰঞ্জী আৰু হিন্দী শিকিব লগা হৈছিল আৰু আছিল মই বৰ টান পোৱা অংক। হিন্দ পঢ়ুৱাইছিল এজন বিহাৰী ব্ৰাহ্মণ শিক্ষকে। তেওঁ অসমীয়া ভাষা সমূলি নাজানে আৰু আমাক লৈ বিপাঙত পৰিছিল। চ, ছ, শ, ষ আৰু স, এই আখৰকেইটাৰ তেওঁ কৰা উচ্চাৰণৰ লগত আমাৰ উচ্চাৰণ একেবাৰে নিমিলিছিল আৰু তেওঁ সদায় মুখ বিকটাই দিছিল। আমি তালবীয় শ, মুনীয়া ষ আৰু দন্তীয়া স কৰি পঢ়োতে তেওঁ বৰ আচৰিত হৈছিল আৰু সম্ভৱ ছমাহ মানৰ পাছতে ঘৰৰ ল'ৰা ঘৰলৈ, মানে বিহাৰলৈ ঘূৰি গৈছিল।

হাইস্কুলৰ প্ৰধান শিক্ষক আছিল শ্ৰদ্ধেয় টংকেশ্বৰ চেতিয়া আৰু এছিষ্টেন্ট হেড মাষ্টৰ অৰ্থাৎ সহঃ প্ৰধান শিক্ষক আছিল মোৰ অতিকে শ্ৰদ্ধাৰ যজ্ঞেশ্বৰ হাতীবৰুৱা ছাৰ। অতি ধেমেলিয়া স্বভাৱৰ হাতীবৰুৱা ছাৰে খং কৰা বা হাতত বেত লোৱা এদিনো দেখা নাছিলো। তেওঁ আছিল এম এছ চি পাছ আৰু অংক আৰু বিজ্ঞানৰ শিক্ষক। তেওঁ শিকোৱাৰ পদ্ধতি বৰ ভালকৈ জানিছিল আৰু ছাত্ৰবিলাকৰ ওচৰলৈ গৈ গৈ তেওঁ শিকোৱা মতে ল'ৰাহঁতে লিখিব বা বুজিব পাৰিছেনে নাই তাৰ ভু-ভা লৈছিল। তেওঁৰ প্ৰচেষ্টাই কাম দিছিল আৰু প্ৰৱেশিকা পৰীক্ষাত দুই-এজন ছাত্ৰই ষ্টাৰ মাৰ্ক পায় প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল। ছাৰ আছিল অসুখীয়া শৰীৰৰ আৰু সৰুফুটীয়া নিশকতীয়া ব্যক্তি; কিন্তু মুখত অনবৰত হাঁহি লাগি থকা তেওঁক দেখিলে সকলোৰে মূৰ শ্ৰদ্ধাত দোঁ খাই গৈছিল। পিছে কেইবছৰমানৰ পাছত তেওঁ আমাক এৰি ইংলণ্ডত আৰু অধিক শিক্ষা ল'বলৈ গুচি গ'ল আৰু ডক্টৰেট হৈ গুৱাহাটী বিশ্ববিদ্যালয়ত যোগ দিলেহি।

এই যে ইমানখিনি কথা লিখিলো, কিয় লিখিলো পাঠকসকলে নিশ্চয় বুজিব পাৰিছে। আমাৰ দিনত তেনেই পিছপৰা গাঁৱৰ জনসাধাৰণৰ শিক্ষাৰ প্ৰতি ধাউতি আৰু শিক্ষাগুৰুসকলৰ প্ৰতি থকা অকৃত্ৰিম শ্ৰদ্ধাৰ বাবেই তেনেবোৰ পিছপৰা গাঁৱৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰাই বহু ছাত্ৰ-ছাত্ৰীয়ে ভৱিষ্যৎ জীৱনত উজ্জ্বলি উঠিব পাৰিছিল। এতিয়া পঢ়াশালিত নামটো লগোৱাৰ দিনৰ পৰাই ছাত্ৰ-ছাত্ৰীক ঘৰুৱা শিক্ষক নহ'লেই নোহোৱা হ'ল। মই স্কুলত পঢ়ি থাকোতেই বিশ্ববিখ্যাত নাট্যকাৰ শ্বেক্সপীয়েৰৰ দুখনমান নাটক (অসমীয়া ভাষাত অনূদিত) পঢ়িছিলো। সপ্তম শ্ৰেণীত পঢ়ি থাকোতে প্ৰয়াত কৰুণাধৰ বৰুৱাই অনুবাদ কৰা কবি কালিদাসৰ 'মেঘদূত' কাব্য পঢ়িছিলো আৰু কলেজত পঢ়ি থাকোতেই কালিদাসৰ কেউখন কাব্য, শ্বেক্সপীয়েৰৰ ৩৭ খন নাটক পঢ়িছিলো আৰু এতিয়াও মাজে মাজে পঢ়ি থাকো। ইয়াৰ উপৰি ওমৰ খায়ামৰ 'ৰুবায়াৎ'খনৰ ইংৰাজী অনুবাদ 'ৰুবায়াৎ অৱ ওমৰ খায়াম' পঢ়ি থাকো। পঢ়াৰ প্ৰতি, নজনা কথা জানিবলৈ এই ধাউতি মোৰ ল'ৰা কালতে গঢ়ি উঠিছিল। অতিকে ভিতৰুৱা পিছপৰা গাঁও এখনত মই এই শিক্ষা লাভ কৰিব পাৰিছিলো অভিভাৱকৰ শিক্ষাৰ প্ৰতি ধাউতি আৰু শিক্ষাগুৰুসকলৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি দায়িত্ববোধৰ কাৰণে। এতিয়া অভিভাৱকে পুতেক-জীয়েকহঁতক পঢ়াশালিলৈ পঠাই দিয়েই দায়িত্ব সামৰে। পুতেক-জীয়েকে পঢ়িছেনে নাই, কি পঢ়িছে এদিনো চাবৰ ইচ্ছা নকৰে। মাকে 'টিফিন'ৰ টেমা এটাত মেগী অলপ ভৰাই পুতেক-জীয়েকহঁতক ফিটফাট পোছাক পিন্ধাই পঢ়াশালিৰ দুৱাৰমুখত থৈ আহে। 'বছ, এতিয়া ম'বাইল পিটিকাৰ সময়' বুলি বুটাম টিপি থাকা। সেইবোৰ হ'ল চৰকাৰী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাক-বাপেক। পুতেক-জীয়েককেইটাই কি পঢ়িছে, কি লিখিছে সেইটো চাবলৈ মাক-দেউতাকৰ নিজৰে অৰ্হতা নাই। সেইবোৰ পঢ়াশালিৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে ৫০-৬০ হেজাৰলৈকে চৰকাৰৰ পৰা দৰমহা পায়। বহুতে জীৱন বীমাৰ কামত দিনটো ঘূৰে। কিছুমানে মন্ত্ৰী, বিধায়কৰ লেম্‌টৌগিৰী কৰে। প্ৰায় ডেৰকুৰি বছৰৰ গুৱাহাটী, মাজুলী, মৰিগাঁও, হাফলঙত চাকৰি কৰা কালত হোৱা এইবোৰ অভিজ্ঞতাৰেহে মই এইবোৰ লিখিছো। মই আৰু মোৰ মানুহজনীয়ে ল'ৰা দুটাৰ শিক্ষাৰ ক্ষেত্ৰত এৰা-ধৰা কৰা নাছিলো আৰু ঘৰত নিজে পঢ়ুৱাইছিলো বাবে সিহঁতে এতিয়া প্ৰতিষ্ঠা লাভ কৰিছে। এইখিনিতে অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ (সকলোৰে নহয়) মানসিকতাৰ দুটামান উদাহৰণ দিওঁ। মোৰু সৰু ল'ৰাটো মোৰ লগে লগে গুৱাহাটী, মৰিগাঁও, হাফলং আদিলৈ গৈ তাৰ অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয়ত পঢ়িব লগা হৈছিল। হাফলং নগৰত থকা তৰুণৰাম ফুকন বিদ্যালয়ত দ্বিতীয় শ্ৰেণীত পঢ়ি থাকোতে সেই পঢ়াশালিখনৰ বাংলাভাষী শিক্ষয়িত্ৰী (সম্ভৱ প্ৰধান শিক্ষয়িত্ৰী)য়ে এদিন মোক ক'লে, 'ভট্ট ছাৰ, শংকুক ফাইভত নাম লগাই দিয়ক।' মই কিয় বুলি সুধিলত ক'লে, 'সি বৰ চোকা।' মই পুনৰ ক'লো, 'চোকা ল'ৰা এটা আপোনাৰ স্কুলত আছে, ভালহে। তাক কিয় লৈ যাবলৈ কয়?' 'নহয়, মানে আমি তাক পঢ়াব নোৱাৰো।' চৰকাৰী অসমীয়া বিদ্যালয়ৰ কি কৰুণ ৰূপ, শিক্ষা দিয়াৰ নামত কেৱল ধন ঘটাৰ বেপাৰ। শিক্ষক হ'বলৈ এতিয়া অৰ্হতাৰ দৰকাৰ নাই; মন্ত্ৰী-বিধায়কৰ চাম্‌চা বা লগা-ভগা হ'লেই হ'ল। 'টেট' বুলি পতা অৰ্হতাৰ পৰীক্ষাত কেনে ধৰণৰ কি পৰীক্ষাৰে যোগ্যতাৰ নিৰ্ণয় হয়, তাত সন্দেহ হয়। মোৰ বিভাগত অনুবাদক পদৰ বাবে অনুষ্ঠিত হোৱা পৰীক্ষা এটাত মই এজন স্নাতকোত্তৰ ডেকাক সুধিছিলো, 'কোৱাচোন কাজিৰঙা ক'ত?' তেওঁ বৰ বিনয়েৰে ক'লে, 'ছাৰ মই আজি পঢ়ি আহিবলৈ নহ'ল।' ইমানবোৰ পৰীক্ষা পাছ কৰি অহা ডেকা এজনে নিজৰ ৰাজ্যখনৰে পৃথিৱী বিখ্যাত কাজিৰঙা অভয়াৰণ্যখনৰ নামটোও শুনা নাই। কি আমাৰ দুৰ্ভাগ্য! ল'ৰাজনৰ ঘৰ যোৰহাটত। আন এজন তেনে যোৰহটীয়া ডেকাক সুধিলো, তোমাৰ অঞ্চলৰ এজন বিখ্যাত সাহিত্যিকৰ নাম ক'ব পাৰিবানে? 'তেওঁ যোৱা বছৰ জ্ঞানপীঠ বঁটাও পাইছে।' তেওঁক মোকহে ঘূৰাই সুধিলে, নামটো কি আছিল ছাৰ? কি বিপদ! মই পৰীক্ষক, তেওঁ পৰীক্ষাৰ্থী। মইহে তেওঁ নামটো ক'ব লগা হ'ল। ক'লো, 'তোমাৰ ঘৰ কাকজানত। ওচৰৰে দিহা নৈখনৰ পাৰৰে সেইজন সাহিত্যিকৰ নাম ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য। মনত ৰাখিবা'।

'বিদেশী বিড়াতন'ৰ নামত হোৱা ঘোৰ আন্দোলনৰ কালত অনুষ্ঠিত হোৱা বিধানসভাৰ নিৰ্বাচনৰ কাৰণে ভোটকেন্দ্ৰৰ বাবে বিদ্যালয় এখন চাবলৈ গৈছিলো জেংৰাইমুখলৈ। ওচৰৰে প্ৰাথমিক বিদ্যালয়খনলৈ গৈ দেখিলো তলামৰা। তেতিয়া ১১ মান বাজিছিল। ওচৰৰে এজন লোকক সোধাত ক'লে, 'ছাৰ, এইখন সদায় বন্ধই থাকে। হেড্‌মাষ্টৰটো ঘূৰি ফুৰে। স্কুল নকৰেই। পলিটিকছ্ কৰে নহয়।' এনেতে বৰ বেগাবেগিকৈ প্ৰধান শিক্ষকজন হেফাই-ফেপাই ওলালহি। 'কি হ'ল, স্কুলখন বন্ধ যে?' 'এ ছাৰ, ল'ৰা-ছোৱালী নাহেই।' তেওঁৰ বিনয়ী উত্তৰ। শিক্ষক, ল'ৰা-ছোৱালীৰ অভিভাৱক কাৰো বিদ্যা-শিক্ষাৰ প্ৰতি একো চিন্তাই নাই। পৰিদৰ্শকে মাহেকত এদিনো বিদ্যালয় পৰিদৰ্শন কৰিবলৈ নাযায়। শিক্ষকে চৰকাৰী দৰমহা পাই থাকে। ডি আইৰ কাৰ্যালয় আছে। কি কাম কৰে সকলোৱে জানে।

গতিকে চৰকাৰী বিদ্যালয়ৰ মেট্ৰিকত এশ শতাংশ অনুত্তীৰ্ণ হোৱাটো স্বাভাৱিক কথা। মন গ'লেই চুবুৰিত স্কুল এখন খুলিলে; লাগি গ'ল চৰকাৰী কৰাবৰ বাবে আন্দোলন। নিজে নিজে শিক্ষক হৈ বহি লোৱাসকলক তাতে নিগাজী কৰি চৰকাৰে দৰমহা দিব লাগে। গতিকে যেই কৰ্ম সেই ফল। কেৱল চৰকাৰক দোষ দি নিজৰ দোষ লুকুৱাব খোজাসকলে নিজৰ বিবেকক সুধি চোৱা উচিত, 'আমি কি কৰি আছো!' চৰকাৰখনৰ যে দোষ নাই সেইটো নহয়। যিসকলক শিক্ষক হিচাপে নিযুক্তি দিয়ে, সেইসকলে দৈনিক সময় মতে বিদ্যালয়লৈ যায় নে নাযায়, পৰিদৰ্শকজনে মাজে মাজে পৰিদৰ্শন কৰে নে নকৰে, সেইবোৰ কথাও নজৰ দিব লাগে। অঞ্চলটোৰ বিধায়কজন সদায় দিছপুৰতে নাথাকি গাঁওখনলৈ গৈ পঢ়াশালিকেইখনৰ কি সমস্যা আছে সেই কথা জানি যথাযথ ব্যৱস্থা ল'ব লাগে।

অহৰহ বিৰোধীক গালি পাৰি থকাতেই মন্ত্ৰী-বিধায়কৰ দায়িত্ব শেষ নহয়। বিদ্যালয়বোৰৰ প্ৰায়ভাগৰ বাঁহৰ ঘৰ, বেৰ ভগা, গৰু-ছাগলীৰ গঁৱাল। তাত কণ কণ ছাত্ৰ-ছাত্ৰীয়ে কি শিকিব! গতিকে চৰকাৰে কেৱল শিক্ষক নিযুক্তি দিয়েই শিক্ষা প্ৰসাৰৰ বাবে হেন কৰিছো তেন কৰিছো গাই নাথাকি কোঢ়া সুধীয়া হওক আৰু যিবোৰ বিদ্যালয়ত প্ৰৱেশিকা পৰীক্ষাৰ্থী এজনো উত্তীৰ্ণ নহয়, সেইবোৰ বিদ্যালয়ৰ শিক্ষকক বাধ্যতামূলক অৱসৰ দিয়ক, যেনেদৰে আনবোৰ বিভাগৰ বিষয়া-কৰ্মচাৰীৰ ক্ষেত্ৰত নিলম্বন, প্ৰমোচন স্থগিতকৰণ, বদলি, বৰ্খাস্ত আদি কৰে। শিক্ষকৰ কাম ছাত্ৰ-ছাত্ৰীক পঢ়ুওৱা আৰু তাৰ বাবেই তেওঁলোকে দৰমহা পায়। গতিকে নিজৰ দায়িত্ব শিক্ষকেও পালন কৰিব লাগিব। একো নকৰি চৰকাৰে, শিক্ষকসকলে লাংপাং কথা গায় নাথাকি উচিতভাৱে দায়িত্ব পালন কৰক।

*ফোন ঃ ৭৩৯৯৫৭৩৮২২*





# চৌদিশে মাথোঁ মৃত্যুৰ কিৰীলি

**মানুহৰ** মৃত্যু যেন এতিয়া অতি সহজলভ্য হৈ পৰিছে। নানান ধৰণৰ দুৰ্ঘটনাত দৈনিক প্ৰাণ হেৰুৱাইছে শত সহস্ৰ জনে। যিয়েই নহওক অকাল মৃত্যু অসহনীয়, এটি এটি মূল্যবান জীৱন চকুৰ পচাৰতে নি:শেষ হৈ যোৱা কৰুণ দৃশ্যবোৰে জীৱনৰ প্ৰতি অশনি সংকেত কঢ়িয়াই আনিছে। ঘৰৰ পৰা ওলাই যোৱাজন উভতি নহালৈকে অজান আশংকাত মন উদ্বিগ্ন হৈ থাকে। বহু সাৱধানতাৰ পাছতো অৱশ্যে মৃত্যু কাৰ জীৱনলৈ কেতিয়া আহে কোনেও নাজানে। বৰ্ধিত সময়ৰ লগে লগে সংঘটিত হোৱা ভয়াবহ দুৰ্ঘটনাত অজস্ৰজনে অকাল মৃত্যুক আঁকোৱালি ল'বলগীয়া কৰুণ দৃশ্যবোৰে জনসাধাৰণৰ মাজত বিপুল প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। খন্তেকতে এটি এটি মূল্যৱান জীৱন চকুৰ পচাৰতে



**অৱলোকন**

**চাইৰা ইছলাম বড়া**

নি:শেষ হৈ যোৱা কৰুণ দৃশ্যবোৰে সমাজ অস্থিৰ কৰি তোলে। এইবোৰ অবাঞ্ছিত ঘটনা এতিয়া সাধাৰণ ৰাইজে অসহায় অৱস্থাত প্ৰত্যক্ষ কৰাৰ বাদে উপায়হীন।

জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধি কৰিবলৈ পথৰ দাঁতিত কিছু নিৰ্দিষ্ট দূৰত্বৰ ঠাই বিশেষে পথ সংকেত দিয়া ফলকবোৰত দুৰ্ঘটনা ৰুধিবলৈ কেতবোৰ সতৰ্কবাণী লিখা থাকে। গাড়ী লাহে লাহে চলাবলৈ দিয়া নিৰ্দেশনাবোৰত, তীব্ৰগতি স্বৰ্গগতি, দুৰ্ঘটনাপ্ৰৱণ অঞ্চল আদিৰ দৰে সাৱধানবাণীবোৰ চালকৰ মনোযোগ আকৰ্ষণ কৰিবলৈ লিখা হয়। যাত্ৰীৰ জীৱনৰ সুৰক্ষাৰ দিশটোৰ প্ৰতি লক্ষ্য ৰাখি এইবোৰ ব্যৱস্থা লোৱা হয় যদিও এই সতৰ্কবাণী কিমানজনেহে বা মানি চলে। কাৰো যেন আহৰি নাই খন্তেক ৰ'বলৈ বা লাহে ধীৰে গাড়ী চলাবলৈ। জীৱনটো হাতৰ মুঠিত লৈ সকলোৰে মাজত বৃহৎ প্ৰতিযোগিতাহে চলে লক্ষ্য স্থানত উপনীত হ'বলৈ, কোনে কিমান স্পীডত গাড়ীৰ চকা ঘূৰাব পাৰে। বিশেষকৈ যুৱপ্ৰজন্মৰ মাজৰ একাংশ বাইক আৰোহীৰ বাহন চলোৱা নমুনা দেখি চকু কপালত উঠে। তেওঁলোকৰ স্বভাৱজাত বেপৰোৱা উচ্ছৃংখল আচৰণৰ বাবে ঘাই পথত গুৰু-গোসাঁই নমনা উদ্ভট কাণ্ডৰ ফলত সংঘটিত হোৱা আকস্মিক দুৰ্ঘটনাবোৰে এ-একোটা পৰিয়াললৈ আউসীৰ অন্ধকাৰ নমাই আনি সুখৰ সংসাৰ থানবান কৰি পেলায়। বহু পৰিয়ালে এনে অশুভ দিনৰ সন্মুখীন হৈ একমাত্ৰ সন্তানকো হেৰুৱাই ওৰেটো জীৱন তীব্ৰ যন্ত্ৰণা বুকুত কঢ়িয়াই লৈ

**এই ধৰালৈ আমি অকলে আহিছো অকলেই যাম কিন্তু জীয়াই থকা দিনকেইটা এজনে আনজনৰ পৰিপূৰক হৈ আগুৱাই যোৱাতেই নিহিত হৈ আছে খন্তেকীয়া জীৱনৰ মাদকতা**

ফুৰিছে। সন্তানৰ আৱদাৰত অভিভাৱকসকল বাধ্য হৈ পৰে অপৈণত অৱস্থাতে এখন দুচকীয়া বাইক যোগান ধৰিবলৈ। অবাধ্য সন্তানৰ ইচ্ছা পূৰণ কৰিবলৈ গৈ হয়তো বহু পৰিয়ালে আৰ্থিক অনাটনৰ লগতে মানসিক দুশ্চিন্তাত ভুগিবলগীয়া হয়। পুত্ৰ চেনেহৰ বাবেই নিৰলে দুখ-কষ্ট সহ্য কৰিও সন্তানৰ মংগলৰ বাবে পৃথিৱীৰ প্ৰতিজন পিতৃ-মাতৃয়ে যথাসম্ভৱ ত্যাগ কৰে। সন্তানৰ অহিত চিন্তা কৰা পিতৃ-মাতৃ পৃথিৱীতেই বিৰল; কিন্তু কিছু ক্ষেত্ৰত সন্তানৰ সুৰক্ষিত ভৱিষ্যতৰ কথা চিন্তা কৰিয়েই চালুকীয়া অৱস্থাত বাইক বা গাড়ী এখন চলাবলৈ দিয়াটো কিমানদূৰ সঠিক সিদ্ধান্ত হ'ব পাৰে, এই ক্ষেত্ৰত অভিভাৱকসকল সচেতন হোৱা উচিত। অত্যাধিক গতিৰে গাড়ী, মটৰ চলাই নিজৰ লগতে আনৰ জীৱনো বিপন্ন কৰা কোনোপধ্যেই যুক্তিসংগত নহয়। বাইক চলাওতে হেলমেট পৰিধান নকৰা, অত্যাধিক গতিবেগত গাড়ী চলোৱা, চিট বেল্ট নলগোৱা, ড্ৰাইভিং অৱস্থাত ম'বাইল ফোন ব্যৱহাৰ কৰা, সুৰাপান কৰি বাহন চলোৱা আদিৰ দৰে অনিয়মৰ বাবে সঘনাই দুৰ্ঘটনাসমূহ সংঘটিত হোৱাৰ মূল কাৰণ হৈ পৰিছে। সজাগতামূলক নিয়মবোৰ মানি চলাটো নিজৰ সুৰক্ষিত জীৱনৰ বাবেহে যে প্ৰযোজ্য এই কথা সকলোৱে বুজি পোৱা উচিত। দুৰ্ঘটনাসমূহৰ ভয়াৱহতাৰ কথা চিন্তা কৰিয়েই পদে পদে সাৱধানতা অৱলম্বন কৰা উচিত, যিহেতু জীৱন এবাৰেই আহে।

পথ সুৰক্ষাৰ ক্ষেত্ৰত চৰকাৰীভাৱে যিমানেই নীতি-নিৰ্দেশনা জাৰি নকৰক কিয়, জনসাধাৰণৰ সজাগতা অবিহনে দুৰ্ঘটনা ৰোধ কৰাটো সম্ভৱপৰ নহয়। বিভাগীয় কৰ্তৃপক্ষৰ ফালৰ পৰাও বৰ্তমান ৰাজ্যখনৰ পথসমূহৰ আন্তঃগাঁথনি বিকাশৰ ওপৰতো বিশেষ গুৰুত্ব আৰোপ কৰি আহিছে। কেতবোৰ বিশেষ ঠাইত সঘনাই হোৱা দুৰ্ঘটনাৰ বাবে স্পৰ্শকাতৰ হিচাপে পৰিগণিত হোৱাত চালকসকলে পথ সংকেতসমূহ শুদ্ধ ৰূপত মানি চলি উপযুক্ত সাৱধানতা অৱলম্বন কৰা উচিত। যানবাহন চলাচলৰ নীতি-নিয়মসমূহ কেৱল বাহন চালকৰ বাবেহে যে প্ৰযোজ্য তেনে নহয়, দুচকীয়া চাইকেল আৰোহী বা পথচাৰীসকলেও এই নিয়ম মানি চলিব লাগে।

প্ৰত্যেক বছৰেই বাৰিষা কালত বাট-পথ পিছল, বোকাময় হৈ থকাৰ দৰে এই বছৰতো বাৰিষাৰ আৰম্ভণিৰ পৰাই অত্যধিক বৰষুণৰ ফলত বাট-পথত নিয়ন্ত্ৰণ হেৰুৱাই দুৰ্ঘটনাবোৰ বহু পৰিমাণে বৃদ্ধি পাইছে। মৃত্যু মানেই যন্ত্ৰণাদায়ক, সেই মৃত্যু যদি দুৰ্ঘটনাজনিত কাৰণত সংঘটিত হয় অতি মৰ্মান্তিক হৃদয়বিদাৰক। আজিৰ পৰা মাত্ৰ কিছুদিন আগতে কাজিৰঙাৰ কাঞ্চনজুৰিৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত এখন হুণ্ডাই গাড়ী নিয়ন্ত্ৰণ হেৰুৱাই দ' খাৰৈত পৰি থিতাতে চাৰিজন চফল যুৱকে মৃত্যুক আঁকোৱালি লোৱা ঘটনাই সকলোকে মৰ্মাহত কৰিলে। দ' খাৰৈত গাড়ীৰ ভিতৰতে আৱদ্ধ হৈ মৃত্যুবৰণ কৰিবলগীয়া শোকাবহ ঘটনা অতি অসহনীয়। ইয়াৰ উপৰি চুবুৰীয়া ৰাজ্য মণিপুৰৰ ভয়ানক ভূমিস্খলনত সংঘটিত হোৱা দুৰ্ঘটনাৰ শিহৰণকাৰী খবৰে সকলোকে হতভম্ব কৰি তুলিছে। কতজনে এইবাৰ বানপানীৰ কোবাল সোঁতত উটি গৈ প্ৰাণ হেৰুৱালে তাৰ কোনো নিশ্চয়তা নাই। আকস্মিক মৃত্যুৰ হৃদয়বিদাৰক ঘটনাবোৰে সমগ্ৰ মানৱজাতিৰ মাজত শোকৰ বন্যা বোৱায়। আপোনজনক হেৰুওৱাৰ নিৰ্মম যাতনা ভুক্তভোগী পৰিয়ালে আমৃত্যু ভুগিব লগা হয়। সেয়ে নিজৰ লগতে আমাৰ জীৱনৰ স'তে সাঙোৰ খাই থকা লোকসকলৰ কথা চিন্তা কৰিও প্ৰতিটো খুজ সাৱধানে আগবঢ়া উচিত। এই ধৰালৈ আমি অকলে আহিছো, অকলেই যাম; কিন্তু জীয়াই থকা দিনকেইটা এজনে আনজনৰ পৰিপূৰক হৈ আগুৱাই যোৱাতেই নিহিত হৈ আছে খন্তেকীয়া জীৱনৰ মাদকতা।

ফোন ঃ ৯১০১৫১৭৮৪৭

## খোলা মঞ্চ

# অৰ্দ্ধ-শতাব্দী অতিক্ৰম কৰা 'অগ্ৰদূত' সম্পৰ্কে আপোনাৰ ধাৰণা



**অসমৰ** সংবাদ পত্ৰৰ জন্ম-ইতিহাস বৰ বেছি পুৰণি নহয়। ১৯ শতিকাৰ শেষ ভাগত ব্ৰিটিছৰ আমোলত ভূমিষ্ঠ হৈ অসমীয়া ভাষাৰ সংবাদ পত্ৰই আজি ২১ শতিকাৰ প্ৰথমাৰ্ধলৈ দুশ বছৰ অতিক্ৰম কৰিবলৈও বাকী। অৱশ্যে তাহানি অত্যুৎসাহী সংবাদসেৱীয়ে পোতা সংবাদপত্ৰৰ গছপুলিটো সাম্প্ৰতিক কালত পূৰ্ণ যৌৱনা হৈ ডালে-পাতে, ফুলে-ফলে জাতিষ্কাৰ হৈ খবৰৰ সৌৰভ বিলাই পাঠক সমাজক দেশ, সমাজ আৰু ইয়াৰ ৰাজনীতি-অৰ্থনীতি সম্পৰ্কে সজাগ কৰি আহিছে। চতুৰ্থ স্তম্ভৰ বাহক হিচাপে সংবাদ পত্ৰই মানৱজাতিলৈ আগবঢ়োৱা ভূমিকা অনন্য আৰু অনস্বীকাৰ্য।

সময়ে সময়ে অহা বিভিন্ন ধুমুহা-দুৰ্যোগ-সংকট-আহুকালৰ মাজেৰে শামুকীয়া গতিৰে আগবাঢ়ি অহাৰ পথত অৰ্থ, যোগ্য কৰ্মী, প্ৰয়োজনীয় সামগ্ৰী, প্ৰশাসনিক হেঁচা আদিৰ কবলত পৰি ভালেমান স্বত্বাধিকাৰে সংবাদপত্ৰৰ প্ৰকাশ বন্ধ কৰিব লগা কঠিন বাস্তৱৰ কথা সচেতন মহলে নিশ্চয় অৱগত হৈছে। তিক্ত অভিজ্ঞতাৰ বলি হোৱা বহু সংবাদপত্ৰৰ গৰাকীয়ে এনে বিষোদগাৰ কৰাও শুনা যায়— কু-গ্ৰহে লম্ভিলে সংবাদপত্ৰ প্ৰকাশৰ বাবে মূৰ কামোৰণি উঠে আৰু সেই গ্ৰহৰ দশা শেষ হ'লে সংবাদপত্ৰৰ বোজা আপোনা-আপুনি নাইকিয়া হয়। তাৰ মাজতো জনদিয়েক অত্যুৎসাহী আৰু বৰেণ্য ব্যক্তিয়ে অসমত অসমীয়া ভাষাৰ (ইংৰাজীও) বাতৰি কাকত প্ৰকাশৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিব পাৰিছে। অসম আৰু অসমীয়াৰ বাবে সেৱাৰ মনোভাৱ প্ৰদৰ্শন কৰি অহা এই মহান ব্যক্তিসকল অসমবাসীৰ বাবে শ্ৰদ্ধা আৰু ধন্যবাদৰ পাত্ৰ। কিয়নো এই নিস্বাৰ্থৱান সংবাদসেৱীৰ ত্যাগৰ বাবে অসমে ভাৰত আৰু বিশ্বৰ অগ্ৰগতিৰ খবেৰেৰে নিজকে দেশ-বিদেশৰ চহকী বতৰাৰে পুষ্ট হৈ অসমক আগুৱাই নিয়াৰ বাবে যত্নৱান হ'ব পাৰিছে।

এনে এমুঠি স্বনামধন্য সংবাদপত্ৰৰ স্বত্বাধিকাৰৰ মাজৰে এগৰাকী হ'ল আমাৰ আলোচ্য বিষয়ৰ মধ্যমণি শ্ৰদ্ধেয় কনকসেন ডেকা। কাহানিও নভবা, কোনোদিনে পৰিকল্পনাও নকৰা বিষয় এটাৰ স'তে ঘটনাক্ৰমে সংপৃক্ত হ'ব লগা বেলশৰৰ পৰা আহি ছিপাঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিষয় শিক্ষকৰ পদত যোগদান কৰা ডেকা সৃষ্টিশীল লেখক কনকসেন ডেকা। এজন স্থানীয় নিবনুৱা ডেকাৰ সংস্থাপন সংক্ৰান্তীয় বাক্যবাণত আহত হৈ ডেকাই ১৯৭১ৰ এক ফেব্ৰুৱাৰীত মঙলদৈৰ পৰা সাপ্তাহিক কাকত হিচাপে 'অগ্ৰদূত'

**প্ৰমোদ কাকতি,** *লেখক*

প্ৰকাশ কৰিবলৈ লয়। এটা সময়ত সেই দায়িত্ব এৰি দিয়াৰ কথা ভাবিলেও 'সংঘাতে তুলি দিয়ে জীৱনৰ নতুন তৰংগ' বোলা কথা শাৰীয়ে ডেকাৰ জীৱনৰ ৰথৰ চকৰি ঘূৰাই দিয়ে। অগ্ৰদূত বন্ধ নহ'ল— শিক্ষাবিদৰ যাত্ৰাৰহে অন্ত পৰিল। অশেষ অশান্তিৰ চাকনৈয়াত পৰি অগ্ৰদূত বোলা সাংবাদিকতাৰ টোপোলাটো সযতনে কঢ়িয়াই আনিলে গুৱাহাটীৰ মালিগাঁৱলৈ। তাতো দুৰ্যোগৰ ক'লা মেঘে লগ নেৰিলে। জৰুৰী অৱস্থাৰ 'চেঞ্চৰ'ৰ কবলত পৰিও অগ্ৰদূতৰ অগ্ৰগামী যাত্ৰা গতিৰুদ্ধ নহ'ল। শামুকীয়া গতিৰে আগবাঢ়ি এদিন দিছপুৰত স্থায়ীভাৱে থিতাপি ল'লে। তেতিয়ালৈ অগ্ৰদূত তিনিদিনীয়া প্ৰকাশ আৰম্ভ কৰিছে।

ৰঙিয়াৰ ৰীণা ডেকাৰ হত্যাৰ সত্যনিষ্ঠ ধাৰাবাহিক বাতৰিয়ে অগ্ৰদূতৰ জনপ্ৰিয়তাত যেন সোণতহে সুৱগা চৰালে। সুযোগ্য সহধৰ্মিনী ভানুশ্ৰীসেন ডেকাৰ উদ্যোগ আৰু সক্ৰিয় সহযোগিতাত অগ্ৰদূত পাব্লিছাৰ্চে ১৯৯৬ৰ অক্টোবৰত তিনিদিনীয়া অগ্ৰদূতৰ লগতে দৈনিক অগ্ৰদূত নিয়মীয়াকৈ প্ৰকাশ পাব ধৰিলে। সম্প্ৰতি দৈনিক অগ্ৰদূত এখন নিৰ্ভীক, নিৰপেক্ষ, সত্যনিষ্ঠ আৰু শদিয়াৰ পৰা ধুবুৰীলৈ সম্প্ৰচাৰিত, সৰ্বজন জনপ্ৰিয় নিৰ্ভৰযোগ্য বাতৰি কাকত। অসমত বহুতো অসমীয়া কাকতৰ জন্মও হ'ল, সমস্যাৰ গৰাহত পৰি শেষ নিশ্বাসো ত্যাগ কৰিলে।

সুখ, আনন্দ আৰু গৌৰৱৰ কথা যে বাইদেউৰ দুৰ্দান্ত সাহসৰ বলত ডেকা ছাৰে অগ্ৰদূত চলাই থকাই নহয়, অনাড়ম্বৰ অথচ উৎকৃষ্ট বাতৰি সম্ভাৰেৰে পাঠকৰ মনোবাঞ্ছা পূৰণ কৰিব পৰিছে। প্ৰতিযোগিতাৰ দিনত এয়া কম সাফল্যৰ কথা নহয়। নিৰ্ভৰযোগ্য বাতৰি, তাত্ত্বিক আৰু তথ্যসমৃদ্ধ শিতান সকলো পৰ্যায়ৰ পাঠকৰ মনৰ আহাৰ যোগাব পৰাকৈ সৃষ্টিশীল-ক্ৰীড়া-সংস্কৃতিমূলক সম্ভাৰ যোগান ধৰি অসমৰ এখনি উৎকৃষ্ট সংবাদপত্ৰ হিচাপে হিৰন্ময় লক্ষ্যলৈ আগবাঢ়ি যাওক— অগ্ৰদূতৰ সোণালী বৰ্ষৰ শুভ লগনত তাকেই হিয়া উজাৰি কামনা কৰিলো।

*ফোন ঃ ৬০০৩২৫২৩৩০*

দৈনিক অগ্ৰদূত
৭ জুলাই বৃহস্পতিবাৰ, ২০২২ পৃষ্ঠা ৫

# মাছ অবিহনে অসম

## ড° শ্বামীম ৰহমান

মৎস্যৰূপে অৱতাৰ ভৈলা প্ৰথমত।
উদ্ধাৰিলা চাৰি বেদ প্ৰলয়জলত।।
সত্যব্ৰত ৰাজাক দেখাইলা নিজ মায়া।
নধৰিলা সমুদ্ৰে তোমাৰ
মৎস্যকায়া।।
(কীৰ্তন ঘোষা)

ভগৱান বিষ্ণুৰ এটি অৱতাৰ হিচাপে মৎস্যৰ স্থান বিশেষ। খাদ্য, সংস্কৃতি, লোক-কলা আদি প্ৰত্যেকটো ক্ষেত্ৰতে মৎস্য অসমীয়া সমাজৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। অসমীয়া মানুহৰ প্ৰায় প্ৰত্যেক সাজতে সৰু-বৰ কোনোবা নহয় কোনোবা এবিধ মাছ থাকেই। সেয়া তেঁতেলী, থেকেৰা, ঔটেঙা, টেঙেচি, কৰ্দৈ, বিলাহী, নেমু আদিৰে ৰন্ধা মাছৰ টেঙাই হওঁক; অথবা পিটিকা বা শুকান মাছৰ শুকতিয়েই হওঁক। অসমীয়াৰ পাকঘৰত ভূমুকি মাৰিলে দেখা পোৱা যায় বিধে বিধে সুস্বাদু মৎস্যৰ ব্যঞ্জন। যেনে শ'লে মূলে আঞ্জা; লফাশাকে, চুকাশাকে, পালেংশাকে মাছৰ আঞ্জা; নৰসিংহ পাতেৰে কাৰৈ মাছৰ জোল; মছন্দৰিৰ পাতেৰে শিঙি মাছৰ জোল; মাছে ধনীয়াই আঞ্জা; জাতিলাওঁ আৰু বৰালি মাছ; পাতত দিয়া মাছ; পোৰা পিটিকা; সৰিয়হ দি মাছ; মাছে অমিতা ফুলে পিটিকা; ভাত আৰু মাছৰ পেটু ভজা; মাছৰ পেটু আৰু বেঙেনা; খোলাত দিয়া পুঠিমাছ; পঁইতা ভাত আৰু মাছ পোৰা, এলেঙে পালেঙে আঞ্জা ইত্যাদি। অসমৰ প্ৰত্যেক জনজাতিৰে আছে মাছৰ নিজস্ব খাদ্য প্ৰস্তুত প্ৰণালী। সেয়া দেউৰীসকলৰ চুচা হওক, মিচিংসকলৰ নামছিং, অথবা দেশীসকলৰ ছিদলেই হওক। তাৰোপৰি প্ৰত্যেক জনগোষ্ঠীৰে আছে পৰম্পৰাগত ভাৱে মাছধৰা সঁজুলি। উদাহৰণস্বৰূপে কাঠ বৰশী, হাত বৰশী, ছিপ বৰশী, পটা বৰশী, ধান বৰশী, খুটি বৰশী, নল বৰশী, সূতা বৰশী, চেপা, ছোহোৰা, ৰুংগা, পাওৰি, ঠেলা জাল, ঢেঁকী জাল, ফাঁচীজাল, লাংগী জাল, মৈজাল, ডোল জাল, জাকৈ, খালৈ, প'ল', জুলুকি, কুঁচিয়া হানা শেল আদি। পৰম্পৰাগত চিকিৎসা প্ৰণালীত মাছ বহুলভাৱে ব্যৱহৃত হৈ আছে। শিঙি, মাগুৰ, কুঁচিয়া আদি মাছ ৰক্তহীনতা, দূৰ্বলতা আদি নিৰাময়ৰ কাৰণে ব্যৱহৃত হয়। কিছুমান মাছৰ পিত্ত বনদৰবৰ লগত মিশ্ৰণ তৈয়াৰ কৰি কৃমি নাশক হিচাপে ব্যৱহাৰ কৰা হয়। মহিলাৰ ঋতুস্ৰাৱ সম্পৰ্কীয় ৰোগত বনৌষধিৰ লগত গৰৈ মাছ, দৰিকণা মাছ খুওৱা হয়। অতীজৰ প্ৰথামতে বীৰ্য বৃদ্ধিৰ কাৰণে পুঠি মাছৰ মূৰ ঘিউত ভাজি খায় আৰু নিদ্ৰাত প্ৰস্ৰাৱ কৰা ল'ৰা-ছোৱালীক পাটীমুতুৰা মাছ খুওৱা হয়। মোৱা মাছ কুকুৰীকণা ৰোগীক খাবলৈ দিয়া হয়। মৎস্যত থকা ভিটামিন, অসংপৃক্ত স্নেহ পদাৰ্থ আদিৰ শৰীৰ বিত্তীয় উপকাৰিতাৰ কথা বৈজ্ঞানিকভাৱে স্বীকৃত। বিবাহত অতিথি আপ্যায়নৰ ক্ষেত্ৰত মৎস্যৰ ব্যঞ্জন অপৰিহাৰ্য। সন্তান ভূমিষ্ঠ হ'লে, বিশেষকৈ পুত্ৰ সন্তান জন্ম হ'লে, তৃতীয় বা পঞ্চমদিনা ওচৰ-চুবুৰীয়াৰ মাজত মাছ, কচু, নিমখ আদি বিতৰণৰ প্ৰথা আছে। শ্ৰাদ্ধৰ পাছত জ্ঞাতালি বা মৎস্য স্পৰ্শৰ দিনা ওচৰ চুবুৰীয়া তথা আত্মীয়-স্বজনক মাছেৰে ভাত খুৱাই নিৰামিষ ব্ৰত ভংগ কৰা হয়। গতিকে জন্ম, মৃত্যু আৰু বিবাহৰ মাজেদি মৎস্য আমাৰ জীৱন চক্ৰৰ চতুৰ্দিশে পৰিভ্ৰমণ কৰি থাকে। ধৰ্মীয় অনুষ্ঠানত ৰৌ মাছ, মাগুৰ মাছ আদি উছৰ্গা কৰা প্ৰথা আছে। অসমত মৎস্যধ্বজ পূজা উদযাপন কৰা হয়। লখিমি আদৰাৰ পাছত বা ন-খোৱা প্ৰথাত বংশ পৰিয়ালৰ লোক লগ লাগি মাছেৰে ভোজভাত খায়। দক্ষিণ অসমত এক প্ৰথামতে বিবাহৰ পূৰ্বে দৰাঘৰে অন্যান্য সামগ্ৰীৰ লগতে কইনাঘৰলৈ সেন্দুৰ লগাই পুঠিমাছ পঠিয়ায়। কিছুমান গাৰলীয়া সমাজত লোকবিশ্বাস মতে ভূত-প্ৰেত নাহিবৰ কাৰণে ঘৰৰ চালত মাছৰ শুকান কাঁইট, মূৰ আঁৰি থয়। অসমীয়া শিপিনীয়ে চাদৰ, গামোছাত মাছৰ আৰ্হি বোৱে আৰু শিলৰ পটাত মাছৰ চানেকি অংকন কৰা হয়।

মৎস্যৰ লগত অসমীয়া সমাজৰ একাত্মতা সহজেই অনুমেয়। আমাৰ বিহুনাম, বিয়ানাম, ধাইনাম, আইনাম, ফকৰা-যোজনা প্ৰবাদ, চিত্ৰ, নাটক, গীত, কবিতা, সাধুকথা তথা মুখ বাগৰি অহা লোক কথাসমূহত মাছৰ উল্লেখ আছে। ডাকৰ বচনত মাছ ৰন্ধন প্ৰণালীৰ বহু উল্লেখ পোৱা যায়-

'মাগুৰ মাছক কচি কুটিয়া।
হালধি মৰিচ হিঙ্গক দিয়া।।
তৈল লোণ দিয়া কৰিবা পাক।
এহি ব্যঞ্জন সাৰ বোলে ডাক।'

পুখুৰী খন্দা আৰু মাছ- কাছ আদি জলজ জীৱকুলৰ আৱাস স্থলীৰ ব্যৱস্থা কৰাটো যে অসমীয়া সমাজত পুণ্যৰ কাম বুলি বিবেচিত হৈছিল। তাৰেই নিদৰ্শন ডাকৰ বচনত পোৱা যায়-

'জেবে ধৰ্ম কৰিবা জানি,
পুখুৰী খানিয়া ৰাখিবা পানি।'

সেইদৰে মৎস্য পালন জানিলে যে জীৱিকাৰ মৰণ নাই, সেইকথা ডাকৰ বচনত এনদৰে প্ৰতিফলিত হয়-

'লেখা পড়া কৰিবা, মৰিবা দুখে
মৎস্য মাৰিবা, খাইবা সুখে।'

অসমত যেনেদৰে নানা জাতি-জনজাতি আৰু ভাষা-ভাষীৰ লোকৰ মিলন ঘটিছে। ঠিক তেনেদৰে মৎস্য প্ৰজাতিৰ বিভিন্নতাৰ ক্ষেত্ৰতো সৰ্বভাৰতীয় তথা তিব্বত বৰ্মীমূলৰ মাছৰ প্ৰজাতি অসমত পোৱা যায়। ব্ৰহ্মপুত্ৰ, বৰাক নৈ আৰু উপনৈসমূহ তথা জান, জুৰি, খাল, বিল, জলাহ, পিতনি, ডোঙা, দলনি, পুখুৰী আদিত প্ৰায় তিনিশ প্ৰজাতিৰ মাছ পোৱা যায় বুলি বিজ্ঞানীসকলে ঠাৰৰ কৰিছে। ইয়াৰে বহু সংখ্যক মাছৰে আছে আলংকাৰিক মূল্য। পুঠি, খলিহনা, দৰিকণা আদি সৰু সৰু থলুৱা মাছবোৰ ঘৰৰ ওচৰে পাজৰে থকা খাল বিল সমূহত আদিৰে পৰা পোৱা গৈছিল। সেয়ে কথিত আছে-

'গাঁঠিৰ গুৱা পাণ খাবা,
নিজৰ খালৰ খলিহা পুঠি
মজিয়াত দিব লুটিয়ালুটি
শুকতি খুন্দি ছমাহলৈ খাবা'

এতিয়া মাছৰ নামেৰে অসমৰ কিমান ঠাই আছে সেয়া চোৱা যাওঁক- ৰৌমাৰি, চেংমাৰি, গৰৈমাৰি, শ'লমাৰি, শালমাৰা, পুঠিমাৰি, ধেধাইমাৰি, পাভজান, বোৱালমাৰি, শিঙিমাৰি, মাগুৰমাৰি, কুঁচিয়াৰখাল, কাৰৈমাৰি, চিতলমাৰি, ছিদলসুতি, বটিয়ামাৰি, টেংনামাৰি আদি। তালিকাখন আৰু দীঘলীয়া হোৱাৰ সম্ভাৱনা আছে। ঠাই বাদেই, আনকি মানুহৰ নামতো মাছৰ উল্লেখ পোৱা গৈছিল- খট্টিপুঠি, টেংনা, টেপা (গঙ্গাঁটোপ), ঝিলা (বৰশী), খোকা(প'ল) ইত্যাদি।

সেইদৰে মাছক লৈ আছে আমাৰ অসংখ্য ফঁকৰা যোজনা, পটন্তৰ আৰু জতুৱা ঠাঁচ। যেনে সিদ্ধান্ত ল'ব নোৱাৰা অৱস্থা এটা বুজাবলৈ কোৱা হয়— অধিক মাছত বগলী কণা; পূৰ্বৰীতি এৰিব নোৱাৰাজনক কোৱা হয— 'উদৰ সাতপুৰুষ কেঁচা মাছ খাওঁতে যোৱা'। আৰু কেইটিমান উনুকিয়াই থোৱা যাওঁক— উদক ভেটাৰখীয়া পতা; উদৰ মুখত স'ল পোণা; কাৰৈ মাছ লগৰহে উজায়; টোপনি চিকুন পুৰা আৰু মাছৰ চিকুণ মোৰা; ওচৰৰ পুঠি খলিহনা, দূৰৈৰ ৰৌ বৰালি, তাকে এৰি যায়, খায় হাবাথুৰি; ৰৌ-বৰালি সৰকি গ'ল, খলিহনা পাহে পাহে ৰ'ল; ৰৌ-বৰালিৰ আশা নাই, দৰিকণালৈ বৰশী বায়; সকলো চৰায়ে মাছ খায়, মাছৰোকাৰহে নাম ৰয়; বাৰীৰ পুখুৰী সিচোঁতে, দুই চাৰিজনক সিঙিয়ে বিন্ধে; মাছৰ কেঁচা, চাহৰ চেঁচা; মাছৰ তেলেৰে মাছ ভজাঁ; আইছলং মাগুৰ, হইলং কৈ, দিনে দিনে কি বা হৈ; খালত কান্দুলি, ভাজাত বৰালি, ভাতত উতলা ডিমা, সোৱাদৰ নাই সীমা আদি। সেইদৰে সাথঁৰতো বাদ পৰা নাই মাছ আৰু মাছ ধৰাৰ আহিলা-পাতি- এজনি কলী গাই, ঘাটে ঘাটে পানী খায় (বৰশী); ইহৰ সিহৰ, তিনিটা কোণ কিহৰ (জাকৈ); নেখান্তি কন্যা, নফুলান্তি শাক, কি কি মাছৰ ওঠৰটা নাক (চকৰী, ঢেকীয়া, নাদনী মাছ)।

প্ৰাক মৌচুমী বায়ুৰ প্ৰভাৱ, খালে বিলে মাছৰ উজান অসমৰ বৈশিষ্ট। গুৰু জনাই 'দশম'ত উল্লেখ কৰিছে- 'বিদ্যুৎ সঞ্চাৰে চণ্ড বাতাসে চঞ্চল, নিৰন্তৰে মেঘগণ বৰিষিল জল; খাল বাম ভৰি ভূমি ভাগি বৰৈ জান, যেন মহা মহন্তে দুখীক দিলা দান'। অসমীয়া গীত-মাত, কবিতাত প্ৰায়েই অসমৰ বিনন্দীয়া প্ৰাকৃতিক ৰূপত তুলি ধৰা হৈছে, যাৰ পদে পদে পোৱা যায় মৎস্যৰ উল্লেখ। প্ৰাচুৰ্যৰে ভৰা অসমীয়া গাঁও দৰ্শাবলৈ আনন্দচন্দ্ৰ আগৰৱালাই 'আমাৰ গাঁও' কবিতাত উল্লেখ কৰিছে মৎস্যৰ কথা— 'চালত কোমোৰা, লাও, জিকা, ভোল; ভঁৰালত জহা ধান; গোহালিত গৰু, পুখুৰীত মাছ; বাৰীত তামোল পাণ। ছৈয়দ আব্দুল মালিকৰ কবিতা 'মই অসমীয়া'ত অসমৰ ঐশ্বৰ্যৰ ৰিজনি দিছিল আলংকাৰিক মাছৰ উদাহৰণেৰে— 'পুঠিয়ে কাণত পিন্ধে সোণৰ থুৰীয়া।' প্ৰাথমিক বিদ্যালয়ৰ পাঠ্যপুথিত পঢ়া সেই কবিতাটিয়ে হয়তো সকলোকে লৈ যাব অতীতৰ সোণোৱালী দিনৰ স্মৃতিবোৰলৈ—

'নাৰ বাট পাভ মাছ আৰু এটা কাছ বাৰ টকাত কিনি আনি কিয় বাৰু নাচ।

বিহু অসমীয়া প্ৰাণৰ আপোন। বিহুগীত, যোজনা, হুঁচৰি আদিত বিভিন্ন প্ৰকাৰে মাছৰ উল্লেখ আছে—

ৰঙানৈ শুকালে মাছৰ বেজাৰত;
লুইতখন শুকালে কিয়? মই চেনাই
শুকাইছো তোমাৰ বেজাৰত, তুমিনো
শুকাইছা কিয়?

'ভোগদৈ নৈত পাভ মাছ উজালে, দিখৌ নৈত উজালে নাৰ'

'চৰাই চিকুন তেলীয়া সাৰেং, মাছৰ চিকুণ মালি; স্বৰ্গদেউ চিকুণ কেঁকোৰা দোলাখন; শুৱাই গজেপুৰৰ আলি'

'কিনো মাছ মাৰিবৰ তোৰা সমনীয়া, কিনো মাছ মাৰিবৰ তোৰা; ৰংপুৰ নগৰত কাৰেংঘৰ সাজিলে, মাৰলিৰ নেখালে জোৰা।'

'তোমাৰ মুখখনি মালি মাছৰ নিচিনা, বামি মাছৰ নিচিনা চুলি।'

সোণোৱাল কছাৰীসকলৰ গীতত বৰালি মাছৰ উল্লেখ আছে- ''বৰালি মাছৰ টোটোলা, তোমাক দেখি মোকলা'।

দেশী লোকগীতত আছে এইদৰে—

'ফান্দ বসাইছে ফান্দুৱা ভাইৰে, পুঠি মাছ দিয়া; পুঠি মাছেৰ লোভে পৰিছে বগা, চম্পা নদীৰ পাৰে।'

তিৱাসকলৰ লালি হিলালি গীতত উল্লেখ আছে— 'কিনো মাছ মাৰিবৰ শলে মোৰ পিতাদেউ'

হাজংসকলৰ গীতত মৎস্য আছে এনেদৰে— 'বিলা ডুবা পংখীৰা, বিলত নাখায় মাছ; বিল মধ্যে পৰিয়া আছে নয় জোৰা হাঁচ।' ডেকা-গাভৰুৰ মনোজগতৰ ছবি তুলি ধৰিবলৈ মাছৰ যোৰে উজাই অহা দৃশ্যৰ উদাহৰণ দিয়া বড়ো লোকগীতৰ অৰ্থ এনে ধৰণৰ—

'ব'হাগৰ পানীত মাছবিলাকে যোৰে যোৰে ডাৱৰৰ ফালে চাই চাই উজাই আহিছে চোৱা; মোক বেয়া নাপাবা, ময়ো তোমাক বেয়া নাপাওঁ।'

আৰু আছে লোকগীতত এইদৰে—

'মাছৰ কুমলীয়া শ'ল মোৰ বোপাই, মাছৰ কুমলীয়া শ'ল; সেউতী মালতী, তগৰ গুৱামালী, ফুলি জক্‌মক্ হ'ল।'

নোৱাব ধোৱাবলৈ নিয়া হ'বলগীয়া কইনাজনীৰ লাজে-ভয়ে কম্পিত অৱস্থাটোক পাভ মাছৰ লগত ৰজিতা খুৱাই বিয়ানামত এনেদৰে গোৱা হয়— 'থুৰি কলাপাত স্বৰগে লম্ভিলে, ককালে লম্ভিলে চুলি; পাভ মাছ যেন কঁপিব লাগিছে, বেইতে খোপনি ধৰি।'



সেইদৰে জোকোৰা জুকি কৰি দৰাক উদ্দেশ্যি মস্কৰা কৰি বিয়ানাম গোৱা হয়—

'বৰালি মাছৰ তিনিটা টোটোলা, টেঙা দি খাবলৈ ভাল; আমাৰ গুৰু বাপুৰ পেটটো গেৰেলা, জয়ঢোল বাবলৈ ভাল।'

চাৰিত্ৰিক ভিন্নতা অনুসৰি সাতবিধ বসন্ত ৰোগৰ অধিষ্ঠাত্ৰীক অসমীয়া সমাজত আইৰূপে কল্পনা কৰা হয়। যেনে, বৰ আই, মাজু আই, যদুমণি আই, নুতি আই, পানী চামৰি আই আৰু সীতলা আই। বসন্ত ওলোৱা লোকক লোকচাৰ মতে মাছৰ পকনি (ভৰণ) দিয়া হয় আৰু আইসকলৰ সন্তুষ্টিৰ কাৰণে আইসকাম পাতি আইনাম গোৱা হয়—

মোৱা মাছ পকনি, কলডিল শুকনি, আয়ে ভোজন বুলি লয়; শাকৰ সোলোং টেঙা, মাছৰ মোৱা-চেঙা, চাউলৰ বৰা ৰান্ধনি; মূৰৰ তিনিদিন গুটি আই পকনি, লোৱা আই জগতজননী।'

> সময় থাকোঁতে আমি যেন এইবিধ প্ৰাণীৰো সংৰক্ষণৰ দিশটো গুৰুত্বসহকাৰে বিবেচনা কৰোঁ আৰু মৎস্যৰ স'তে আমাৰ এই সম্পৰ্কৰ ধাৰা কঢ়িয়াই লৈ যাব পাৰে। পৰৱৰ্তী প্ৰজন্মই খলিহনা, দৰিকণাক বিচাৰি পাওঁক ওচৰৰে খাল, বিল, ডোঙা, পুখুৰীত; সুস্বাদু অসমীয়া ব্যঞ্জনত; আৰু গীত, কবিতা, সাধুকথা, সাঁথৰত

অসমীয়া ৰান্ধনিঘৰৰ চিনাকী দিয়া লোণ, পঁইতা ভাত, মাছ আদিৰ উল্লেখ থকা ল'ৰা ধেমেলিৰ গীতত এনেদৰে উল্লেখ আছে—

'তাই মাই লোণে মাছে খায়
বৰঘৰৰ মেকুৰী সৰুঘৰলৈ যায়,
ঢাকোন পেলাই পঁইতা ভাত খায়।'

সেইদৰে শিশুটিয়ে কপৌ চৰাইজনীক এনেদৰে মাতে— 'কপৌটি এ মোৰ তালৈ যাবি, লোণে মাছে ভাত দিম, ডালত পৰি খাবি।'

মাছ ধৰা ৰীতি নীতি কেন্দ্ৰিক এক শ্ৰেণীৰ বিশেষ গীত আছে। যাক মাছধৰা গীত বা মাছধৰা মন্ত্ৰ বুলি কোৱা হয়। সামগ্ৰিকভাৱে অসমৰ সকলো জাতি, জনগোষ্ঠীৰে মাছধৰা গীত আছে। এনে গীত মন্ত্ৰ হিচাপে গাই থুৱাই দিলে বৰশীত মাছ লাগিব বুলি লোক বিশ্বাস আছে। নিমোক্ত মন্ত্ৰটিত মাছক ফুচুলাই বৰশীত লাগিবলৈ কোৱা হৈছে— 'আক খোট মাৰি, ক'ক গেলি; ভায়ে বাই পেৰ মূৰা খালি; ধাৰ দি ধুৰ দি, মোৰ বৰাহত মাছ দি; নেদা যদি টোপটোকে নি' সেইদৰে মাছক বেৰৰ ফালে খেদি খেদি নি জাকৈ আদিৰে ধৰিবলৈ যত্ন কৰোঁতে সুৰীয়া গীত গোৱা হয়— ''হে কৰেলেঙি বেৰোক যা, হে পুঠিলেঙি বেৰক যা'।

সৰল লোকজীৱনৰ আচাৰ স্বৰূপে জাকৈ দি মাছ মাৰি খালৈত ভৰাওঁতে এনেদৰে ৰাইজে গায়- ''ভৰ, ভৰ, ভৰ, অন্যেৰ ক'ক্ (খালৈ) লৰ্ চৰ্, আমাৰ ক'ক থিতাতে ভৰ্।

অসমীয়া জনজীৱনত মৎস্যৰ কথা কওঁতে 'বুঢ়ী আইৰ সাধু' কেনেকৈনো বাদ দিব পাৰি। লোক সাহিত্যৰ নিদৰ্শন দৰ্শোৱা এনে বহু গল্পত মাছৰ উল্লেখ থাকিলেও 'গঙ্গাটোপ' আৰু 'এটা শিঙৰা মাছৰ কথা' গল্প দুটি বিশেষভাৱে উল্লেখযোগ্য। অসমৰ ঠায়ে ঠায়ে প্ৰচলিত মাছৰ ভিন্ন ভিন্ন স্থানীয় নামৰ আভাষ এনে এটি গল্পত পোৱা যায়-

'গেদ্‌গেদি বাই গেদ্‌গেদি বাই, সভালৈ যায় নে নেযায়?

কাঞ্চনমতি আই কাঞ্চনমতি আই, সভালৈ যায় নে নেযায়?'


অন্য এটি সাধুকথা মতে, পানী শুকাই যোৱাত খালৰ পৰা ওলোৱা চেলেঙী মাছ এটাক শিয়াল, কাউৰী আদিয়ে সময়ে সময়ে ধৰি নিছিল। কিন্তু বুধিয়ক মাছটোৱে বুদ্ধিৰ বলত নিজৰ জীৱন ৰক্ষা কৰিছিল আৰু তাকে লগৰীয়া মাছবোৰৰ আগত এনেদৰে গাইছিল—

'শিয়াল সূৰুযমূখী, কাউৰী ৰাজপখী, ভেকুলী পাত্ৰ; গণকে পাই জোলোঙাত ভৰালে মাত্ৰ। ছাই লেটি-পেটি, চাৰি কাণ কটা, চৈধ্য ভূৱন দেখুৱালে চিলনীৰ বেটা'— এনেয়ে নকয় 'সাত ঘাটৰ চেঙেলী' বুলি।

মৎস্য অবিহনে হয়তো অসমৰ সামাজিক সাংস্কৃতিক আৰু অৰ্থনৈতিক দিশৰ আলোচনা আধৰুৱা হৈ ৰ'ব। মৎস্য লগত জড়িত বহু পৰম্পৰা আধুনিকতাৰ গতিশীলতাত পিছ পৰি ৰ'ল। আনহাতে অত্যাধিক 'সামূহিক মৎস্য চিকাৰ'ৰ দৰে পৰম্পৰাবোৰে পাৰিপাৰ্শ্বিকতাৰ কুপ্ৰভাৱ পেলাব পাৰে নেকি তাকো ভাবিবৰ সময় আহি পৰিল। আগতে জেং-জাৰৰ পাতি বা কাটল মাৰি মাছ ধৰা হৈছিল। বোকাত খেপিয়াই ধৰিছিল দুই চাৰিটা গৰৈ, শিঙি। বান বান্ধি জান জুৰি ভেঁটি মাছ ধৰোঁতে কিছু মাছ সৰকি গৈছিল, কিছু ধৰা পৰিছিল। অতীজৰ ৰীতি-নীতিৰ ৰূপ সলনি হ'ল। মানুহৰ জনসংখ্যা বাঢ়িল। মাছৰ বাসস্থান সংকুচিত হৈ আহিল। খাল বিল পুতি আমি আমাৰ বাসস্থান আদি সম্প্ৰসাৰিত কৰিলোঁ। প্ৰদূষণ, কীটনাশক দ্ৰব্য, বিষাক্ত ৰাসায়নিকৰ অত্যাচাৰ আছেই। ভোগবাদী সমাজত চাহিদা বাঢ়ি গৈ থাকিল; কিন্তু মাছৰ সৈতে সাংস্কৃতিক আৰু সামাজিক বান্ধোন যেন ক্ৰমান্বয়ে সুলকি যোৱাৰ উপক্ৰম হ'ল। মৎস্যই হয়তো একমাত্ৰ মেৰুদণ্ডী প্ৰাণী, যাক পণ্য হিচাপে বিধে বিধে পুৰা-গধূলি বজাৰত বিক্ৰি কৰা হয়। মাছ খাব লাগে। মৎস্য, প্ৰাণী প্ৰ'টিনৰ গুৰুত্বপূৰ্ণ উৎস।; থাকিবলৈ প্ৰাকৃতিক জলাশয়সমূহ সংৰক্ষণৰ বিকল্প নাই। আশীৰ দশকৰ শেষৰ ফালে অসমত উদ্ভৱ হোৱা মাছৰ ৰোগৰ প্ৰাদুৰ্ভাৱ সুযোগতে বাহিৰৰ মাছৰ বহুল আমদানিৰ দুৱাৰ মুকলি হৈছিল। অস্বাস্থ্যকৰভাৱে সংৰক্ষণ কৰা আমদানিকৃত মাছৰ বিষয়ে আমি শুনি আহিছো। ভৱিষ্যতে আৰু অনেক থলুৱা মাছৰ প্ৰজাতি বিপদাপন্ন হোৱাৰ সম্ভাৱনা আছে। সময় থাকোঁতে আমি যেন এইবিধ প্ৰাণীৰো সংৰক্ষণৰ দিশটো গুৰুত্বসহকাৰে বিবেচনা কৰোঁ আৰু মৎস্যৰ স'তে আমাৰ এই সম্পৰ্কৰ ধাৰা কঢ়িয়াই লৈ যাব পাৰে। পৰৱৰ্তী প্ৰজন্মই খলিহনা, দৰিকণাক বিচাৰি পাওঁক ওচৰৰে খাল, বিল, ডোঙা, পুখুৰীত; সুস্বাদু অসমীয়া ব্যঞ্জনত; আৰু গীত, কবিতা, সাধুকথা, সাঁথৰত।

ফোন ঃ ৯৯৫৪১৩৫৪৯৯


# ডিব্ৰু নৈ আৰু দুয়োফালৰ গড়ৰ সমাহাৰেই ডিব্ৰুগড়! ডিব্ৰুগড়!



## বিশ্বজিৎ বৰুৱা

**দিল্লীৰ** পৰা নৱনীত মহন্তই ফোনযোগে জনালে যে ৰাজপথৰ আন্দোলন নকৰাকৈও থৈ ব্ৰহ্মপুত্ৰৰ ওপৰত প্ৰায় পাঁচ কিলোমিটাৰ দৈৰ্ঘ্যৰ এখন দলং কেন্দ্ৰীয় চৰকাৰৰ পৰা আনিবলৈ ডিব্ৰুগড়ৰ নাগৰিক সফল হ'ল সেই বিষয়ে জনগণ অৱগত হোৱা উচিত কিয়নো অসমৰ জনসাধাৰণৰ মাজত এনে এক ধাৰণাই বাহ লৈছে যে পাঁচ কিলোগ্ৰাম চাউলৰ বাবেও আন্দোলন কৰিব লাগে, ঘৰৰ সন্মুখৰ পথটো পুনৰনিৰ্মাণ কৰিবলৈও ৰাষ্ট্ৰীয় ঘাইপথ বন্ধ কৰিব লাগে, অযুক্তিকৰ দাবীৰ সমৰ্থনত অসম বন্ধ দিব লাগে আৰু এনেদৰেই অপব্যয় কৰিব লাগে আমাৰ শক্তি আৰু সাৰ্মথ্য। অথচ আইনবিদ যোগেন্দ্ৰ নাথ বৰাই কোৱাৰ দৰে ৰাজপথত টায়াৰ জ্বলাইয়ো জনগণৰ দাবী উত্থাপন কৰিব পাৰি আৰু দ্বিতীয় পন্থা নিৰ্দিষ্ট পদ্ধতিৰে আগুৱাই গৈয়ো অধিকাৰ সাব্যস্ত কৰিব পাৰি। এই দ্বিতীয় পন্থাৰে কেনেদৰে বগীবিল সেতু অসমলৈ অনাটো সম্ভৱ হ'ল সেই বিষয়ে শ্ৰীমহন্তৰ লগতে অন্য কে'বাজনো পাঠকে বিতংভাৱে অনুৰোধ কৰিছে। তাৰ ভিতৰত তেজপুৰৰ মানৱ ডেকা, নগাঁৰৰ জ্যোতিপ্ৰকাশ ৰাজা, ঢিঙৰ মঃ মইনুলৰ নাম উল্লেখ কৰিব লাগিব।

এইখিনিতে উল্লেখ কৰি থওঁ যে ১৮৩৬ৰ পৰা ১৮৭২ লৈকে অসমৰ পাঠশালিৰ পৰা কাছাৰীলৈকে বাংলাভাষাই গ্ৰাস কৰিছিল। ঔপনিৱেশিক চৰকাৰৰ শাসনকালত অসমৰ ৰাজ্যিক ভাষা হিচাপে বাংলাভাষাই মৰ্যাদা পাইছিল আৰু এনে এক ধাৰণা সম্ভ্ৰান্ত অসমীয়া লোকৰ অন্তৰতো বাহ বান্ধিছিল যে অসমীয়া বাংলাভাষাৰহে এক উপভাষা। সেই সময়ত তিনিজন সম্ভ্ৰান্ত অসমীয়া হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা আৰু আনন্দৰাম ঢেকীয়াল ফুকনে যি নীৰৱ আন্দোলন আৰম্ভ কৰিছিল। সেই আন্দোলনলৈ অন্যহে নালাগে অসমত খ্ৰীষ্টিয়ান ধৰ্ম প্ৰচাৰৰ বাবে শাসকসকলে আমন্ত্ৰণ কৰি অনা মাইলছ ব্ৰন্সন, ৰেভাৰেণ্ড ও, টি কট্টাৰ, ফাডাৰ নাথান ব্ৰাউন আদি ধৰ্মযাজকসকলে যি অপৰিসীম অৰিহণা আগবঢ়ালে সেয়াই সঞ্জীৱিত কৰি তুলিলে মৃতপ্ৰায় অসমীয়া ভাষাক আৰু এইটো সন্দেহাতীতভাৱে প্ৰমাণিত হ'ল যে বাংলাভাষাতকৈও পুৰণি ভাষা হৈছে অসমীয়া ভাষা। অসমৰ পঢ়াশালিৰ পৰা আইন-আদালতৰ মজিয়ালৈকে সকলোতে প্ৰতিষ্ঠাপিত হ'ল অসমীয়া ভাষা। এই ৰণতো কিন্তু ৰাজপথত আন্দোলন কৰি কোনোৱে নিজৰ প্ৰাণ বিসৰ্জন দিবলগীয়া হোৱা নাছিল। বাতৰি কাকত, কিতাপ প্ৰকাশৰে গঢ়ি তোলা আন্দোলনে ঔপনিৱেশিক চৰকাৰক বাধ্য কৰিছিল অসমৰ পঢ়াশালি আৰু কাছাৰীত অসমীয়া ভাষা পুনৰ প্ৰতিষ্ঠা কৰাত।



এতিয়া মূল প্ৰসংগলৈ ঘূৰি আহিছো। কাগজে-কলমে এক সংগ্ৰামৰ ইতিহাস। ১৯৭৭ৰ ২১ জুনত ডিবৰুৰ পৰা যোৱা চাৰিজন ব্যক্তিয়ে নতুন দিল্লীত প্ৰধানমন্ত্ৰীৰ হাতত ব্ৰহ্মপুত্ৰৰ উত্তৰ আৰু দক্ষিণ দুয়োপাৰ সংযোগী এখন দলং অবিভক্ত লক্ষীমপুৰ জিলাত দাবী কৰিলে। ইয়াৰ পাছতে হঠাৎ দেশলৈ নামি আহিল জৰুৰী অৱস্থা। এইখিনি সময়ত সমগ্ৰ দেশৰ পৰিৱেশ গোমা হৈ পৰিল, কোন ক'ত কেতিয়া পোতাশাললৈ যাব লাগে তাৰ ঠিকনা নাইকিয়া হ'ল। ইয়াৰ মাজতো অৱশ্যে জগত চন্দ্ৰ নেওগ লাগি আছিল ডিব্ৰুগড়ৰ পৰা ৰাংচালিলৈকে ৰেলপথ সংযোগৰ দাবী লৈ। ১৯৩৯-৪০তে ব্ৰিটিছে ৰেলপথ স্থাপনৰ বাবে জৰীপ কৰিছিল। শুনানিতো আহ্বান কৰিছিল। কিন্তু হঠাৎ ব্ৰিটিছ শাসকসকল গুচি যাব লগা হোৱাত অঞ্চলটোত উন্নয়নমূলক কাৰ্যকলাপ দীৰ্ঘদিনলৈ স্থবিৰ হৈ ৰ'ল। দিল্লীৰ কংগ্ৰেছ চৰকাৰখনে অসমক দিয়াতকৈ অসমৰ সম্পদ উলিয়াই নিয়াতহে গুৰুত্ব দিবলৈ ধৰিলে। বিমলা প্ৰসাদ চলিহা, বিষ্ণুৰাম মেধি, মহেন্দ্ৰমোহন চৌধুৰী আদি মুখ্যমন্ত্ৰীসকলে অসমৰ প্ৰাপ্য বিচাৰি দিল্লীৰ কংগ্ৰেছ নেতৃবৃন্দৰ স'তে বাকযুদ্ধতো লিপ্ত হ'বলগা হৈছিল। তেতিয়া এনেকুৱা অৱস্থা নাছিল যে আজিৰ নেতাসকলৰ দৰে দিল্লীক ৰাজ্যখনলৈ অনুদান নালাগে বুলি ক'ব পাৰিব।

প্ৰধানমন্ত্ৰীক স্মাৰকপত্ৰখন দি অহাৰ পাছত সেইখন প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে উত্তৰ-পূব পৰিষদলৈ পঠালে।শৰৎ চন্দ্ৰ নেওগে সংগ্ৰহ কৰা তথ্য মতে জগত চন্দ্ৰ নেওগক এই বিষয়ে জনোৱাত তেওঁ যোগাযোগ কৰাত পৰিষদৰ উপদেষ্টা ডি এন যোশীয়ে নেওগক জনালে যে টপ'গ্ৰাফিকেল জৰীপৰ লগতে কে'বাবছৰৰ হাইড্ৰ'লজিকেল ডাটা আৱশ্যক হ'ব। সেই জৰীপৰ বাবে উত্তৰ-পূব পৰিষদে অসম চৰকাৰৰ বান নিয়ন্ত্ৰণ বিভাগৰ পৰা প্ৰাথমিক খৰচৰ এক প্ৰতিবেদন বিচাৰিলে। নেওগে এই সন্দৰ্ভত ফাইলটো আগবঢ়াই নিয়াৰ বাবে অসম চৰকাৰ বান নিয়ন্ত্ৰণমন্ত্ৰী ৰমেশ মোহন কুলি আৰু বান নিয়ন্ত্ৰণ বিভাগৰ মুখ্য অভিযন্তা তথা সদস্য সচিব হিতেশ্বৰ গোহাঁইক কে'বাবাৰো লগ ধৰিলে। পঢ়ুৱৈয়ে জানি আমোদ পাব যে অসম চৰকাৰৰ বান নিয়ন্ত্ৰণ বিভাগে জৰীপৰ বাবে এখন ইঞ্জিন চালিত নতুন নাও ক্ৰয় কৰিব লাগিব বুলি সেই নাৱৰ মূল্য সহ এখন আঁচনি কৰি উত্তৰ-পূব পৰিষদলৈ পঠিয়ালে। এই আঁচনিত চকু ফুৰাই উপদেষ্টা মহোদয়ৰ খঙে চুলিৰ আগ পালেগৈ। কিয়নো এনে এখন নাও বাননিয়ন্ত্ৰণ বিভাগৰ সততে থাকিবই, তেনেস্থলত নতুন নাও বিচৰাৰ কাৰণ কি বুলি প্ৰশ্ন কৰি জৰীপৰ সমুদায় টকা অসম চৰকাৰে প্ৰদান কৰিব লাগিব বুলি লিখি পঠালে। বান নিয়ন্ত্ৰণ বিভাগে উত্তৰ-পূব পৰিষদৰ পৰা ঘূৰি অহা আঁচনিখন পৰিকল্পনা আৰু ৰাজনৈতিক বিভাগলৈ প্ৰেৰণ কৰিলে। নেওগে ফাইলৰ পিছ নেৰি লাগি থাকিল। এদিন গৈ মুখ্যমন্ত্ৰী গোলাপ বৰবৰাকো লগ কৰিলে। মুখ্যমন্ত্ৰীয়ে আঁচনিখন গড়কাপ্তানী বিভাগলৈ প্ৰেৰণ কৰিলে। নেওগে এইবাৰ গৈ গড়কাপ্তানী মন্ত্ৰী দুলাল চন্দ্ৰ বৰুৱাক লগ ধৰিলে। দুলাল চন্দ্ৰ বৰুৱাই নেওগৰ কথা মন দি শুনিলে আৰু অসম চৰকাৰৰ গড়কাপ্তানী বিভাগে দুই লাখ ৯১ হেজাৰ টকাৰ আঁচনিখন মজদুৰ কৰি উত্তৰ-পূব পৰিষদলৈ প্ৰেৰণ কৰিলে। ইয়াৰ পাছতে ডিব্ৰুগড় নাগৰিক সংঘৰ সঁজাতীদলে শ্বিলঙলৈ গৈ উত্তৰ পূব পৰিষদৰ অধ্যক্ষক এখন স্মাৰকপত্ৰ প্ৰদান কৰি কামটো ত্বৰান্বিত কৰিবলৈ আহ্বান জনালে। উত্তৰ-পূব পৰিষদে এইবাৰ ষষ্ঠ পৰিকল্পনাৰ অধীনত একে কোবতে ৫০ লাখ থকা মজুত কৰিলে। ১৯৭৮ৰ ন ছেপ্টেম্বৰত সঁজাতী দলে ভাৰতৰ প্ৰধানমন্ত্ৰী মোৰাৰজী দেশাই দিছপুৰলৈ আহোতে, প্ৰতিৰক্ষামন্ত্ৰী জগজীৱনৰাম খোৱাঙলৈ আহোতে, ৰাজ্যপাল তথা উঃ পূব পৰিষদৰ অধ্যক্ষ লালন প্ৰসাদ সিং ডিব্ৰুগড়লৈ আহোতে প্ৰত্যেককে দলং নিৰ্মাণৰ দাবী উত্থাপন কৰি নাগৰিক সংঘই স্মাৰকপত্ৰ প্ৰদান কৰি গ'ল।


এইদৰে ফাইলটো আগবঢ়াই গ'ল আৰু কেন্দ্ৰীয় চৰকাৰৰ দপ্তৰ পোৱাৰ পাছত পৰিকল্পনা আয়োগ পালেগৈ। পৰিকল্পনা আয়োগে ধনৰ অভাৱৰ দোহাই দি বেচ কিছুদিন পেলাই থ'লে। এইবাৰ ডিবৰুৰ নাগৰিকে আন্দোলনৰ ভাবুকি দিলে আৰু স্বয়ং পৰিকল্পনা আয়োগৰ পৰা সফলতাৰে ফাইলটো মুকলি বতাহলৈ ওলাই আহিল। এনেদৰে কাকত-কলমৰ দাবীৰে আগবাঢ়ি গৈ অৱশেষত ১৯৯৭ৰ ২২ জানুৱাৰীত ভাৰতবৰ্ষৰ তদানীন্তন প্ৰধানমন্ত্ৰী দেৱগৌড়াই দলঙৰ আধাৰশিলা স্থাপন কৰিলেহি। ২০০২ৰ ২১ এপ্ৰিলত প্ৰধানমন্ত্ৰী অটলবিহাৰী বাজপেয়ীয়ে চহৰখনত চৌকিডিঙি খেলপথাৰৰ জনাকীৰ্ণ সভাত দলং নিৰ্মাণৰ কামৰ শুভাৰম্ভ কৰিলে। আৰম্ভণিতে ১,৭৬২ টকা ব্যয় নিৰ্ধাৰণ কৰা দলংখন প্ৰায় ছয় হেজাৰ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'ল আৰু চাৰিটা দশকৰ এক সপোনে সাকাৰৰূপ পালে, যি সপোন দেখিছিল ডিবৰুৰ মাত্ৰ কেইজনমান স্বপ্নদ্ৰষ্টা ব্যক্তিয়ে।

ফোন ঃ ৯৪৩৫০২৮০০৮

# বিদ্যালয় পৰিচালনা সমিতি আৰু চৰকাৰৰ দায়িত্ব



## গোপাল জালান



**বিদ্যালয়** পৰিচালনাৰ বাবে প্ৰতিখন শিক্ষানুষ্ঠানত একোখন পৰিচালনা সমিতি থাকে। এই পৰিচালনা সমিতিখনে বিদ্যালয়খন সুচাৰুৰূপে পৰিচালিত কৰাৰ ক্ষেত্ৰত আগভাগ লয়। শিক্ষানুষ্ঠানৰ সৰ্বাংগীন উন্নয়নৰ বাবে পৰিচালনা সমিতিখনে যিকোনো চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে। এইক্ষেত্ৰত কোনোৱে মাত মাতিব নোৱাৰে। কাৰণ উক্ত পৰিচালনা সমিতিখনে যিকোনো চূড়ান্ত সিদ্ধান্ত ল'ব পৰা ক্ষমতা আছে। এই সমিতিখনত সমাজৰ বিশিষ্ট ব্যক্তিকো অন্তৰ্ভুক্ত কৰা হয়। এনেদৰে গঠন কৰা সমিতিখনক লৈ কাৰো আপত্তিও নাথাকে। এতিয়া কথা হ'ল সময়ৰ পৰিৱৰ্তনৰ স'তে যদি সমিতি গঠনত কিছু পৰিমাণে হ'লেও নতুন গতি দিয়া নহয়, তেতিয়াহ'লে বিদ্যালয়ৰ সামগ্ৰিক উন্নয়নত ব্যাঘাত জন্মিব। সেইবাবে সকলোৱে সাজু হ'বৰ হ'ল।

বিদ্যালয় পৰিচালনা সমিতিখন গঠনৰ সময়ত অভিভাৱক-অভিভাৱিকাৰ মাজৰে এজন বা দুজনক অন্তৰ্ভুক্ত কৰে। তদুপৰি সমাজৰ বিশিষ্ট ব্যক্তি এগৰাকীকো অন্তৰ্ভুক্ত কৰাটো প্ৰয়োজন। পিছে সমাজকৰ্মীগৰাকীক নিৰ্বাচিত কৰাৰ সময়ত তেওঁৰ সমাজখনত থকা প্ৰভাৱৰ ওপৰত গুৰুত্ব প্ৰদান কৰা উচিত। সমাজৰ প্ৰতি দায়বদ্ধ লোকক অন্তৰ্ভুক্ত কৰিলে বিদ্যালয়খনৰো উন্নয়নত সহজ হ'ব। সমাজত এনে লোকৰ প্ৰভাৱ থকা বাবে বিদ্যালয়ৰ সৰ্বাংগীন উন্নয়নৰ ক্ষেত্ৰতো পদক্ষেপ গ্ৰহণ কৰিব পাৰিব। আজিকালি চৰকাৰে জিলাই প্ৰতি একো একোজন মন্ত্ৰীক অভিভাৱকৰ দায়িত্ব অৰ্পণ কৰিছে। এইসকল মন্ত্ৰীয়ে প্ৰতিটো ক্ষণতে উক্ত জিলাখন পৰিচালনা কৰাত ব্যস্ত থাকিব লাগে। ফলত বহুতো কাম ত্বৰান্বিত হৈছে। এনে আৰ্হিতে চৰকাৰে প্ৰতিটো অঞ্চলৰ প্ৰতিখন বিদ্যালয় পৰিচালনা সমিতি গঠনৰ বাবে একো একোজন সমাজৰ নেতৃস্থানীয় ব্যক্তিক অন্তৰ্ভুক্ত কৰিব লাগে। কাৰণ এনে ব্যক্তিয়ে বিদ্যালয়খনৰ উন্নতিৰ বাবে সমাজৰ বিভিন্ন স্তৰৰ লোকৰ স'তে আলোচনা-বিলোচনা কৰিব পাৰিব। এনে ব্যক্তিক বিদ্যালয়খনৰ অভিভাৱকৰ দায়িত্ব অৰ্পণ কৰিবলৈ চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে। এনে কৰিলে নিশ্চয় বিদ্যালয়খনৰ সৰ্বোত্তম উন্নতি হ'ব। এনে ব্যক্তিয়ে সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰত বিদ্যালয়ৰ সমস্যা তথা বিভিন্ন দিশ সম্পৰ্কে উপস্থাপন কৰিব পাৰিব। সাধাৰণতে একো একোটা অঞ্চলৰ লোকসকলে মানৱ সম্পদ উন্নয়নৰ বাবে নিৰ্ভৰ কৰে বিদ্যালয়ৰ ওপৰত। ঘৰখনৰ পাছতে বিদ্যালয়খনেই হ'ল মানৱ সম্পদ গঢ়াৰ একমাত্ৰ কেন্দ্ৰ। যদিহে এই কেন্দ্ৰটোতে পৰিচালনা সমিতিখন শক্তিশালী হয় তেতিয়াহ'লে অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱকসকলেও আস্থা প্ৰকাশ কৰিব। ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তিৰ বাবে আগ্ৰহ প্ৰকাশ নিশ্চয় কৰিব বুলি ক'ব পাৰি। আজিকালি যিহেতু চৰকাৰী বিদ্যালয়লৈ ল'ৰা-ছোৱালীৰ সোঁত নোহোৱা হ'বলৈ ধৰিছে সেয়েহে এইক্ষেত্ৰত চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। চৰকাৰে নতুন চিন্তা-চৰ্চা কৰিবলৈ এয়াই উপযুক্ত সময়। অতিসম্প্ৰতি চৰকাৰী বিদ্যালয়ৰ ফলাফল তথা আন্তঃগাঁথনিক লৈ বিশেষ চৰ্চা হৈছে। সেয়েহে স্থানীয় লোকক যদি এইক্ষেত্ৰত আগভাগ ল'বলৈ সুযোগ দিয়া হয় তেতিয়া ভৱিষ্যতে সুফল আশা কৰিব পাৰি।

আগতে বিদ্যালয় পৰিচালনা সমিতি আদিৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা নাছিল। সময়ৰ লগে লগে এনে সমিতিয়েও যে বিদ্যালয় পৰিচালনাৰ উপৰি উন্নয়নৰ বাবে নতুন চিন্তা-চৰ্চা কৰিব পাৰে সেই কথা সকলোৱে বুজি পালে। অৱশ্যে কিছুমান বিদ্যালয়ত এনে ধৰণৰ পৰিচালনা সমিতি গঠনত স্বজন-তোষণ হোৱা বুলি অভিযোগ উত্থাপিত হয়। বহুতো বিদ্যালয়ত প্ৰধান শিক্ষক-প্ৰধান শিক্ষয়িত্ৰীয়ে অথবা অধ্যক্ষই আত্মীয়ৰ নাম এনে পৰিচালনা সমিতিত অন্তৰ্ভুক্ত কৰি লুণ্ঠন চলায়। যদিহে পৰিচালনা সমিতিৰ অভিভাৱক-অভিভাৱিকাৰ মাজৰে নেতৃস্থানীয় লোকৰ লগতে সামাজিক প্ৰভাৱ থকা এগৰাকী ব্যক্তিক অন্তৰ্ভুক্ত কৰা হয়, তেতিয়াহ'লে স্বজন-তোষণ আদিৰ পৰা হাত সাৰিব পৰা যাব। তদুপৰি এই লোকজনে যাতে যিকোনো সমস্যা ৰাইজৰ স'তে আলোচনা কৰি পৰিচালনা সমিতিৰ সভাত উপস্থাপন কৰিব পাৰে তাৰ বাবেও ক্ষমতা প্ৰদান কৰা উচিত।

বিদ্যালয় এখন পৰিচালনা কৰাৰ ক্ষেত্ৰত পৰিচালনা সমিতিয়ে সাধাৰণতে মুখ্য ভূমিকা গ্ৰহণ কৰে। সেইবাবে এই সমিতিখন গঠনৰ বাবে চৰকাৰে কিছুমান নিয়ম বান্ধি দিব লাগে। তদুপৰি এই সমিতিসমূহৰ বিষয়ববীয়াৰ নাম সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰত ফটো তথা ভোটাৰ নম্বৰ, পান কাৰ্ড নম্বৰ, আধাৰ নম্বৰসহ জমা দিয়াৰো ব্যৱস্থা কৰা উচিত। কাৰণ এনে নথি-পত্ৰ জমা দিবলগীয়া হ'লে প্ৰধান শিক্ষক-শিক্ষয়িত্ৰী তথা অধ্যক্ষই আত্মীয়ক এইখন সমিতিত সহজেই অন্তৰ্ভুক্ত কৰাৰ সুযোগ নাপাব।


ফোন ঃ ৯৪৩৫১-০৩৯৭৭

## নাছিকত চুফী ধৰ্মগুৰুক গুলীয়াই হত্যা আততায়ীৰ



**নিউজ ব্যুৰ', নাছিক, ৬ জুলাই ঃ** মহাৰাষ্ট্ৰৰ নাছিকত এজন মুছলমান ধৰ্মগুৰুক আততায়ীয়ে গুলীয়াই হত্যা কৰিলে। কালি আফগানিস্তানৰ ৩৫ বছৰ বয়সীয়া ইছলামিক ধৰ্মীয়গুৰু খোৱাজা ছৈয়দ চিস্তিক দুৰ্বৃত্তই মূৰত গুলীয়াই হত্যা কৰে। গুলিবিদ্ধ হোৱা চিস্তিৰ ঘটনাস্থলীতে মৃত্যু হয়। আৰক্ষীয়ে লাভ কৰা তথ্য অনুসৰি চাৰিজন অজ্ঞাত পৰিচয় অভিযুক্তই এই হত্যাকাণ্ড সংঘটিত কৰিলে। খোৱাজা চিস্তি নাছিকত চুফীবাবা নামৰে পৰিচিত হৈছিল। কি কাৰণত দুৰ্বৃত্তই ইছলামিক সন্ত পুৰুষজনক গুলীয়াই হত্যা কৰিলে সেয়া এতিয়াও জানিব পৰা হোৱা নাই।

## ইৰাকত প্ৰাণৰক্ষা হোৱা ব্ৰাজিলৰ ম'ডেলৰ ইউক্ৰেইনত হ'ল প্ৰাণহানি



**নিউজ ব্যুৰ', কীভ, ৬ জুলাই ঃ** ৰাছিয়াৰ বোমাবৰ্ষণত প্ৰাণ হেৰুৱালে এগৰাকী মহিলা স্নাইপাৰে। উক্ত মহিলাৰ সন্ধান বিচাৰি যোৱা ব্ৰাজিলৰ প্ৰাক্তন সেনা কৰ্মী এজনেও ৰুছ বোমাত প্ৰাণ হেৰুৱালে। যোৱা ৩০ জুনত খাৰকিভ চহৰত ৰাছিয়াই ক্ষেপণাস্ত্ৰৰে আক্ৰমণ সংঘটিত কৰিছিল। এই আক্ৰমণতে মৃত্যু হৈছিল উক্ত মহিলা স্নাইপাৰৰ। প্ৰকাশিত বাতৰি অনুসৰি, উক্ত মহিলা স্নাইপাৰগৰাকী ব্ৰাজিলৰ প্ৰাক্তন ম'ডেলো আছিল। ৩৯ বছৰীয়া স্নাইপাৰ থালিতা ড' ভালেয়ে খাৰকিভত ৰাছিয়াৰ ক্ষেপণাস্ত্ৰ আক্ৰমণত প্ৰাণ হেৰুৱায়। যুদ্ধবিধ্বস্ত চহৰখনত থালিতাৰ সন্ধান বিচাৰি যোৱা ব্ৰাজিলৰ সেনা ডগলাছ বাৰজিৰ মৃত্যুও ৰাছিয়াৰ বোমাবৰ্ষণত হয়। উল্লেখ্য যে ইউক্ৰেইনত ৰাছিয়াৰ বিৰুদ্ধে যুঁজত অৱতীৰ্ণ হোৱা থালিতাই ইৰাকতো ইছলামিক ষ্টেট (আইছিছ)ৰ বিৰুদ্ধে যুদ্ধত অংশ লৈছিল। ইৰাকতে স্নাইপাৰ হোৱাৰ প্ৰশিক্ষণ লোৱা থালিতাই আইছিছ বিৰোধী যুঁজত প্ৰাণৰক্ষা কৰিবলৈ সফল হ'লেও ইউক্ৰেইনত ৰাছিয়াৰ বোমাবৰ্ষণত শেষ নিশ্বাস ত্যাগ কৰিলে।

## নাটোৰ সদস্য হোৱাৰ পথত ফিনলেণ্ড, ছুইডেন, সেউজ সংকেত কানাডাৰ



**নিউজ ব্যুৰ', ষ্টকহোম, ৬ জুলাই ঃ** উত্তৰ আটলাণ্টিক চুক্তি সংগঠন (নাটো)ৰ সামৰিক মৰ্চাত সদস্য পদ লাভ কৰাটো প্ৰায় নিশ্চিত হ'ল ফিনলেণ্ড আৰু ছুইডেনৰ। এই ক্ষেত্ৰত প্ৰথম অনুমোদন জনালে কানাডাই। ইউক্ৰেইনত ৰাছিয়াৰ আক্ৰমণৰ পাছতে নিৰপেক্ষ অৱস্থানৰ অন্ত পেলাই ইউৰোপৰ দুই দেশ ফিনলেণ্ড আৰু ছুইডেনে নাটোৰ সদস্য পদৰ বাবে আবেদন জনাইছিল। প্ৰথমে এই দুই দেশক পৰমাণু আক্ৰমণৰ ভাবুকি দিলেও ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে পৰৱৰ্তী সময়ত কয় যে দুই দেশৰ নাটোৰ সদস্যপদ প্ৰাপ্তিৰ ক্ষেত্ৰত মস্কোৰ কোনো আপত্তি নাই। এইবাৰ কানাডাৰ সেউজ সংকেতৰ পাছত নাটোত অন্তৰ্ভুক্ত হোৱাৰ ক্ষেত্ৰত এখোজ আগুৱালে ফিনলেণ্ড আৰু ছুইডেনে।

## দলাই লামাৰ ৮৭ সংখ্যক জন্মদিন পালন



**নিউজ ব্যুৰ', ধৰ্মশালা, ৬ জুলাই ঃ** তিব্বতৰ স্বনিৰ্বাসিত ধৰ্মীয় গুৰু দলাই লামাৰ ৮৭ সংখ্যক জন্মদিন আজি ধৰ্মশালাত পালন কৰা হ'ল। লামাৰ জন্মদিনৰ অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ ল'লে হিমাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী জয়ৰাম ঠাকুৰে। উল্লেখ্য যে অনুষ্ঠানত অংশ লৈ লামাক জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰিলে হলিউডৰ অভিনেতা ৰিচাৰ্ড গেৰেয়ে। লামাক তেওঁৰ জন্মদিন উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও ফোনযোগে বাৰ্তালাপ কৰি শুভেচ্ছা জ্ঞাপন কৰে।

## পুনৰ দৰা হ'ব পঞ্জাৱৰ মুখ্যমন্ত্ৰী মান



**নিউজ ব্যুৰ', চণ্ডীগড়, ৬ জুলাই ঃ** পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানে দ্বিতীয় বিবাহ সম্পন্ন কৰিব। প্ৰকাশিত বাতৰি অনুসৰি, ডাঃ গুৰপ্ৰীত কৌৰ নামৰ এগৰাকী যুৱতীৰ স'তে মানৰ বিবাহ সম্পন্ন হ'ব। ২০১৬ বৰ্ষত মানৰ প্ৰথমাপত্নী ইন্দ্ৰজিতৰ স'তে বিবাহ বিচ্ছেদ হৈছিল। বৰ্তমানে ইন্দ্ৰজিতে দুই সন্তানসহ আমেৰিকাত বসবাস কৰে। চণ্ডীগড়ত ডাঃ গুৰপ্ৰীতৰ স'তে মুখ্যমন্ত্ৰী মানৰ বিবাহৰ আয়োজন কৰা হৈছে। এই বিবাহত অংশ লোৱাৰ বাবে দিল্লীৰ মুখ্যমন্ত্ৰী তথা আপৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল, উপ-মুখ্যমন্ত্ৰী মনীষ ছিছ'ডিয়াই পৰিয়ালসহ ইতিমধ্যে চণ্ডীগড়ত উপস্থিত হৈছে।

### দুই মন্ত্ৰীৰ আকস্মিক পদত্যাগৰ ফলত সমস্যাৰ সন্মুখীন হ'ব পাৰে জনছন চৰকাৰ

# জনছন চৰকাৰৰ দুই মন্ত্ৰীৰ পদত্যাগ ঃ ৰাজনৈতিক মহলত চাঞ্চল্য

**নিউজ ব্যুৰ' লণ্ডন, ৬ জুলাই ঃ** মাত্ৰ কেইমিনিটমানৰ ব্যৱধানতে বৰিছ জনছনৰ চৰকাৰৰ পৰা পদত্যাগ কৰিলে দুই মন্ত্ৰীয়ে। মঙলবাৰে প্ৰথমে পদত্যাগ কৰিছিল ব্ৰিটেইনৰ বিত্তমন্ত্ৰী ঋষি ছুনকে। ছুনকৰ পদত্যাগৰ কেইমিনিটমান পাছতে বৰিছ মন্ত্ৰীসভা ত্যাগ কৰিলে ব্ৰিটেইনৰ স্বাস্থ্যমন্ত্ৰী ছাজিদ জাভিদে। দুই মন্ত্ৰীৰ আকস্মিক পদত্যাগৰ ফলত সমস্যাৰ সন্মুখীন হ'ব পাৰে জনছন চৰকাৰ। বিশেষকৈ জনছনৰ বিশ্বস্ত হিচাপে পৰিচিত ছুনকৰ পদত্যাগত ব্ৰিটেইনৰ ৰাজনৈতিক মহলত চাঞ্চল্যৰ সৃষ্টি হৈছে। পদত্যাগ কৰি ছুনকে টুইটাৰত এইদৰে লিখে, 'জনগণে আশা কৰে চৰকাৰ সঠিকভাৱে, দক্ষতাৰ স'তে আৰু গুৰুত্বসহকাৰে পৰিচালিত হ'ব। মই জানো এয়াই মোৰ শেষ



মন্ত্ৰিত্ব। কিন্তু মই বিশ্বাস কৰো যে এই চৰকাৰে কে'বাটাও বিষয়ত মান ৰক্ষা কৰা জৰুৰী। সেই কাৰণতে মই পদত্যাগ কৰিলো।'

উল্লেখ্য যে কৰ'না কালত চৰকাৰী আৱাসত ক'ভিড বিধি উলংঘনৰে পাৰ্টি কৰি ধৰা পৰাৰ পাছৰে পৰা অস্বস্তিকৰ পৰিৱেশৰ সন্মুখীন হৈ আহিছে ব্ৰিটিছ প্ৰধানমন্ত্ৰী। যোৱা মাহত জনছনৰ বিৰুদ্ধে কনজাৰভেটিভ দলৰ কমেও ৫৪ জন সাংসদে আস্থা ভোটৰ আহ্বান জনাইছিল। অৱশ্যে এই আস্থা ভোটত জয়লাভ কৰিছিল জনছনে।



## পাকিস্তানত আত্মঘাতী আক্ৰমণত ১০ সেনা জোৱান আহত

**নিউজ ব্যুৰ' পেছোৱাৰ, ৬ জুলাই ঃ** পাকিস্তানৰ অশান্ত উত্তৰ বজিৰিস্তানত সন্ত্ৰাসবাদীৰ এক আত্মঘাতী আক্ৰমণত কমেও ১০ জন সেনা জোৱান গুৰুতৰভাৱে আহত হ'ল। আত্মঘাতী বোমাৰুৱে সেনাৰ গাড়ীৰ কনভয়ত মটৰ চাইকেলেৰে খুন্দা মাৰি বোমা বিস্ফোৰণ সংঘটিত কৰিছিল। আহত তিনিজন জোৱানৰ অৱস্থা সংকটজনক। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি, আক্ৰমণ সংঘটিত কৰা আত্মঘাতী বোমাৰুৰ ঘটনাস্থলীতে মৃত্যু হয়।

## কানাডাত দাড়ি দীঘলকৈ ৰখাত চাকৰিৰ পৰা অব্যাহতি দিলে শতাধিক শিখক



**নিউজ ব্যুৰ', টৰ'ণ্টো, ৬ জুলাই ঃ** কানাডাত যথেষ্টসংখ্যক শিখে বসবাস কৰি আহিছে। শেহতীয়াভাৱে কানাডা প্ৰশাসনৰ এক পদক্ষেপে দেশখনত বসবাসকাৰী শিখসকলক ক্ষুব্ধ কৰি তুলিছে। টৰ'ণ্টো চহৰ প্ৰশাসনে এশজনৰো অধিক ছিকিউৰিটী গাৰ্ডক দাড়ি দীঘলকৈ ৰখাৰ কাৰণত চাকৰিৰ পৰা অব্যাহতি দিলে। প্ৰশাসনে কাৰণ প্ৰদৰ্শন কৰি কয় যে নিৰাপত্তাকৰ্মীৰ ক্ষেত্ৰত এন ৯৫ মাস্ক পৰিধান কৰা জৰুৰী আৰু শিখসকলৰ দাড়ি দীঘল হোৱাৰ ফলত তেওঁলোকে ভালদৰে এই মাস্ক মুখমণ্ডল পৰিধান কৰিব নোৱাৰে। সেয়েহে শিখসকলক নিৰাপত্তাকৰ্মীৰ চাকৰিৰ পৰা অব্যাহতি দিয়া বুলি টৰ'ণ্টো প্ৰশাসনে জানিবলৈ দিয়ে।



## অগ্নিপথ আচলতে নিকৃষ্ট চৰ্তৰ কৰ্মসংস্থাপনৰ প্ৰস্তাৱ ঃ মন্তব্য প্ৰশান্ত কিশোৰৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ৬ জুলাই ঃ** কেন্দ্ৰীয় চৰকাৰৰ অগ্নিপথ নিযুক্তি আঁচনিৰ সমালোচনাত সৰৱ হ'ল বিশিষ্ট নিৰ্বাচন ৰণনীতিজ্ঞ প্ৰশান্ত কিশোৰ। সেনাত নিযুক্তিৰ বাবে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা অগ্নিপথ আঁচনিক নিকৃষ্ট চৰ্তৰ কৰ্মসংস্থাপনৰ প্ৰস্তাৱ অভিহিত কৰিলে কিশোৰে। দেশৰ তৰুণ প্ৰজন্মক সুন্দৰ কামৰ পৰিৱেশ আৰু উন্নত জীৱন যাত্ৰাৰ পৰা বঞ্চিত কৰা হৈছে বুলি অভিযোগ কৰি এখন সংবাদমেলত কিশোৰে কয়, 'বৰ্তমানে সেনাবাহিনীত জড়িত ব্যক্তিসকলে যি পৰিৱেশ, পৰিস্থিতি আৰু সুযোগ লাভ কৰে সেইসমূহ সুবিধা অগ্নিপথ আঁচনিৰ সেনাক প্ৰদান কৰা নহ'ব। এই আঁচনিৰ অধীনত মাত্ৰ চাৰি বছৰ কাম কৰাৰ প্ৰস্তাৱ দিয়াটো অতি উদ্বেগজনক। তদুপৰি পেঞ্চন নথকাৰ কথাটোও চিন্তনীয়। অগ্নিপথ আচলতে অত্যন্ত নিকৃষ্ট চৰ্তৰ প্ৰস্তাৱ থকা এক কৰ্মসংস্থাপনৰ আঁচনি।'



## মহাৰাষ্ট্ৰত ক'ভিডৰ সংক্ৰমণ এশ গুণ বৃদ্ধি

**নিউজ ব্যুৰ' মুম্বাই, ৬ জুলাই ঃ** ভাৰতত আজি সক্ৰিয় ক'ভিড ৰোগীৰ সংখ্যা এক লাখ ১৫ হেজাৰ ২১২ জনলৈ বৃদ্ধি পালে। মঙলবাৰে মহাৰাষ্ট্ৰত নতুনকৈ কৰ'নাত আক্ৰান্ত হ'ল ৩,০৯৮ জন লোক। সোমবাৰৰ তুলনাত মহাৰাষ্ট্ৰত মঙলবাৰে ক'ভিডৰ দৈনিক সংক্ৰমণ ১০৪ শতাংশ বৃদ্ধি পালে। পশ্চিমবংগতো যোৱা মঙলবাৰে ১,৯৭৩ জন লোক কৰ'নাত সংক্ৰমিত হৈছিল। সোমবাৰে পশ্চিমবংগত ক'ভিড আক্ৰান্তৰ সংখ্যা আছিল ১১৩২ জন। এদিনতে পশ্চিমবংগত তিনিজন ক'ভিড ৰোগীৰ মৃত্যু হ'ল।

## উত্তৰ প্ৰদেশত ৫০ উৰ্ধ্বৰ একাংশ কৰ্মচাৰীক যোগীয়ে দিব বাধ্যতামূলক অৱসৰ

**নিউজ ব্যুৰ', লক্ষ্ণৌ, ৬ জুলাই ঃ** উত্তৰ প্ৰদেশৰ যোগী আদিত্যনাথৰ চৰকাৰে বিভিন্ন বিভাগত কৰ্মৰত চৰকাৰী কৰ্মচাৰীৰ ৫০ উৰ্ধ্বৰ বয়সৰ একাংশক বলপূৰ্বক অৱসৰ প্ৰদান কৰিব। দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ অভিযোগ থকা, গভীৰ ৰোগাক্ৰান্ত, কামত ফাকি দিয়া আৰু তদন্তৰ সন্মুখীন হোৱা ৫০ উৰ্ধ্বৰ বয়সৰ কৰ্মচাৰীসকলক যোগী চৰকাৰে বাধ্যতামূলক অৱসৰ দিয়াৰ সিদ্ধান্ত লৈছে। এই সন্দৰ্ভত অহা ৩১ জুলাইৰ ভিতৰত সংশ্লিষ্ট বিভাগক সিদ্ধান্ত গ্ৰহণ কৰিবলৈ যোগী চৰকাৰে সময় বান্ধি দিলে। বৰ্তমানে উত্তৰ প্ৰদেশত চৰকাৰী কৰ্মচাৰীৰ অৱসৰৰ বয়স হৈছে ৬০ বছৰ। ৰাজ্যখনৰ একাংশ চৰকাৰী কৰ্মচাৰীৰ বিৰুদ্ধে দুৰ্নীতি-ভ্ৰষ্টাচাৰ, কামত ফাকি দিয়াৰ দৰে অভিযোগ বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি যোগী চৰকাৰে এনে কৰ্মচাৰীক ৫০ বছৰ বয়সত বলপূৰ্বক অব্যাহতি দিয়াৰ যো-জা চলাইছে।





## শিণ্ডেক মুখ্যমন্ত্ৰী পাতিবলৈ শ্বাহক ময়ে প্ৰস্তাৱ দিছিলো, দাবী ফড়নবিছৰ

**নিউজ ব্যুৰ', মুম্বাই, ৬ জুলাই ঃ** একনাথ শিণ্ডেক মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী পাতিবলৈ বিজেপিৰ কেন্দ্ৰীয় নেতৃত্বক প্ৰস্তাৱ দিছিল স্বয়ং দেৱেন্দ্ৰ ফড়নবিছে। শিণ্ডে চৰকাৰৰ উপ-মুখ্যমন্ত্ৰী তথা বিজেপি নেতা ফড়নবিছে এই কথা দাবী কৰি কয় যে মহাৰাষ্ট্ৰত চৰকাৰ গঠনৰ পূৰ্বে দিল্লীলৈ গৈ তেওঁ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু বিজেপি সভাপতি জে পি নড্ডাৰ স'তে বৈঠকত অংশ লৈছিল আৰু উক্ত বৈঠকতে তেওঁ মুখ্যমন্ত্ৰীৰ পদৰ বাবে শিৱসেনাৰ বিদ্ৰোহী নেতা শিণ্ডেৰ নাম প্ৰস্তাৱ কৰিছিল।

## ২৪ ঘণ্টাত দৈনিক সংক্ৰমণ ১৬ হেজাৰৰ অধিক, বৃদ্ধি পালে মৃত্যু

**নিউজ ব্যুৰ', নতুন দিল্লী, ৬ জুলাই ঃ** দেশজুৰি পুনৰ উদ্বেগ বৃদ্ধি কৰিলে কৰ'নাৰ সংক্ৰমণে। মঙলবাৰে দেশত ক'ভিডৰ দৈনিক সংক্ৰমণ ১৩ হেজাৰৰ ঘৰত আছিল যদিও বুধবাৰে পুনৰ দৈনিক সংক্ৰমণ ১৬ হেজাৰৰ অধিক হ'ল। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি, যোৱা ২৪ ঘণ্টাত দেশত নতুনকৈ ক'ভিড আক্ৰান্ত হ'ল ১৬,১৫৯ জন লোক। সংক্ৰমণৰ ক্ষেত্ৰত শীৰ্ষত থকা মহাৰাষ্ট্ৰত বিগত এদিনত ক'ভিড আক্ৰান্ত হ'ল ৩,০৯৮ জন লোক। তামিলনাডুত ২,৬৬২, কেৰালাত ২,৬০৩, পশ্চিমবংগত ১৯৭৩, কৰ্ণাটকত ৮৩৯ আৰু দিল্লীত ৬১৫ জন লোক বুধবাৰে ক'ভিডত সংক্ৰমিত হ'ল। যোৱা ২৪ ঘণ্টাত দেশত ক'ভিডত দৈনিক মৃতকৰ সংখ্যা ২৮ জনলৈ বৃদ্ধি পালে। মহাৰাষ্ট্ৰ আৰু কেৰালাত ছজন, দিল্লী আৰু পশ্চিমবংত তিনিজন, গোৱা আৰু কৰ্ণাটকত দুজন, পঞ্জাৱ, হাৰিয়ানা, মধ্য প্ৰদেশ, ৰাজস্থান, তামিলনাডু আৰু উত্তৰ প্ৰদেশত এজনকৈ ক'ভিড ৰোগীৰ মৃত্যু হ'ল।



## পঞ্জাৱত এতিয়াৰে পৰা ৬০০ ইউনিট বিদ্যুৎ হ'ব বিনামূলীয়া ঃ মুখ্যমন্ত্ৰীৰ ঘোষণা

**নিউজ ব্যুৰ', চণ্ডীগড়, ৬ জুলাই ঃ** পঞ্জাৱত আম আদমী পাৰ্টি (আপ)ৰ চৰকাৰে ৰাজ্যবাসীক বিনামূল্যে বিদ্যুৎ যোগানৰ প্ৰতিশ্ৰুতি পূৰণ কৰিলে। আজি এই সন্দৰ্ভত টুইট কৰি পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানে কয় যে প্ৰতিটো পৰিয়ালৰ বিদ্যুৎ বিলৰ ক্ষেত্ৰত এতিয়াৰ পৰা ৬০০ ইউনিটৰ মাচুল ৰেহাই দিয়া হ'ব। ৰাজ্য চৰকাৰৰ এই সিদ্ধান্তত আজি কেবিনেটে অনুমোদন জনালে। উল্লেখ্য যে পঞ্জাৱ বিধানসভাৰ বিগত নিৰ্বাচনত আপে পঞ্জাৱবাসীক চৰকাৰ গঠন কৰিলে বিনামূল্যে বিদ্যুৎ যোগান ধৰিব বুলি প্ৰতিশ্ৰুতি দিছিল। টুইটত মানে আজি এইদৰে কয়, 'পঞ্জাৱৰ জনতাক আমি এক বৃহৎ প্ৰতিশ্ৰুতি দি কৈছিলো যে চৰকাৰ গঠন কৰিলে আমি ৩০০ ইউনিট বিদ্যুৎ বিনামূল্যে



দিম। চৰকাৰৰ এই সিদ্ধান্তত আজি কেবিনেটে অনুমোদন জনালে। এতিয়াৰে পৰা প্ৰতিখন বিদ্যুৎ বিলত ৬০০ ইউনিট বিদ্যুৎ বিনামূলীয়া হ'ব। আমি পঞ্জাৱবাসীক দিয়া প্ৰতিটো প্ৰতিশ্ৰুতি পালন কৰিম। আমি যি কওঁ, সেয়া কৰো।'

## মুদ্ৰাস্ফীতিৰ ভয়াৱহ সংকট, পুনৰ মুদ্ৰা প্ৰচলনৰ সিদ্ধান্ত জিম্বাব'ৱেৰ

**নিউজ ব্যুৰ' হাৰাৰে, ৬ জুলাই ঃ** শ্ৰীলংকাৰ দৰেই বিদেশী মুদ্ৰাৰ সংকটৰ সন্মুখীন হোৱা জিম্বাব'ৱেত মুদ্ৰাস্ফীতি অব্যাহত থকাৰ ফলত দেশখনৰ অৰ্থনীতি বিপৰ্যস্ত হৈছে। এনে অৱস্থাতে দেশত স্বৰ্ণমুদ্ৰা বিক্ৰীৰ সিদ্ধান্ত ল'লে জিম্বাব'ৱেৰ কেন্দ্ৰীয় বেংকে। চেন্ট্ৰেল বেংক অৱ জিম্বাব'ৱেৰ গৱৰ্ণৰে প্ৰকাশ কৰা




অনুসৰি অহা ২৫ জুলাইৰ পৰা স্থানীয় মুদ্ৰা মাৰ্কিন ডলাৰ আৰু অন্য বিদেশী মুদ্ৰাৰ বিনিময়ত বিক্ৰী কৰা হ'ব স্বৰ্ণমুদ্ৰা। সোণৰ আন্তৰ্জাতিক মূল্যৰ ভিত্তিত স্বৰ্ণমুদ্ৰা বিক্ৰী কৰিব জিম্বাব'ৱে। উল্লেখ্য যে মুদ্ৰাস্ফীতি আৰু যুদ্ধৰ কবলৰ পৰা অৰ্থনীতিক ৰক্ষা কৰিবলৈ পূৰ্বে এনে পদক্ষেপ বিশ্বৰ আন বহু দেশে গ্ৰহণ কৰিছিল।

# হিন্দুসকল দিনকদিনে মুছলমান হৈ উঠিছে ঃ 'কালী' প্ৰসংগত প্ৰতিক্ৰিয়া তছলিমাৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ৬ জুলাই ঃ** 'কালী' তথ্যচিত্ৰৰ প'ষ্টাৰ বিতৰ্কৰ সন্দৰ্ভত সৰৱ হ'ল স্বনিৰ্বাসিত বাংলাদেশী লেখিকা তছলিমা নাছৰিন। ফে'চবুকত এই সন্দৰ্ভত নিজৰ মতামত প্ৰকাশ কৰি তছলিমাই কয় যে হিন্দুসকল দিনকদিনে মুছলমানত পৰিণত হৈছে। উল্লেখ্য যে 'কালী' নামৰ তথ্যচিত্ৰত হিন্দু দেৱী কালীক চিগাৰেট সেৱন কৰা অৱস্থাত উপস্থাপন কৰাক লৈ একাংশ লোকে তীব্ৰ বিৰোধিতা কৰিছে। তথ্যচিত্ৰখনৰ পৰিচালিকা লীনা মণিমেকালাইক শিৰশ্ছেদ কৰাৰো ভাবুকি দিলে অযোধ্যাৰ হনুমান মন্দিৰৰ মহন্ত ৰাজু দাসে। এনে পৰিস্থিতিত ফে'চবুকত তছলিমাই লিখিলে, 'হিন্দুসকলৰ এই কথাটো মোৰ বৰ ভাল লাগে যে হিন্দুসকলে ভগৱানক যি ৰূপতে প্ৰত্যক্ষ কৰে, যিদৰে কল্পনা কৰে, আনকি ভগৱানক নিজৰ ইচ্ছাত যিয়ে নহওক; তাত কাৰো কোনো ক্ষতি নহয়। আদি কালৰ পৰাই মানুহে ভগৱানক মানি আহিছে আৰু একাংশই ভগৱানক নামানে। কিন্তু ভগৱানৰ মুখত চিগাৰেট কিয়, আমাৰ ধৰ্মীয় অনুভূতিত আঘাত লাগিছে, সেয়েহে আঘাতকাৰীৰ মুণ্ড লাগে। এনে ধৰণৰ আচৰণ হিন্দুসকলে উগ্ৰ মুছলমানৰ পৰা শিকিছে। দুখ লাগে, হিন্দুসকল দিনকদিনে মুছলমান হৈ উঠিছে।'

## দুবছৰে বন্ধ আন্তৰ্জাতিক বিমানসেৱা মুকলি কৰিলে চীনে



**নিউজ ব্যুৰ', বেইজিং, ৬ জুলাই ঃ** কৰ'না মহামাৰীৰ শংকাত বিগত দুবছৰ ধৰি চীনে আন্তৰ্জাতিক বিমানসেৱা বন্ধ ৰাখিছিল। অৱশেষত আজি দেশখনে আন্তৰ্জাতিক বিমানসেৱা পুনৰ মুকলি ঘোষণা কৰিলে। অৱশ্যে চীনে আন্তঃৰাষ্ট্ৰীয় বিমানসেৱাৰ বাবে অনুমতি প্ৰদান কৰিলে এই তালিকাত ভাৰতৰ নাম অন্তৰ্ভুক্ত কৰা নাই। যোৱা মাহত চীনে ভাৰতীয় পেছাদাৰী আৰু তেওঁলোকৰ পৰিয়ালৰ লোকৰ বিৰুদ্ধে পূৰ্বে আৰোপ কৰা ভিছা নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰিছিল। কিন্তু ভাৰতৰ স'তে আন্তৰ্জাতিক বিমানসেৱা পুনৰ আৰম্ভ কৰাৰ সন্দৰ্ভত বেইজিঙে বৰ্তমানলৈকে কোনো ইংগিত দিয়া নাই। কৰ'না প্ৰতিৰোধৰ বাবে বিগত দুবছৰ ধৰি চীনে আন্তৰ্জাতিক বিমানসেৱা বন্ধ ৰাখিছিল। শেহতীয়াভাৱে চীনৰ একাধিক চহৰত ক'ভিডৰ নতুন সংক্ৰমণ উদ্বেগৰ কাৰণত পৰিণত হৈছে যদিও এনে পৰিস্থিতিৰ মাজতে বেইজিঙে আন্তৰ্জাতিক বিমানসেৱা পুনৰ প্ৰৱৰ্তনৰ সিদ্ধান্ত ল'লে। প্ৰকাশিত বাতৰি অনুসৰি, চলিত সপ্তাহত চীনে ২,০২৫ খন যাত্ৰীবাহী আন্তৰ্জাতিক বিমানৰ সেৱা পুনৰ আৰম্ভ কৰিব। ২০২০ৰ নৱেম্বৰৰ পৰা চীন আৰু ভাৰতৰ মাজত কোনো নিয়মীয়া বিমানৰ চলাচল অব্যাহত থকা নাই।

## মানহানিৰ গোচৰত আদালতত হাজিৰ হৈ কি ক'লে কংগনাই?

**নিউজ ব্যুৰ', মুম্বাই, ৬ জুলাই ঃ** প্ৰসিদ্ধ গীতিকাৰ জাভেদ আখতাৰে তৰা মানহানিৰ গোচৰত অৱশেষত আদালতত হাজিৰ হ'ল বলিউডৰ অভিনেত্ৰী কংগনা ৰণৌট। কালি এই গোচৰৰ শুনানি মহানগৰ ন্যায়িক দণ্ডাধীশৰ আদালতত গ্ৰহণ কৰা হৈছিল। আদালতত নিজৰ ভাষ্য ৰখাৰ পূৰ্বে কংগনাই আদালতত অনুৰোধ জনাই কৈছিল যে ভাষ্য লিপিবদ্ধ কৰাৰ সময়ত তেওঁৰ স'তে কেৱল ভগ্নী ৰংগোলী চণ্ডেল আৰু নিজা অধিবক্তাহে উপস্থিত থাকিব পাৰিব। এই গোচৰত কংগনাই তেওঁৰ ভগ্নীক সাক্ষী হিচাপে আগবঢ়াইছে। আদালতত কংগনাই ভাষ্য ৰখাৰ সময়ত কয় যে



জাভেদ আখতাৰে তেওঁক সেই সময়ত অপদস্থ কৰিছিল, যেতিয়া হৃত্বিক ৰোছনক ক্ষমা খুজিবলৈ তেওঁ অস্বীকাৰ কৰিছিল। কংগনাই আখতাৰৰ বিৰুদ্ধে অভিযোগ কৰি কয় যে গীতিকাৰে ক্ষমা নিবিচাৰিলে তেওঁ বিষম পৰিণতিৰ সন্মুখীন হ'ব লাগিব বুলিও ভাবুকি দিছিল। অভিনেত্ৰীগৰাকীয়ে লগতে আদালতত কয় যে আখতাৰে তেওঁক আত্মহত্যা কৰিবলৈকো হেঁচা দিছিল আৰু ইয়াৰ ফলত তেওঁ মানসিকভাৱে অসুস্থ হৈছিল। উল্লেখ্য যে আখতাৰে ২০২০ৰ নৱেম্বৰত কংগনাৰ বিৰুদ্ধে মানহানিৰ গোচৰ তৰিছিল। উক্ত গোচৰৰে শুনানিত অৱশেষত অংশ ল'লে কংগনাই।

## পাকিস্তানত বিশিষ্ট টিভি সাংবাদিক ৰিয়াজ খানক গ্ৰেপ্তাৰ



**নিউজ ব্যুৰ', ইছলামাবাদ, ৬ জুলাই ঃ** পাকিস্তানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰান খানক মুক্তভাৱে সমৰ্থন জনোৱা পাকিস্তানী টেলিভিছনৰ প্ৰতিষ্ঠিত সাংবাদিক ইমৰান ৰিয়াজ খানক কালি ইছলামাবাদত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। সাংবাদিকজনক গ্ৰেপ্তাৰ কৰাৰ কাৰণ আৰক্ষীয়ে এতিয়াও ৰাজহুৱা কৰা নাই। উল্লেখ্য যে কেইসপ্তাহমান পূৰ্বে ইছলামাবাদৰ এখন আদালতে ৰিয়াজৰ লগতে আন কে'বাজনো সাংবাদিকক গ্ৰেপ্তাৰ নকৰিবলৈ আৰক্ষীক নিৰ্দেশ দিছিল। সাংবাদিক খানৰ বিৰুদ্ধে ঘৃণা সৃষ্টিৰ অভিযোগ উত্থাপিত হৈছিল। স্মৰ্তব্য যে যোৱা এপ্ৰিলত অনাস্থাৰ জৰিয়তে ইমৰান খানক প্ৰধানমন্ত্ৰীৰ পদৰ পৰা অপসাৰিত কৰাৰ সময়ত সাংবাদিক খানে এই ঘটনাক আমেৰিকাৰ ষড়যন্ত্ৰ আখ্যা দিছিল।

# লাহৰীঘাট-কৈঠালকুছিত ড্ৰাগছসহ তিনি সৰবৰাহকাৰীক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

**লাহৰীঘাট/টিহু, ৬ জুলাই ঃ** আৰক্ষীৰ অভিযান সত্ত্বেও ৰাজ্যত অব্যাহত আছে ড্ৰাগ্‌ছ সৰবৰাহ। ন ন কৌশল প্ৰয়োগ কৰি দুষ্ট চক্ৰই ড্ৰাগ্‌ছ সৰবৰাহ অব্যাহত ৰাখিছে। ইয়াৰ মাজতে মৰিগাঁও জিলাৰ লাহৰীঘাট আৰু নলবাৰী জিলাৰ টিহুত আৰক্ষীয়ে মুঠ তিনিজন ড্ৰাগ্‌ছ সৰবৰাহকাৰীক নিষিদ্ধ ড্ৰাগ্‌ছ সহ গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। লাহৰীঘাটত আৰক্ষীয়ে কালি অভিযান চলাই দুই ড্ৰাগ্‌ছ সৰবৰাহকাৰীক কৰায়ত্ত কৰে। ধৃত ড্ৰাগ্‌ছ সৰবৰাহকাৰী দুজন আবুল নাছেৰ (২৭) আৰু মুস্তাফিজুৰ ৰহমান (১৮) বুলি আৰক্ষীয়ে জনাইছে। লাহৰীঘাট আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া আমিৰ হুছেইনৰ নেতৃত্বত যোৱা আৰক্ষীৰ এটি দলে যোৱা চাৰি জুলাইত থানাৰ অন্তৰ্গত দাতিয়ালবড়ি গাঁৱত অভিযান চলাই ড্ৰাগ্‌ছসহ সৰবৰাহকাৰী দুজনক আটক কৰে। আৰক্ষীয়ে ধৃত লোক দুজনৰ জিম্মাৰ পৰা তিনিটা ড্ৰাগ্‌ছ ভৰ্তি কণ্টেইনাৰ জব্দ কৰে। অঞ্চলটোত নিষিদ্ধ ড্ৰাগ্‌ছৰ ব্যৱসায় চলাই থকাৰ অভিযোগ আছিল ধৃত লোক দুজনৰ বিৰুদ্ধে। উল্লেখ্য যে লাহৰীঘাটত ড্ৰাগ্‌ছ, গাঞ্জা আদিৰ বিৰুদ্ধে আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিছে। শেহতীয়াকৈ লাহৰীঘাট আৰক্ষীয়ে অবৈধ ড্ৰাগ্‌ছ, গাঞ্জা আৰু নিচাযুক্ত দ্ৰব্য সৰবৰাহৰ লগত জড়িত কে'বাজনো সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হৈছে। আৰক্ষীয়ে কালি আটক কৰা লোক দুজনৰ বিৰুদ্ধে ২৭৭/২২ নম্বৰত এনডিপিএছ আইনৰ অধীনত এটা গোচৰ ৰুজু কৰি তেওঁলোকক গ্ৰেপ্তাৰ কৰে। আজি আৰক্ষীয়ে তেওঁলোকক মৰিগাঁও আদালতত হাজিৰ কৰোৱাৰ পাছত আদালতে দুয়োকে জেল হাজোতলৈ প্ৰেৰণ কৰে।

ইপিনে, নলবাৰী জিলাৰ উত্তৰ ধৰ্মপুৰৰ কৈঠালকুছিত কালি সন্ধিয়া আৰক্ষীয়ে অভিযান চলাই কৈঠালকুছিৰ ব্ৰাহ্মণ তোলাৰ পৰা নিচাযুক্ত টেবলেটসহ এজন ড্ৰাগ্‌ছ সৰবৰাহকাৰীক আটক কৰে। ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মৃত্যুঞ্জয় দাসৰ নেতৃত্বত আৰক্ষীৰ দলটোৱে দুশ নিচাযুক্ত টেবলেটসহ হাতে-লোটে আটক কৰিবলৈ সক্ষম হোৱা নিচাযুক্ত টেবলেট সৰবৰাহকাৰী যুৱকজন কৈঠালকুছিৰ ব্ৰাহ্মণতোলা চুবুৰি নিবাসী বিপুল মিশ্ৰ বুলি আৰক্ষীয়ে জনাইছে। উল্লেখ্য যে পূৰ্বেও বহুবাৰ কৈঠালকুছিত আৰক্ষীয়ে অভিযান চলাই ব্ৰাউন ছুগাৰকে ধৰি কে'বাজনো ড্ৰাগ্‌ছ সৰবৰাহকাৰী আৰু ড্ৰাগ্‌ছ সেৱনকাৰী যুৱকক আটক কৰিছিল।

# নদুৱাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ১৭ অৱসৰপ্ৰাপ্ত গ্ৰাম প্ৰধানক বিদায় সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**চতিয়া, ৬ জুলাই ঃ** নদুৱাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বিশ্বনাথ আৰু শোণিতপুৰ জিলাৰ ১৭ গৰাকী অৱসৰপ্ৰাপ্ত গ্ৰাম প্ৰধানক যোৱা চাৰি জুলাইত এক অনুষ্ঠানত বিদায় সম্বৰ্ধনা জনোৱা হয়। নদুৱাৰ ৰাজহ চক্ৰ কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত বিদায় সম্বৰ্ধনা সভাত সভাপতিত্ব কৰে নদুৱাৰ ৰাজহ চক্ৰ বিষয়া ড০ আকাশদ্বীপ কাকতীয়ে। কাননগো ৰঞ্জিতদাসৰ পৰিচালনাত চক্ৰৰ উচ্চ বৰ্গৰ সহায়ক কিশোৰ বৰা, চক্ৰৰ সমূহ কৰ্মচাৰী আৰু দুয়োখন জিলাৰ ৯০ জন গ্ৰাম প্ৰধানৰ উপস্থিতিত সভা অনুষ্ঠিত হয়। ৬৫ বছৰ অতিক্ৰম কৰা শোণিতপুৰ জিলাৰ নবীন নাথ, সোমেশ্বৰ বৰা, ধৰ্মেশ্বৰ ভূএল, পুষ্প থাপা, সোনেশ্বৰ দাস, মোলান হাজৰিকা, চুলেমান মূঢ়া, ফজনুৰ আলী, মিনাৰাম হাজৰিকা, মনবাহাদুৰ নেৱাৰ আৰু বিশ্বনাথ জিলাৰ বাবুল হাজৰিকা, দুৰ্লভ বৰা, ডিম্বেশ্বৰ হাজৰিকা, সৰুমাই বৰুৱা, লৱকান্ত শইকীয়া, জেমছ জজোৱাৰ, ইউনুছ আলীক গামোচা, চেলেং চাদৰ, কীৰ্তন ঘোষা আৰু সম্বৰ্ধনা পত্ৰৰে বিদায় সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা সভাৰ সভাপতি ড০ আকাশ দ্বীপ কাকতীয়ে কয় যে অৱসৰপ্ৰাপ্ত গাঁও প্ৰধানসকলে দীৰ্ঘদিন ধৰি নিষ্ঠা আৰু সততাৰে দায়িত্ব পালন কৰি আহিছিল। কাননগো ৰঞ্জিত দাসে অৱসৰপ্ৰাপ্ত গাঁও প্ৰধানসকলৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰাৰ লগতে মাধৱ দেৱৰ এটি ঘোষাৰে অৱসৰপ্ৰাপ্ত গাঁও প্ৰধানসকলৰ ওচৰত অপৰাধ মাৰ্জনা বিচাৰে। উপস্থিত সকলোৱেই ঘোষা আওৰাই এক আধ্যাত্মিক পৰিৱেশৰ মাজেৰে অনুষ্ঠানটোৰ সামৰণি পেলায়।

# মৰিগাঁৱত বানপীড়িত ৰাইজৰ মাজত সাহায্য বিতৰণ গুৱাহাটী সাংস্কৃতিক গোষ্ঠীৰ



অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ৬ জুলাই ঃ** মৰিগাঁও জিলাৰ শ'লমাৰী অঞ্চলত বানপীড়িত ৰাইজৰ মাজত কালি গুৱাহাটীৰ সাংস্কৃতিক গোষ্ঠীয়ে সাহায্য বিতৰণ কৰে। গুৱাহাটী সাংস্কৃতিক গোষ্ঠীৰ সভানেত্ৰী তুলিকা ভূএল বৰুৱা আৰু সাধাৰণ সম্পাদিকা ৰুমী ভূএলৰ নেতৃত্বত অহা দলটোৱে মৰিগাঁও সদৰ ছাত্ৰ সন্থাৰ ব্যৱস্থাপনাত কালি জিলাৰ শ'লমাৰী অঞ্চলত প্ৰায় শতাধিক বানপীড়িতৰ মাজত সাহায্য বিতৰণ কৰে। বান সাহায্য বিতৰণ কৰাৰ সময়ত সাংস্কৃতিক গোষ্ঠীটোৰ কাৰ্যকৰী সভাপতি কংকনা চহৰীয়াকে ধৰি সাংস্কৃতিক গোষ্ঠীৰ বহুকেইগৰাকী বিষয়ববীয়া তথা সদস্য সদস্যাসকলৰ লগতে সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ সভাপতি দিপুল কুমাৰ নাথ, সাধাৰণ সম্পাদক ৰূপজ্যোতি মেধি, মৰিগাঁও সদৰ ছাত্ৰ সন্থাৰ সভাপতি ঘনেন্দ্ৰ বৰা, সাধাৰণ সম্পাদক প্ৰণৱজ্যোতি বৰ্মন, সদৰ ছাত্ৰ সন্থাৰ উপদেষ্টা কমল মহন্তৰ লগতে অন্যান্য ছাত্ৰ-কৰ্মীসকল উপস্থিত থাকে।

# গোৱালপাৰাত আয়ৰ প্ৰমাণপত্ৰ লাভৰ নামত ছাত্ৰ-ছাত্ৰীৰ হাৰাশাস্তি

## ■ এছএফআই-ডিৱাইএফআইৰ উপায়ুক্তক স্মাৰকপত্ৰ প্ৰদান

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ৬ জুলাই ঃ** গোৱালপাৰাত আয়ৰ প্ৰমাণপত্ৰ লাভৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে সম্প্ৰতি সমস্যাৰ সন্মুখীন হোৱা বুলি অভিযোগ উত্থাপন কৰিছে এছএফআই আৰু ডিৱাইএফআয়ে। এই সন্দৰ্ভত কালি সংগঠন দুটাই জিলা উপায়ুক্তক এখন স্মাৰকপত্ৰ প্ৰদান কৰে। স্মাৰকপত্ৰত উল্লেখ কৰা মতে, মহাবিদ্যালয়ত কম মাচুলেৰে নামভৰ্তিৰ সুবিধা লাভ কৰাৰ কাৰণে দুখীয়া ছাত্ৰ-ছাত্ৰীসকলৰ আয়ৰ প্ৰমাণপত্ৰ অতি জৰুৰী। মহাবিদ্যালয়সমূহে নামভৰ্তিৰ দিন অতি সোনকালে ঘোষণা কৰাৰ কাৰণে আৰু চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ পৰা আয়ৰ প্ৰমাণপত্ৰ লাভ কৰাৰ ক্ষেত্ৰত যথেষ্ট পলম হোৱা কাৰণে প্ৰায় সকলোবোৰ দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীয়ে দলিলত শপতনামা দিবলগীয়া হৈছে। দলিলৰ চাহিদা বৃদ্ধি হোৱাৰ সুযোগ গ্ৰহণ কৰি এতিয়া দলিলৰ কলা বজাৰ গঢ়ি উঠিছে। এশ টকাৰ দলিল ১৭০ টকাৰ পৰা দুশ টকালৈ দাম দি ক্ৰয় কৰিবলগীয়া হৈছে আৰু এখন শপতনামা তৈয়াৰ কৰাত পাঁচশৰ পৰা সাতশ টকালৈ খৰচ হৈ আছে। সেয়ে চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ পৰা আয়ৰ প্ৰমাণপত্ৰ প্ৰদান কৰা ব্যৱস্থাটো ক্ষিপ্ৰতৰ কৰা দলিলৰ ক'লা বজাৰ বন্ধ, চৰকাৰী শিক্ষানুষ্ঠানসমূহত আসনৰ সংখ্যা, শিক্ষকৰ সংখ্যা বৃদ্ধি আৰু বিদ্যালয়সমূহৰ আন্তঃগাঁথনি উন্নত কৰাকে ধৰি পাঁচদফীয়া দাবী সম্বলিত এখন স্মাৰকপত্ৰ সংগঠন দুটাৰ কাৰ্যকৰ্তাসকলে গোৱালপাৰাৰ উপায়ুক্তক প্ৰদান কৰে।

# বঙাইগাঁৱৰ উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত সোণালী বান্দৰৰ সুৰক্ষাৰ দাবীত ধৰ্ণা



অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ৬ জুলাই ঃ** বঙাইগাঁও জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত আজি সেউজ মাণিকপুৰ নামৰ এটি স্বেচ্ছাসেৱী সংগঠনৰ সদস্যসকলে সোণালী বান্দৰৰ সুৰক্ষাৰ বাবে ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰি জিলা উপায়ুক্তক স্মাৰকপত্ৰ প্ৰদান কৰে। সোণালী বান্দৰৰ ৰম্যভূমি হিচাপে খ্যাত বঙাইগাঁও জিলাৰ ভৈৰৱচুড়া পাহাৰৰ ওপৰেদি উচ্চ ক্ষমতাসম্পন্ন বিদ্যুৎ পৰিবাহী তাঁৰ পাৰ কৰাই নিয়াৰ যি কাম আৰম্ভ হৈছে সেয়া বন্ধ কৰাৰ দাবীত আজি বঙাইগাঁও জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত সেউজ মাণিকপুৰ নামৰ স্বেচ্ছাসেৱী সংগঠন এটাই ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। সংগঠনটোৰ নেতৃত্বই জানিবলৈ দিয়া মতে, এনে তাঁৰ সংস্থাপন কৰিলে পাহাৰখনত থকা প্ৰায় ছশ সোণালী বন্দৰৰ বিপদাপন্ন হ'ব। সেউজ মাণিকপুৰৰ নেতা মহীধৰ ৰায়ে পৃথিৱীৰ বিলুপ্ত প্ৰায় প্ৰাণীবিধ ৰক্ষাৰ বাবে চৰকাৰে বিকল্প ব্যৱস্থা ল'ব লাগে বুলিও তেওঁ ব্যক্ত কৰে। সোণালী বান্দৰৰ সুৰক্ষাৰ বাবে দিল্লীত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰিব বুলি সদৰী কৰে।



নগাঁৱত বন মহোৎসৱ।

# বিশ্বনাথত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা নেমছুৰ

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ৬ জুলাই ঃ** উত্তৰ-পূৰ্বাঞ্চলৰ সংখ্যালঘু ছাত্ৰ সন্থা চমুকৈ নেমছুৱে আজি বিশ্বনাথ নগৰৰ মুছাফিৰখানাত এক বিশেষ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰে। হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক এই সম্বৰ্ধনা অনুষ্ঠানৰ জৰিয়তে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। বিশ্বনাথ জিলাৰ বিভিন্ন অঞ্চলৰ সুখ্যাতিৰে উত্তীৰ্ণ হৈ জিলাখনলৈ সফলতা কঢ়িয়াই অনা প্ৰায় ৭০ গৰাকীকৈ কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনাই নেমছুৰ বিশ্বনাথ জিলা সমিতিয়ে। সম্বৰ্ধনা অনুষ্ঠানত উপস্থিত থাকে বিশ্বনাথ জিলাৰ নেমছুৰ সভাপতি ফকৰুদ্দিন আহমেদ, কেন্দ্ৰীয় উপ-সভাপতি মুস্তাক হুছেইন, সাংগঠনিক সম্পাদক সাহিদুল ইছলাম, গীতিকাৰ ধ্ৰুৱজ্যোতি ৰাজখোৱা, কমাৰ্চ কলেজৰ অধ্যক্ষ জমিৰ আলী আদিয়ে।

# বিশ্বনাথত জিলা কৃষি বিভাগৰ চৌহদত কৃষক মেলা

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ৬ জুলাই ঃ** কৃষি প্ৰযুক্তি ব্যৱস্থাপনা সংস্থা চমুকৈ আত্মাৰ অধীনত আজি বিশ্বনাথ জিলা কৃষি বিষয়াৰ কাৰ্যালয় চৌহদত এখন কৃষক মেলা অনুষ্ঠিত কৰা হয়। কৃষক মেলাৰ দ্বাৰ মুকলি কৰে বিশ্বনাথ জিলাৰ নৱনিযুক্ত উপায়ুক্ত মুনীন্দ্ৰ নাথ ঙাটেই। তাৰ পাছতে প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰা হয়। প্ৰদৰ্শনীত কৃষি কৰ্মৰ লগত জড়িত থকা বিভিন্ন অত্যাধুনিক সা-সঁজুলিৰ প্ৰদৰ্শনী কৰাৰ লগতে বিশ্বনাথ জিলা পশু চিকিৎসা বিভাগৰ দ্বাৰা পশু পালন আৰু পশু চিকিৎসা সেৱাৰ বিষয়েও শিবিৰ অনুষ্ঠিত কৰা হয়। বিশ্বনাথ জিলা কৃষি বিভাগৰ কৃষি বিষয়া দীপক বাঢ়ৈৰ নেতৃত্বত অনুষ্ঠিত কৰা কৃষি মেলাত বিশ্বনাথ জিলাৰ উপায়ুক্ত মুনীন্দ্ৰ নাথ ঙাটে, অসম চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী তথা প্ৰাক্তন অগপ বিধায়ক প্ৰবীণ হাজৰিকা, বিশ্বনাথ জিলা প্ৰশাসনৰ উচ্চপদস্থ বিষয়াসকল, বিশ্বনাথ জিলা কৃষি বিভাগৰ উচ্চ পদস্থ বিষয়া, বিশ্বনাথ জিলাৰ বিভিন্ন অঞ্চলৰ বিশিষ্ট ব্যক্তিৰ লগতে জিলাখনৰ অন্তৰ্গত বহু কৃষকে অংশগ্ৰহণ কৰে। বিয়লিৰ ভাগত জিলাখনৰ বিভিন্ন স্থানৰ কৃষকসকল আৰু কৃষি বিজ্ঞানীৰ মাজত এক মত বিনিময় অনুষ্ঠান অনুষ্ঠিত কৰা হয়। মত বিনিময় অনুষ্ঠান উদ্বোধন কৰে বিশ্বনাথ কৃষি মহাবিদ্যালয়ৰ সহযোগী বিজ্ঞান গুৰু ৰণেন্দ্ৰ নাথ বৰ্মনে।

# যোৰহাট ঈদগাহত নামাজৰ সময় নিৰ্ধাৰণ

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ৬ জুলাই ঃ** যোৰহাট ঈদগাহ সমিতিৰ সভাপতি নাৱাব নাচিৰুদ্দিন আহমেদ চাহেবৰ সভাপতিত্বত ঈদ সম্পৰ্কীয় এখন সভা আজি অনুষ্ঠিত হয়। উক্ত সভাৰ সিদ্ধান্ত অনুসৰি অহা ১০ জুলাইত অনুষ্ঠিত হ'বলগীয়া ঈদ-উজ-জোহাৰ সমূহীয়া নামাজ যোৰহাট ঈদগাহত পুৱা ৮-৩০ বজাত অনুষ্ঠিত হ'ব আৰু নামাজৰ কাৰ্যসূচী পুৱা আঠ বজাৰ পৰা আৰম্ভ হ'ব। নামাজত ইমামতি কৰিব যোৰহাট দানিছ নগৰ মছজিদৰ পেছ ইমান জোনাব মৌলানা হাফিজুৰ ৰহমান আৰু চানি ইমাম হিচাপে যোৰহাট তৰাজান মছজিদৰ প্ৰেছ ইমাম জনাব মৌলানা আব্দুল মুস্তানে উপস্থিত থাকিব বুলি যোৰহাট ঈদগাহ কমিটীৰ সাধাৰণ সম্পাদক পাৰভেজ হুছেইনে জনাইছে।

# তফজ্জুল আলীৰ মৃত্যু দিৱস পালন

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ৬ জুলাই ঃ** অসমৰ এজন প্ৰসিদ্ধ গীতিকাৰ তথা সাহিত্যিক তফজ্জুল আলীৰ কালি মৃত্যু দিৱস উপলক্ষে আউনীআটী বিদ্যা নিকেতন আৰু মূৰ্ছনা সংগীত বিদ্যালয়ৰ উদ্যোগত আয়োজন কৰা হয় বহুদিন বকুলৰ গোন্ধ পোৱা নাই শীৰ্ষক এক অনুষ্ঠান। অসমীয়া ভাষাত ভালেসংখ্যক গীত ৰচনা কৰাৰ লগতে 'পুতলা ঘৰ' আৰু 'সোণৰ হৰিণ' চলচ্চিত্ৰত সংগীত পৰিচালনা কৰা তফজ্জুল আলীক অসমীয়া সাহিত্য-সংস্কৃতিলৈ আগবঢ়োৱা অৱদানৰ বাবে স্বীকৃতি স্বৰূপে ১৯৯৫ত অসম চৰকাৰে তেওঁক বিষ্ণু ৰাভা বঁটাৰে সন্মানিত কৰিছিল। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ পৰিচালনা সমিতিৰ সদস্য হোৱাৰ লগতে জ্যোতি চিত্ৰবন ফিল্মছ ছ'চাইটীৰ আজীৱন সভ্য তফজ্জুল আলী অসম নাট্য সন্মিলনৰ প্ৰতিষ্ঠাপক সম্পাদকৰূপেও কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁৰ সোঁৱৰণত বিয়লি ৪-৩০ বজাত আয়োজন কৰা এই অনুষ্ঠানত তফজ্জুল আলীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে শিল্পী সান্ত্বনা বৰুৱাই। তফজ্জুল আলীৰ স্মৃতি সোঁৱৰণ কৰি তেওঁ অত্যন্ত আবেগিক হৈ তেওঁৰ এটি গীত গায়। তাৰ পাছত ক্ৰমে প্ৰিয়াংশু ফুকন, অনন্যা বুঢ়াগোহাঁই, ভাৱনা গগৈ, চাইনা কাশ্যপ, সমীক্ষা শৰ্মা, মানস বুঢ়াগোহাঁয়ে তফজ্জুল আলীৰ গীতসমূহ পৰিৱেশন কৰে। আউনীআটী বিদ্যা নিকেতনত কৰ্মশালাত অংশগ্ৰহণ কৰি থকা ছাত্ৰ- ছাত্ৰীসকলেও অংশগ্ৰহণ কৰি অ' ৰদালী শীৰ্ষক গীতটি সমবেত ৰূপত পৰিৱেশন কৰে। তফজ্জুল আলী ৰচিত কবিতা আবৃত্তি কৰে ক্ৰমে ড° জিতুৰঞ্জন চেতিয়া আৰু নীলাভ নয়ন বৰদলৈয়ে। ৰুবী গগৈ সন্দিকৈৰ পৰিচালনাত দলীয় নৃত্য প্ৰদৰ্শন কৰে প্ৰজ্ঞা মঞ্জুৰী গগৈ, অদ্ৰিজা গগৈ, বৃষ্টিনিকা পাত্ৰই। তদুপৰি এই অনুষ্ঠানতেই তফজ্জুল আলীৰ দ্বাৰা ৰচিত কে'বাটাও সমবেত সংগীত পৰিৱেশন কৰা হয়। আজিৰ এই অনুষ্ঠানটো পৰিচালনা কৰে নীলাভ নয়ন বৰদলৈয়ে। এই অনুষ্ঠানৰ সংগীতৰ ব্যৱস্থাপনাত আছিল ভূৱন গগৈ আৰু নৃত্য পৰিচালনাত আছিল ৰুবী গগৈ সন্দিকৈ। উপস্থিত থাকে ক্ৰমে হিৰণ্য সেনাপতি, যতীন কোঁৱৰ, অশোক কুমাৰ দাস, ভূৱন মোহন গোস্বামী, ৰিণু বুঢ়াগোহাঞি, নন্দন ধৰ বৰুৱা, মোহন দাসকে ধৰি বহুসংখ্যক গণ্যমান্য ব্যক্তি।

# ঘগ্ৰাপাৰৰ কুন্দৰগাঁও-জাৱৰিহাটীত নেইডৰ বান সাহায্য বিতৰণ

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ৬ জুলাই ঃ** নৰ্থ-ইষ্ট চেণ্টাৰ ফৰ ইকুইটি ইণ্টাৰগ্ৰিটি ডেভেলপমেণ্ট চমুকৈ নেইডৰ উদ্যোগত কালি নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত কুন্দৰগাঁও-জাৱৰিহাটী, বৰজাৱৰিহাটী, এক নম্বৰ নিমুৱা গাঁৱত বান সাহায্য বিতৰণ কৰে। গুৱাহাটীৰ আগশাৰীৰ বেচৰকাৰী সংস্থা নেইডে ৰাজ্যখনৰ কে'বাখনো জিলাত বানাক্ৰান্তৰ মাজত বান সাহায্য বিতৰণ কৰাৰ লগতে ঘগ্ৰাপাৰৰ উল্লেখিত গাঁওকেইখনত বানত ক্ষতিগ্ৰস্ত হোৱা প্ৰায় ডেৰ শতাধিক পৰিয়ালত বান সাহায্য প্ৰদান কৰে। চাউল, চেনি, চিৰা, দাইল, আটা, বিস্কুট আদি নিত্য ব্যৱহাৰ্য সামগ্ৰী বান সাহায্য হিচাপে বিতৰণ কৰাৰ লগতে ফেনাইল, ব্লিচিং পাউদাৰ আদিও প্ৰদান কৰে। নেইডৰ বান সাহায্য কাৰ্যসূচী পৰিচালনাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়ায় ক্ৰমে হবিবৰ ৰহমান, পৰমেশ্বৰ বড়ো, চাইদুল ইছলাম আৰু ৰমেন দাসে। বানত ক্ষতিগ্ৰস্ত লোকৰ মাজত 'নেইড' নামৰ বেচৰকাৰী সংস্থাটোৱে এনেদৰে বান সাহায্য বিতৰণ কৰা কাৰ্যক স্থানীয় ৰাইজে প্ৰশংসা কৰিছে।

# ডবকাত নিশা ঘৰৰ পৰা নিৰুদ্দিষ্ট মহিলাৰ মৃতদেহ পুখুৰীত উদ্ধাৰ

অগ্ৰদূতবাৰ্তা

**যমুনামুখ, ৬ জুলাই ঃ** ডবকা আৰক্ষী থানাৰ অন্তৰ্গত চাংমাজি গাঁৱত কালি পুখুৰীত ওপঙি থকা অৱস্থাত এগৰাকী মহিলাৰ মৃতদেহ উদ্ধাৰ হয়। মৃত মহিলাগৰাকী গাঁওখনৰ কাচিক ৰংপীপী বুলি চিনাক্ত কৰা হৈছে। পৰিয়াল সূত্ৰই জনোৱা মতে, যোৱা নিশা মহিলাগৰাকী প্ৰস্ৰাৱ কৰিবলৈ বাহিৰলৈ ওলোৱাৰ পাছৰে পৰাই সন্ধানহীন হৈ আছিল। পৰিয়ালৰ লোকে নিশাই চাৰিওফালে বিচাৰ-খোছাৰ কৰিও কোনো সন্ধান লাভ কৰা নাছিল। আজি ঘৰৰ কাষতে থকা এটা পুখুৰীত উদ্ধাৰ হয় মহিলাগৰাকীৰ মৃতদেহ। কি পৰিস্থিতিত মহিলাগৰাকীৰ মৃত্যু হ'ল সেয়া এই পৰ্যন্ত পোহৰলৈ অহা নাই। পুৱা ঘটনাস্থলীত ডবকা আৰক্ষীয়ে উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

# ওদালগুৰি জিলাৰ বানপীড়িত কৃষকৰ বাবে সমূহীয়া কঠীয়াতলি আঁচনি



অগ্ৰদূত বাৰ্তা

**টংলা, ৬ জুলাই ঃ** সাম্প্ৰতিক বান পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত কৃষকসকলক সকাহ দিবলৈ অসম চৰকাৰৰ কৃষি বিভাগে গ্ৰহণ কৰিছে এখন অভিলাষী আঁচনি। ৰাষ্ট্ৰীয় কিষাণ বিকাশ যোজনা-২০২২-২৩ৰ অধীনত গ্ৰহণ কৰা হৈছে কমিউনিটী নাৰ্ছাৰী তথা সমূহীয়া কঠীয়াতলি আঁচনি। ওদালগুৰি জিলাৰ কৃষি বিভাগেও এই আঁচনিৰে বন্যাৰ্ত কৃষকসকলক সকাহ দিয়াৰ উদ্দেশ্যে সমূহীয়া কঠীয়াতলি আঁচনিৰ অধীনত জিলাখনৰ দলগাঁও কৃষি চক্ৰৰ অন্তৰ্গত পানীখাইটি, ভকতসাৰা, সুনীয়াগাঁও, বৰঝাৰ বাগিচা, মাজবাট কৃষি চক্ৰৰ অন্তৰ্গত হাতীবিল, শিয়ালমাৰী কছাৰী আৰু কলাইগাঁও কৃষি চক্ৰৰ অন্তৰ্গত ৰণখলী বাগিচা, নিজ কলাইগাঁও, চেঙাপথাৰ গাঁওকে ধৰি তিনিটা কৃষিভূমি চিনাক্ত কৰি বাহাদুৰ চাব-১ আৰু বিনাধান-১০ বীজ সিঁচাৰ বাবে জিলা কৃষি বিভাগে পথাৰ সাজু কৰি লৈছে। এই কঠীয়া প্ৰায় ৩০০ হেক্টৰ কৃষিভূমিত ৰোপণ কৰিব পৰা যাব আৰু ইয়াৰ দ্বাৰা প্ৰায় ৭৫০ জন বানপীড়িত কৃষক উপকৃত হ'ব লাগে বুলি আনুমানিকভাৱে জনাইছে ওদালগুৰি জিলা কৃষি বিষয়াই। লগতে জিলা কৃষি বিষয়াগৰাকীয়ে বানত ক্ষতিগ্ৰস্ত কৃষকসকলক এই কঠীয়া বিনামূলীয়াকৈ লাভ কৰিবলৈ জিলা কৃষি বিষয়া, মহকুমা কৃষি বিষয়া, কৃষি উন্নয়ন বিষয়া, কৃষি সম্প্ৰসাৰণ সহায়কৰ কাষ চাপিবলৈ ওদালগুৰি জিলা কৃষি বিষয়াই আহ্বান জনাইছে।

# কৃষি বিভাগৰ কঠীয়াতলি উদ্বোধন জিলা উপায়ুক্তৰ দলগাঁৱত

অগ্ৰদূত বাৰ্তা

**দলগাঁও, ৬ জুলাই ঃ** শস্য উৎপাদনত ৰাজ্যখনৰ ভিতৰতে লেখত ল'বলগীয়া দৰঙৰ দলগাঁৱত কালি কৃষি বিভাগে ৰূপায়ণ কৰা কঠিয়াতলি উদ্বোধন কৰে জিলা উপায়ুক্তই। সদ্য হৈ যোৱা বানপানীয়ে কৃষকসকলক ব্যাপকহাৰে জুৰুলা কৰি পেলাইছে। ৰোৱাৰ বাবে সাজু কৰা কঠিয়াতলি নষ্ট হৈছে। বানপানীত ক্ষতিগ্ৰস্ত হোৱা কৃষকক কিছু পৰিমাণে সকাহ দিয়াৰ লক্ষ্যৰে আৰকেভিৱাই আঁচনিৰ অধীনত আজি দলগাঁও বীজ পামত কৃষি বিভাগৰ উদ্যোগত ৩০ হেক্টৰ মাটি সমূহীয়া কঠীয়াতলিৰূপে উদ্বোধন কৰে দৰঙৰ জিলা উপায়ুক্ত প্ৰণৱ শৰ্মাই। এই কঠীয়াপাৰা কাৰ্যসূচীত উপস্থিত থাকে জিলা কৃষি বিষয়া জোতিষ নাথ আৰু স্থানীয় বিধায়কৰ প্ৰতিনিধিৰূপে সমাজকৰ্মী মইনুদ্দিন আহমেদ। উল্লেখ্য যে প্ৰতি বছৰে এইদৰে চৰকাৰী ৰাজহ ব্যয় কৰি কৃষকসকলৰ মংগলৰ বাবে কঠিয়াতলি সাজু কৰে যদিও সময় মতে কৃষকক কঠীয়া যোগান ধৰিব নোৱাৰাত চৰকাৰী ধন খৰচ হয় ঠিকেই কিন্তু উক্ত আঁচনিখন ব্যৰ্থ হৈ আহিছে। আনকি যোৱা বৰ্ষত অসময়ত কঠীয়া যোগান ধৰা বাবে কৃষকসকলে কঠীয়া লোৱাই নাছিলে বুলি একাংশ কৃষকে জানিবলৈ দিছে । এই বৰ্ষত যাতে সময় মতে কঠীয়া যোগান ধৰা হয় তাৰ প্ৰতি নজৰ দিবলৈ কৃষকসকলে জিলা উপায়ুক্তক দাবী জনাইছে ।

**■ বাগ্‌সাত মৰ্মান্তিক ঘটনা**

# ককাকৰ পিণ্ড দান দিবলৈ আহি বেঁকী নৈত সন্ধানহীন কিশোৰ

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ৬ জুলাই ঃ** বাগ্‌সাৰ শালবাৰী মহকুমাৰ খাৰিজা বিজনীৰ ওদালগুৰি গাঁৱত কালি এক মৰ্মান্তিক ঘটনা সংঘটিত হয়। মৃত ককাকৰ বছৰেকীয়া পিণ্ড দান দিবলৈ আহি নৈৰ সোঁতত উটি গৈ সন্ধানহীন হয় এজন কিশোৰ। বাগ্‌সাৰ লাৱদাংগুৰী উপ-আৰক্ষী চকীৰ অন্তৰ্গত ওদালগুৰিৰ বেঁকী নৈত সন্ধানহীন হোৱা কিশোৰজনৰ নাম মুকেশ শৰ্মা (১৬)। মৃত ককাকৰ বছৰেকীয়া পিণ্ড দান কাৰ্যসূচীৰ বাবে আত্মীয়ৰ স'তে বেঁকী নৈৰ পাৰলৈ আহিছিল মুকেশ। নৈত গা ধুবলৈ নমাৰ পাছতেই প্ৰৱল সোঁতে উটুৱাই লৈ যায় কিশোৰজনক। তাৰ পাছতেই হুৱাদুৱা লাগে অঞ্চলটোত। ইফালে এই খবৰ লাভ কৰি স্থানীয় লাৱদাংগুৰী আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মুছলপুৰ আৰু বৰপেটাৰ পৰা অহা এছডিআৰএফৰ সহযোগত উদ্ধাৰ অভিযান আৰম্ভ কৰে যদিও সন্ধিয়াৰ ভাগলৈ কিশোৰজনৰ কোনো সন্ধান উলিয়াবলৈ সক্ষম নহ'ল। আজি পুৱাৰ ভাগত বেঁকী নৈত পুনৰ নিৰুদ্দিষ্ট কিশোৰজনৰ সন্ধানৰ বাবে এছডিআৰএফে অভিযান চলাইছে।

# পলাশবাৰীস্থিত চেণ্টপ্লাই উদ্যোগত বৃক্ষৰোপণ আঁচনিৰ আৰম্ভ




অগ্ৰদূত বাৰ্তা

**পলাশবাৰী, ৬ জুলাই ঃ** দক্ষিণ কামৰূপৰ উদ্যোগীক অঞ্চল পলাশবাৰীস্থিত চেণ্টপ্লাই উদ্যোগে কালি এক বৃক্ষৰোপণ তথা গছপুলি বিতৰণ আঁচনি ৰূপায়ণ কৰে। এই উপলক্ষে অনুষ্ঠিত সভাত মুখ্য অতিথি তথা বিশিষ্ট সমাজকৰ্মী নাৰায়ণ চৌধুৰীয়ে বৃক্ষৰোপণ কাৰ্যসূচী তথা আঁচনিৰ আৰম্ভ কৰি এটি কদম গছৰ পুলি ৰোপণ কৰে। চৌধুৰীয়ে গছ থাকিলেহে মানুহ থাকিব, এই বৃক্ষৰোপণ কাৰ্যসূচী মহান বুলি কৈ গছপুলি সকলোকে ৰুবলৈ আহ্বান জনায়। চেণ্টপ্লাই উদ্যোগে গ্ৰহণ কৰা গছপুলি ৰোপণ আৰু বিতৰণ আঁচনিক আদৰণীয় পদক্ষেপ বুলি কয়। লগতে আমাৰ অঞ্চলৰ বহুত মাটি এনেই আছে তাত চেণ্টপ্লাই উদ্যোগৰ বৃক্ষৰোপণ আঁচনি গ্ৰহণ কৰিবলৈ আহ্বান জনায় সমাজকৰ্মী চৌধুৰীয়ে। অনুষ্ঠানত চেণ্টপ্লাই উদ্যোগৰ মুখ্য কাৰ্যবাহী সঞ্চালক যোগেশ কুমাৰ চৌধুৰীয়ে বৃক্ষৰোপণ কাৰ্যসূচীৰ অংশ হিচাপে এটি গছপুলি বিতৰণৰ বৃহৎ প্ৰকল্প হাতত লোৱা হৈছে। এই বৃহৎ প্ৰকল্প হিচাপে কদম গছ বাছনি কৰি প্ৰাকৃতিক পৰিৱেশৰ ভাৰসাম্য বজাই ৰখাৰ বাবে এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে বুলি কয়। এই আঁচনি গ্ৰহণ কৰি কদম গছ অঞ্চলটোৰ লোকসকলে নিজা মাটিত ৰোপণ কৰিবৰ বাবে চেণ্টপ্লাই উদ্যোগৰ লগত এখন চুক্তি সম্পাদন কৰিব লাগিব। লগতে গছডাল ডাঙৰ হোৱাৰ পাছত চেণ্টপ্লাই উদ্যোগে উচিত মূল্য দি ক্ৰয় কৰিব। চুক্তি সম্পাদন নকৰিলেও অতি কম মূল্যত কদম গছৰ পুলি উদ্যোগটোৰ পৰা ক্ৰয় কৰিব পাৰিব। ইয়াৰ জৰিয়তে অঞ্চলটোত সেউজীকৰণৰ লগতে স্বাৱলম্বী নিদৰ্শন দাঙি ধৰিব বুলি কয়। লগতে পলাশবাৰীৰ পৰা মিৰ্জালৈ নতুনকৈ নিৰ্মাণ হোৱা পথছোৱাত গছপুলি ৰোপণ কৰিব বুলি ভাষণ প্ৰসংগত উল্লেখ কৰে চেণ্টপ্লাই উদ্যোগৰ মুখ্য কাৰ্যবাহী সঞ্চালকজনে।

# কল্পজ্যোতি ফাউণ্ডেছনৰ বান-ভূমিস্খলনৰ ভুক্তভোগীক সাহায্য প্ৰদান

অগ্ৰদূত বাৰ্তা

**দোতমা, ৬ জুলাই ঃ** বানপানীৰ ফলত অসমৰ মানুহৰ দৈনন্দিন জীৱন যাপন বন্ধ হৈ পৰিছে। বানপানীৰ ফলত ৩২ খন জিলাৰ ৫২ লাখৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। বানপানী অসমৰ বাবে এক যুগ যুগ ধৰি চলি অহা সমস্যা আৰু স্বাধীনতাৰ পাছৰে পৰা ৰাজনীতিবিদৰ পৰা কেৱল ভুৱা প্ৰতিশ্ৰুতি লাভ কৰা জনসাধাৰণে এই সমস্যাৰ স্থায়ী সমাধানৰ বাবে আগ্ৰহেৰে অপেক্ষা কৰি আছে। হেজাৰ হেজাৰ লোকে ঘৰ এৰি আশ্ৰয় শিবিৰত থাকিবলৈ বাধ্য হৈছে। খাদ্য, খোৱাপানী আৰু ঔষধৰ বাবে মানুহে সংগ্ৰাম কৰি আছে। অসমৰ আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত জিলা কাছাৰ আৰু নগাঁও। কল্পজ্যোতি ফাউণ্ডেছন হৈছে এনআইটি শিলচৰৰ ২২ বছৰীয়া অভিযান্ত্ৰিক ছাত্ৰ ধুবুৰীৰ শয়ন সাহা, সুৱদীপ সৌ আৰু দিবাকৰ ৰায়ক সহকাৰী প্ৰতিষ্ঠাপক হিচাপে লৈ প্ৰতিষ্ঠা কৰা এটা ছাত্ৰ পৰিচালিত যুৱ স্বেচ্ছাসেৱী আন্তঃৰাষ্ট্ৰীয় অলাভজনক সংস্থা। কে'বাখনো জিলাৰ কল্পজ্যোতি ফাউণ্ডেছনৰ স্বেচ্ছাসেৱকসকলে বানাক্ৰান্ত ৰাইজলৈ খাদ্য, পানী আৰু অন্যান্য মৌলিক সামগ্ৰীসমূহ যোগান ধৰিছে। কল্পজ্যোতি ফাউণ্ডেছনে ধুবুৰী আৰু গোৱালপাৰাৰ সীমান্তত বসবাস কৰা লোকসকলক সহায়ৰ হাত আগবঢ়াইছে। যিসকলে বানপানীৰ পাছত হোৱা ভূমিস্খলনত ঘৰ-দুৱাৰ হেৰুৱাই পেলাইছিল। শিলচৰতো কল্পজ্যোতি ফাউণ্ডেছনৰ স্বেচ্ছাসেৱকসকলে সেৱা আগবঢ়াই আছে। শিলচৰ হৈছে অসমৰ শৈক্ষিক কেন্দ্ৰ যি এতিয়া ব্যাপক বানপানীৰ বাবে পানীৰ তলত।



# নিতাইপুখুৰীত সদৌ টাই আহোম ছাত্ৰ সংস্থাৰ কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**ডিমৌ, ৬ জুলাই ঃ** সদৌ টাই আহোম ছাত্ৰ সংস্থাৰ শিৱসাগৰ জিলাৰ নিতাইপুখুৰী আঞ্চলিক সমিতিৰ উদ্যোগত আৰু স্বেচ্ছাসেৱী সংস্থা দিহিঙৰ সহযোগত আজি শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয়, নিতাইপুখুৰীত সদ্য ঘোষিত হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ নিতাই পানীদিহিং অঞ্চলৰ ৩৬ গৰাকী কীৰ্তিমানক সম্বৰ্ধনা জনোৱা হয়। এই উপলক্ষে বিশিষ্ট শিক্ষাবিদ তথা শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয়ৰ প্ৰধান শিক্ষক বিপিন দত্তৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে আটাছুৰ নিতাইপুখুৰী আঞ্চলিকৰ মুখ্য উপদেষ্টা সুনিত ফুলকোঁৱৰে। সভাত বিশিষ্ট অতিথিৰূপে বকতা হলগুৰি জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক গোপাল গগৈ, আটাছুৰ শিৱসাগৰ মহকুমাৰ সম্পাদক সুমিত কুমাৰ সন্দিকৈ, সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ ৰজাবাৰী সমষ্টিৰ সদস্য যাদৱ ডেকাবৰুৱা, গোহাঁইবাৰী এম ই স্কুলৰ সহকাৰী শিক্ষক জয়ন্ত হাজৰিকা, বিশিষ্ট ব্যৱসায়ী গুণীন কোঁৱৰ তথা সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত নৱম স্থান লাভ কৰা জ্যোতিৰ্ময় দত্তৰ মাতৃ স্মিতা দত্ত উপস্থিত থাকে। আনহাতে, সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৰাজ্যৰ ভিতৰতে নৱম স্থান অধিকাৰ কৰা জ্যোতিৰ্ময় দত্ত, পানীদিহিং ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ পৰা উচ্চতৰ মাধ্যমিক পৰীক্ষাত ষ্টাৰমাৰ্ক লাভ কৰা ৰাহুল ছেত্ৰীসহ হাইস্কুল-উচ্চতৰ মাধ্যমিক পৰীক্ষাত নিতাই পানীদিহিং অঞ্চলৰ বিভিন্ন শিক্ষানুষ্ঠানৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ ৩৬ গৰাকী ছাত্ৰ-ছাত্ৰীক এখন গ্ৰন্থ, একোটা গছপুলি আৰু একোখন সম্বৰ্ধনা পত্ৰ প্ৰদান কৰা হয়। ইফালে, সম্বৰ্ধনা সভাত আটাছুৰ নিতাইপুখুৰী আঞ্চলিকৰ সভাপতি সুৰঞ্জন কোঁৱৰ, সম্পাদক মানসজ্যোতি বুঢ়াগোঁহাই, দিহিং স্বেচ্ছাসেৱী সংস্থাৰ সভাপতি দীপক বড়াকে ধৰি আটাছুৰ ভালেসংখ্যক নেতা উপস্থিত থাকে।

# বিলাসীপাৰা শংকৰদেৱ শিশু বিদ্যা নিকেতনত আচাৰ্য প্ৰশিক্ষণ শিবিৰ উদ্বোধন

**বিশেষ সংবাদদাতা**

**বিলাসীপাৰা, ৬ জুলাই ঃ** বিদ্যাভাৰতীৰ নামনি অসমৰ আচাৰ্যসকলৰ এক প্ৰশিক্ষণ শিবিৰ আজিৰে পৰা বিলাসীপাৰা শংকৰদেৱ শিশু আৰু বিদ্যা নিকেতনত আৰম্ভ হয়। আজি বন্তি প্ৰজ্বলনেৰে শিবিৰৰ আৰম্ভ কৰে বিলাসীপাৰা মহাবিদ্যালয়ৰ অধ্যাপক অনিল শৰ্মাই। শিক্ষণ কাৰ্যসূচী উদ্বোধন কৰে বিদ্যা ভাৰতীৰ উত্তৰ-পূব ভাৰতৰ সাংগঠনিক সচিব ড° পৱন তিৱাৰীয়ে। ভাষণ প্ৰসংগত সচিবগৰাকীয়ে কয় যে ভাৰতৰ শিক্ষাত যাতে ভাৰত প্ৰতিফলিত হয় তাৰ বাবে বিদ্যা ভাৰতীয়ে অহোপুৰুষাৰ্থ কৰি আহিছে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি বিলাসীপাৰা মহকুমাৰ মহকুমাধিপতি জয় শিৱাণীয়ে কয় যে সমাজ এখন গঢ়াত শিক্ষকৰ অৱদান অপৰিসীম। বিদ্যা ভাৰতীৰ অসম প্ৰান্ত প্ৰচাৰক প্ৰকাশ চক্ৰৱৰ্তীয়ে আঁত ধৰা অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ক্ৰমে মহানন্দ দাস, ভাস্কৰ দাস, তনুজা কলিতা, জীৱন বৰা, দেৱদাস সিন্‌হা, অৰণ্য সুৰক্ষা সমিতি অসমৰ সচিব প্ৰধান তথা বিলাসীপাৰা মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড° হৰিচৰণ দাস প্ৰমুখ্যে কে'বাগৰাকীও সমল ব্যক্তি। বিলাসীপাৰা শংকৰদেৱ শিশু আৰু বিদ্যা নিকেতনৰ প্ৰধান আচাৰ্য শিৱাজী কৰ্মকাৰ নিকেতনখনৰ উচ্চতৰ মাধ্যমিক শাখাৰ অধ্যক্ষ বিশ্বজিৎ গোস্বামী, সহকাৰী প্ৰধান আচাৰ্যা সঞ্চিতা সেনডেকাৰ পৰিচালনাত এই প্ৰশিক্ষণ ১৫দিন ধৰি অনুষ্ঠিত হ'ব। প্ৰশিক্ষণত নামনি অসমৰ দুশগৰাকী আচাৰ্যই অংশগ্ৰহণ কৰে।

# দুখীয়া মেধাৱী ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নৰ দায়িত্ব ল'ব মহাবিদ্যালয় কৰ্তৃপক্ষই



**ছয়গাঁও, ৬ জুলাই ঃ** ৰাজ্যৰ অন্যতম অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান ছয়গাঁও মহাবিদ্যালয়ৰ ভিতৰত সদ্যঘোষিত উচ্চতৰ মাধ্যমিক কলা শাখাৰ চূড়ান্ত পৰীক্ষাত সৰ্বোচ্চ নম্বৰ প্ৰাপ্ত অতি দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰ আকাশ কলিতাৰ বাসগৃহত কালি মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৱ কুমাৰ কলিতা উপস্থিত হৈ ছাত্ৰজনৰ স্নাতক পৰ্যায়ৰ অধ্যয়নৰ দায়িত্ব মহাবিদ্যালয় কৰ্তৃপক্ষই গ্ৰহণ কৰাৰ কথা ঘোষণা কৰে। অধ্যক্ষজনে আটাইকেইটা বিষয়ত লেটাৰসহ ৮৮ শতাংশ নম্বৰ লাভ কৰা ছাত্ৰজনক ফুলাম গামোচাৰে সম্বৰ্ধনাও জনায়। এই উদ্দেশ্যে কালি বিয়লি অধ্যক্ষগৰাকীৰ লগতে উপাধ্যক্ষ কমল ঠাকুৰীয়া, আভ্যন্তৰীণ মান প্ৰত্যয়ন কোষৰ সমন্বয়ক ড° বনমালী নাথ, অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ১৩ পৃষ্ঠাত চাওক

### ■ দৰিদ্ৰ কৃতী ছাত্ৰৰ ঘৰত উপস্থিত হৈ ছয়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষৰ ঘোষণা

# চাৰিদুৱাৰত বন্যহস্তীয়ে ভাঙিলে বাসগৃহ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ৬ জুলাই ঃ** শোণিতপুৰৰ চাৰিদুৱাৰত বনৰীয়া হাতীয়ে জনাঞ্চলত প্ৰৱেশ কৰি মানুহক আক্ৰমণ কৰা তথা বাসগৃহ আৰু দোকান-পোহাৰ ধ্বংস কৰাটো এক নিয়মীয়া ঘটনাত পৰিণত হৈছে। বনাঞ্চলৰ সংকোচন আৰু বনাঞ্চলৰ ওচৰে-পাঁজৰে শিল-বালিৰ ব্যাপকভাৱে অবৈধ খনন আদিয়ে প্ৰকৃতিক পৰিৱেশ বিনষ্ট কৰা শোণিতপুৰৰ চাৰিদুৱাৰত সম্প্ৰতি বন্যহস্তীৰ জাকে পূৰ্বৰ শীতকালৰ বিপৰীতে বাৰিষা কালতো উপদ্ৰৱ চলাই যোৱাত ৰাইজ সন্ত্ৰস্ত হৈ পৰিছে। যোৱা নিশা প্ৰায় আঢ়ৈ বজাত চাৰিদুৱাৰৰ গামানীত বন্যহস্তীৰ এটা জাকে প্ৰৱেশ কৰে আৰু অঞ্চলটোৰ অৰুণ গগৈ নামৰ লোকজনৰ পকী বাসগৃহ ভাঙি লণ্ডভণ্ড কৰে। উল্লেখ্য যে বাসগৃহটোৰ এটা কোঠালিত থকা ধান ভক্ষণ কৰিবলৈ হাতীৰ জাকটোৱে ঘৰটোৰ পকী বেৰ ভাঙি পেলায়। এই ঘটনাত আতংকিত হৈ পৰা পৰিয়ালটোৰ সদস্যসকলৰ কথমপি প্ৰাণ ৰক্ষা পৰে। প্ৰকৃততে অৰণ্যৰ ভিতৰত খাদ্যৰ অভাৱ আৰু এই বৃহত্তৰ অঞ্চলত থকা বনভূমিৰ বৃহৎ অংশ কেতিয়াবাই নোহোৱা হোৱাৰ পাছৰে পৰাই বন্যহস্তীৰ বিলৈ নোহোৱা অৱস্থাৰ উদ্ভৱ হৈছে আৰু পৰিণতিত কাষৰীয়া অঞ্চলৰ সাধাৰণ ৰাইজেও বন্যহস্তীৰ ক্ৰমবৰ্ধমান উপদ্ৰৱৰ সন্মুখীন হৈছে। সম্প্ৰতি অসম-অৰুণাচল সীমান্তৱৰ্তী এই অঞ্চলৰ মাজৰে ডাম্পাৰসমূহত প্ৰকাণ্ড আকৃতিৰ শিলাখণ্ড ভাঙি বাধাহীনভাৱে সৰবৰাহ হৈ থকা বিষয়লৈ আঙুলিয়াই দি স্থানীয় লোকে এই শিল ক'ৰ পৰা এনেদৰে কঢ়িয়াই থকা হৈছে সেয়া অজ্ঞাত বুলি প্ৰকাশ কৰি কয় যে এনে শিল দৈনিক চাৰিদুৱাৰ আৰক্ষী থানা আৰু চাৰিদুৱাৰ বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ সন্মুখেৰেই ৰহস্যজনকভাৱে অবাধে সৰবৰাহ হৈ আছে। এনে ঘটনাই প্ৰাকৃতিক পৰিৱেশ বিনস্ত কৰা বুলিও ৰাইজে উল্লেখ কৰে। উল্লেখযোগ্য যে শোণিতপুৰৰ নামেৰী ৰাষ্ট্ৰীয় উদ্যান আৰু সোণাই ৰূপাই অভয়াৰণ্যৰ বাচি থকা অংশই বন্যহস্তীৰ প্ৰাকৃতিক বিচৰণ স্থল আৰু বালিপৰা সংৰক্ষিত বনাঞ্চলৰ এক অংশ যাতায়াতৰ বাবে বন্যহস্তীয়ে ব্যৱহাৰ কৰি আহিছে। এনে অৱস্থাত এই অঞ্চলসমূহৰ আশে পাশে অব্যাহত হাতী মানুহৰ এই সংঘাতে উভয় পক্ষকে অতি বিপদত পেলাইছে। ইপিনে, এই সপ্তাহতে চাৰিদুৱাৰত এজন ৬৫বছৰীয়া লোকক হত্যা কৰা আঘাতপ্ৰাপ্ত বন্যহস্তীটোৱে এই দুদিন জনাঞ্চলত প্ৰৱেশ কৰা নাই যদিও হাতীটোক লৈ স্থানীয় লোকৰ মাজত শংকা অব্যাহত আছে।



# স্নেহ স্পৰ্শ 'কথা পাতো আহা' কাৰ্যসূচী আৰম্ভ

**অগ্ৰদূত বাৰ্তা**

**লাহদৈগড়, ৬ জুলাই ঃ** যোৰহাট জিলাৰ বিভিন্ন ক্ষেত্ৰত গুৰুত্বপূৰ্ণ চৰকাৰী দায়িত্ব পালন কৰি অৱসৰ গ্ৰহণ কৰা বিদ্বান লোকসকলৰ দ্বাৰা গঠিত স্বেচ্ছাসেৱী সংগঠন 'স্নেহ স্পৰ্শ' ই আৰ্তজনক সহায়ৰ হাত আগবঢ়াই আহিছে। চলিত বৰ্ষত স্নেহ স্পৰ্শ ই 'কথা পাতো আহা' শীৰ্ষক এক আঁচনিৰ যোগেদি শিশু, ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশ আৰু দক্ষতা বিকাশৰ এক প্ৰচেষ্টা চলাইছে। স্নেহ স্পৰ্শৰ সচিব মাধুৰ্য শইকীয়াই যোৰহাট জিলাৰ বিদ্যালয়সমূহৰ পৰা 'কথা পাতো আহা' এই আঁচনিখন ৰূপায়ণ কৰিবলৈ সহযোগিতা কামনা কৰিছে। ইচ্ছুক বিদ্যালয়সমূহে ৯৮৫৪৮৩৫৩৬৪ নম্বৰত যোগাযোগ কৰিবলৈ স্নেহ স্পৰ্শৰ সচিব মাধুৰ্য শইকীয়াই আহ্বান জনাইছে।

# বাগ্‌সাৰ গোৰৰ্ধনাত পথ দুৰ্ঘটনাত আহত স্কুটী আৰোহী

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ৬ জুলাই ঃ** বাগ্‌সাৰ গোৰৰ্ধনাত কালি সন্ধিয়া সংঘটিত হোৱা এক পথ দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হয় এগৰাকী স্কুটী আৰোহী। দ্ৰুতবেগী এখন স্কুটীয়ে নিয়ন্ত্ৰণ হেৰুৱাই ৰাস্তাৰ দাঁতিত থকা বিদ্যুতৰ খুঁটাত খুন্দা মৰাৰ ফলতেই সংঘটিত হয় দুৰ্ঘটনাটো। গুৰুতৰভাৱে আহত স্কুটী আৰোহীগৰাকীক স্থানীয় ৰাইজ আৰু আৰক্ষীৰ দ্বাৰা এম্বুলেঞ্চৰ জৰিয়তে চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। ইফালে, দুৰ্ঘটনাগ্ৰস্ত-২৮০৭৬৬ নম্বৰৰ স্কুটীখন আৰক্ষীয়ে উদ্ধাৰ কৰিছে। স্কুটী আৰোহীগৰাকী শালবাৰীৰ জ্ঞাতি গাঁৱৰ চানচুমা বড়ো (২৫)ৰ বুলি জানিব পৰা গৈছে।



নলবাৰীত গ্ৰাম প্ৰধানসকলৰ মাজত কৃষিৰ সজাগতা সভা, বুধবাৰে।

# বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ মৰিয়নি আঞ্চলিক সমিতিৰ বাৰ্ষিক সভা

### ■ গিবন অভয়াৰণ্যত কল পুলি ৰোপণৰ পৰিকল্পনা

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ৬ জুলাই ঃ** বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ মৰিয়নি আঞ্চলিক সমিতিৰ বাৰ্ষিক সভা আজি মৰিয়নিৰ লোকনাথ ভৱনত অনুষ্ঠিত হয়। বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ তিতাবৰ মহকুমা সমিতিৰ উপদেষ্টা তথা সাংবাদিক ইউচুফ আলীৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে সভাপতি ধনজ্যোতি বৰাই। বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ মৰিয়নি আঞ্চলিক সমিতিৰ কাৰ্যকাল এবছৰ পূৰ্ণ হোৱাৰ লগতে পৰৱৰ্তী সময়ত সমিতিয়ে কৰিব লগা বিভিন্ন কাম-কাজৰ পৰ্যালোচনা আৰু কৰ্মসূচী প্ৰস্তুত কৰাৰ উদ্দেশ্যেৰেই সভাখন অনুষ্ঠিত কৰা বুলি উদ্দেশ্য ব্যাখ্যাত সমিতিৰ সভাপতি ধনজ্যোতি বৰাই উল্লেখ কৰে। সভাখনত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি লাটুমণি দাস আৰু যোৰহাট জিলাৰ সচিব ত্ৰিনয়ন দাসে বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ লক্ষ্য আৰু উদ্দেশ্যৰ লগতে সতীৰ্থসকলক উৎসাহ দিয়াৰ উদ্দেশ্যেৰে বহুমূলীয়া বক্তব্য প্ৰদান কৰে। সভাত আগন্তুক দিনৰ বহুকেইটা কৰ্মসূচী প্ৰস্তুত কৰা হয়। বিশেষকৈ খোৱা পানী আৰু বিদ্যুতৰ সমস্যা সমাধানৰ ওপৰত মঞ্চই নিজাববীয়াকৈ কিছু কাম কৰাৰ সন্দৰ্ভত আলোচনা কৰি কাৰ্যব্যৱস্থা গ্ৰহণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। আনহাতে, আজিৰ সভাই জৰুৰীভাৱে মৰিয়নিত এটা কাৰ্যালয় খোলাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰাৰ সিদ্ধান্তও লয়। ইফালে, হাতী আৰু মানুহৰ সংঘাত সম্প্ৰতি তিতাবৰ মহকুমাৰ এক জ্বলন্ত সমস্যাৰূপে পৰিগণিত হৈ উঠাত এই সমস্যা সমাধানৰ ক্ষেত্ৰত হোলোঙাপাৰ গিবন অভয়াৰণ্যত কল পুলি ৰোপণ কৰাৰ এক আঁচনি প্ৰস্তুত কৰি সংশ্লিষ্ট কৰ্তৃপক্ষৰ লগত আলোচনাৰ মাধ্যমৰে ৰূপায়ণ কৰাৰ সন্দৰ্ভতো এক সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাখনত যুৱ মঞ্চৰ তিতাবৰ মহকুমা সমিতিৰ সভাপতি উজ্জ্বল শইকীয়া, কেন্দ্ৰীয় প্ৰচাৰ সচিব ৰাহুল গগৈও উপস্থিত থাকি বক্তব্য প্ৰদান কৰে। আনহাতে, সভাপতি ইউচুফ আলীয়ে নিষ্ঠা আৰু সততাৰে সমাজৰ কাম কৰাৰ উদ্দেশ্যে আগবাঢ়ি আহিবলৈ প্ৰতিজন সদস্যৰ প্ৰতি আহ্বান জনোৱাৰ লগতে সকলোৰে সহযোগিতা কামনা কৰে।

# নইমচত পৰ্যটন কৰ্মশালা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ৬ জুলাই ঃ** নেইমচত পাঁচ জুলাইত পৰ্যটন কৰ্মশালা অনুষ্ঠিত হয়। গছপুলি ৰোপণেৰে কাৰ্যসূচীৰ আৰম্ভ কৰে যাদৱ পায়েঙে। যোৰহাট আৰু গুৱাহাটীৰ ভালেসংখ্যক প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা কৰ্মশালা নেইমচৰ সঞ্চালক অঞ্জন প্ৰতীম গগৈয়ে আৰম্ভ কৰে। ৰুবুল মাইবেলাই আঁত ধৰা কৰ্মশালাত সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰে প্ৰাগজ্যোতিষ কলেজৰ বৰ্ণালী মহন্ত, আউনীআটী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ জ্যোতি প্ৰসাদ ওজা, যোৰহাটৰ সীমা ৰেখা বৰাই। প্ৰশিক্ষাৰ্থীসকলক একোখনকৈ মানপত্ৰ প্ৰদান কৰা হয়। ইপিনে, বৰখঙীয়াত বৰগীতৰ কৰ্মশালা বৰখঙীয়া গাঁৱত ১০-১৭ জুলাইলৈ অনুষ্ঠিত হ'ব বৰগীতৰ কৰ্মশালা। অনুজ সাহিত্য সংস্কৃতি গোষ্ঠীৰ উদ্যোগত দিনৰ ১০-১২ বজালৈ কাৰ্যালয়তে হ'বলগীয়া কৰ্মশালাত আগ্ৰহীসকলৰ উপস্থিতি উদ্যোক্তাসকলে কামনা কৰিছে।

# দৰঙত বানাক্ৰান্তৰ মাজত পথৰু সমন্বয় গোষ্ঠী-গ্ল'বেল হাস্পতাল অৱ ছাৰ্জাৰীৰ খাদ্য-সামগ্ৰী বিতৰণ



**অগ্ৰদূত বাৰ্তা**

**ছিপাঝাৰ, ৬ জুলাই ঃ** দৰঙৰ সামাজিক সাংস্কৃতিক আৰু মননশীল অনুষ্ঠান পথৰু সমন্বয় গোষ্ঠী, পথৰুঘাট আৰু অসমৰ এখন আগশাৰীৰ ব্যক্তিগত খণ্ডৰ চিকিৎসা প্ৰতিষ্ঠান গ্ল'বেল হাস্পতাল অৱ ছাৰ্জাৰী হাতীগাঁও, গুৱাহাটীৰ তৰফৰ পৰা কালি ৰঙামাটি মথাউৰিত শিবিৰ পাতি আশ্ৰয় লৈ থকা বানাক্ৰান্ত পৰিয়ালক খাদ্য-সামগ্ৰী প্ৰদান কৰে। পথৰু সমন্বয় গোষ্ঠী, পথৰুঘাটৰ সম্পাদক মোস্তাক হুছেইনৰ নেতৃত্বত যোৱা ১০ জনীয়া সদস্যৰ দলটিয়ে প্ৰায় তিনি শতাধিক পৰিয়ালৰ মাজত খাদ্য-সামগ্ৰী বিতৰণ কৰে। উল্লেখ্য যে ৰঙামাটি মথাউৰিত আশ্ৰয় লৈ থকা বনাক্ৰান্তৰ মাজত খাদ্য-সামগ্ৰী বিতৰণৰ প্ৰাক্ মুহূৰ্তত গ্ল'বেল হাস্পতাল অৱ ছাৰ্জাৰীৰ পৰিয়ালৰ তৰফৰ পৰা পদ্মশ্ৰী ডাঃ ইলিয়াছ আলীয়ে ফোনযোগে উপস্থিত ৰাইজক সম্বোধন কৰি বানাক্ৰান্তৰ দুখৰ সমভাগী হোৱাৰ লগতে পথৰু সমন্বয় গোষ্ঠী, পথৰুঘাটৰ জৰিয়তে প্ৰদান কৰা খাদ্য-সামগ্ৰীখিনি আন্তৰিকতাৰেই গ্ৰহণ কৰিবলৈ আহ্বান জনায়। ডাঃ আলীয়ে বানাক্ৰান্ত ৰাইজক অনাগত দিনতো ৰাইজৰ মাজত থকাৰ লগতে প্ৰয়োজনীয় খাদ্য সামগ্ৰী আৰু সহযোগ কৰাৰ আশ্বাস প্ৰদান কৰে। উল্লেখ্য যে ডাঃ আলীয়ে বানপানী যোৱাৰ পাছত স্বাস্থ্য সম্পৰ্কীয় যতন লোৱাত সাৱধানতা অৱলম্বন কৰাৰ কথা উল্লেখ কৰে লগতে প্ৰয়োজনত স্থানীয় চিকিৎসালয়ত গৈ চিকিৎসকৰ পৰামৰ্শ লৈ স্বাস্থ্যৰ যতন ল'বলৈ আহ্বান জনায়।

# বিদ্যালয় একত্ৰীকৰণক লৈ মধ্য যোৰহাটত ৰাইজে কৰিছে প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**

**লাহদৈগড়, ৬ জুলাই ঃ** মধ্য যোৰহাট শিক্ষা খণ্ডৰ অধীনস্থ মুদৈজান ভৰলুৱা গাঁৱৰ শ্ৰীমন্ত শংকৰদেৱ বিদ্যাপীঠ নামৰ বিদ্যালয়খন দাঁতিকাষৰীয়া মহেশ্বৰ বৰকটকী বিদ্যালয়ৰ লগত একত্ৰীকৰণ কৰা চৰকাৰৰ সিদ্ধান্তৰ বিৰুদ্ধে মুদৈজান ভৰলুৱা গাঁৱৰ ৰাইজ তথা বিদ্যালয়ৰ অভিভাৱকসকলে প্ৰতিবাদ সাব্যস্ত কৰিছে। ৰাইজে জনাইছে যে কোনো কাৰণতে বিদ্যালয়খন স্থানান্তৰ কৰিবলৈ দিয়া নহ'ব। কিয়নো বাট পথৰ দুৰৱস্থা তথা তিনি-চাৰি কিলোমিটাৰ বাট কণ কণ ছাত্ৰ-ছাত্ৰীসকলক লৈ যোৱাত যথেষ্ট অসুবিধা হ'ব লগতে এনে কৰিলে বিদ্যালয়ৰ গুণ গৰিমাসমূহ নাইকিয়া হৈ যাব। ইপিনে, বিদ্যালয়খনত ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক নিযুক্তি দিবলৈ চৰকাৰক ৰাইজে বাৰম্বাৰ দাবী জনাই অহাৰ পাছতো বিভাগীয় কৰ্তৃপক্ষই কোনো কাণসাৰ নিদিয়াত বহুতো ছাত্ৰ-ছাত্ৰীসকলক অভিভাৱকসকলে অনান্য বিদ্যালয়লৈ লৈ যাব লগা পৰিস্থিতিৰ সৃষ্টি হৈছিল। সেয়ে বৰ্তমান ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কিছু কমিছে যদিও শিক্ষক নিযুক্তি দি বিদ্যালয়খন উক্ত স্থানতে চলাই নিলে পূৰ্বৰ গুণ গৰিমা অটুট থাকিব বুলি ৰাইজে বিশ্বাস ৰাখি এই ক্ষেত্ৰত পুনৰ চৰকাৰক এক বিবেচনা কৰিবলৈ আহ্বান জনাইছে।

# পানী যোগান আঁচনিৰ পৰিচালনা সমিতিৰে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ পৰ্যালোচনা

**অগদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ৬ জুলাই ঃ** 'জল জীৱন মিছন' আঁচনিৰ অধীনত বিশ্বনাথ জিলাত নিৰ্মিত হোৱা পানী যোগান আঁচনিসমূহ সুচাৰুৰূপে পৰিচালনা কৰাৰ ক্ষেত্ৰত সজাগতা সৃষ্টি কৰিবলৈ পৰিচালনা সমিতিৰ কৰ্মকৰ্তাসকলৰ লগত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অভিযন্তা আৰু বিষয়াসকল এক পৰ্যালোচনা সভা অনুষ্ঠিত হয়। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিশ্বনাথ সংমণ্ডলৰ অন্তৰ্গত কোচগাঁও পানী যোগান আঁচনি আৰু সুন্দৰপুৰ পানী যোগান আঁচনি প্ৰাংগণত পৃথকে-পৃথকে চাৰি জুলাইত অনুষ্ঠিত এই অনুষ্ঠানত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা প্ৰবীণ কুমাৰ সন্দিকৈ, তথ্য শিক্ষা আৰু যোগাযোগৰ পৰামৰ্শক স্বাতী হাজৰিকা, গোটা আৰু জুলীয়া আৱৰ্জনা নিষ্কাসণ পৰামৰ্শক শৰৎ বৰা, আঁচনিৰ সহায়কাৰী সংস্থা, জনহিত কলা কেন্দ্ৰৰ দেৱশ্ৰী বৰঠাকুৰ উপস্থিত থাকে। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা প্ৰবীণ কুমাৰ সন্দিকৈয়ে পঞ্চায়তৰ বন্ধন পুঁজি আৰু উপভোক্তাসকলৰ পৰা সংগ্ৰহ কৰা মাহেকীয়া মাচুল পুঁজিৰ দ্বাৰা আঁচনিসমূহ সুন্দৰভাৱে পৰিচালনা কৰিবলৈ আহ্বান জনায়। তেওঁ ঘৰুৱা পানী পৰিবাহী পাইপৰ খুঁটাৰ চাৰিওকাষে একো একোখনকৈ পকী প্লেটফৰ্ম নিৰ্মাণ কৰিবলৈও পৰামৰ্শ আগবঢ়ায়। তথ্য শিক্ষা আৰু যোগাযোগৰ পৰামৰ্শক স্বাতী হাজৰিকাই পানী যোগান আঁচনিসমূহৰ পৰা যোগান ধৰা বিশুদ্ধ খোৱা পানীৰ সদ্ব্যৱহাৰ কৰিবলৈও পানী যোগান আঁচনিৰ পৰিচালনা সমিতিৰ কৰ্মকৰ্তাসকলক আহ্বান জনায়। এই দুয়োটা অনুষ্ঠানতে আঁচনিৰ ৰক্ষণাবেক্ষণকাৰী দুজনক বিদ্যুৎ পৰিবাহী ৰোধক হাত মোজা প্ৰদান কৰা হয়। উল্লেখ্য যে বিশ্বনাথ জিলাত ১৩ পৃষ্ঠাত চাওক

# নম্বৰ সৰ্বস্ব শিক্ষা ব্যৱস্থাই শিক্ষাৰ্থীসকলক বহুক্ষেত্ৰত বঞ্চিত কৰি আহিছে

### ■ কিংশুকৰ কৃতী ছাত্ৰ-ছাত্ৰীৰ মনোজ্ঞ সম্বৰ্ধনা অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ৬ জুলাই ঃ** 'ভাৰতবৰ্ষত সম্প্ৰতি যি নম্বৰ সৰ্বস্ব শিক্ষা ব্যৱস্থা আছে সেই শিক্ষা ব্যৱস্থা ব্ৰিটিছৰ আমোলত প্ৰৱৰ্তন কৰা শিক্ষা ব্যৱস্থাৰ খোলাৰ ভিতৰতে সোমাই আছে। এই নম্বৰ সৰ্বস্ব শিক্ষা ব্যৱস্থাই শিক্ষাৰ্থীসকলক প্ৰয়োগিক জ্ঞান আৰু ধাৰণাভিত্তিক জ্ঞানৰ পৰা বহু ক্ষেত্ৰত বঞ্চিত কৰি আহিছে।' মৰিয়নিৰ অগ্ৰণী সামাজিক-সাংস্কৃতিক অনুষ্ঠান কিংশুক ক্ৰীড়া-সাংস্কৃতিক চ'ৰাৰ উদ্যোগত আজি ইয়াৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত 'জিলিকাব লুইতৰে পাৰ' শীৰ্ষক কিংশুকৰ কৃতী ছাত্ৰ-ছাত্ৰীৰ সম্বৰ্ধনা অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি এইদৰে কয় বিশিষ্ট শিক্ষাবিদ, তিতাবৰৰ প্ৰাগজ্যোতিকা ইংলিছ স্কুলৰ সঞ্চালক অচ্যুতদ্বীপ শইকীয়াই। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক হীনমন্যতাত ভুগিব নালাগে বুলি উল্লেখ কৰি কয়, 'পাৰদৰ্শিতা সকলোৰে আছে; কিন্তু হয়তো নিজৰ



গুণখিনিৰ লগতে নিজক আৱিষ্কাৰ কৰিব নোৱাৰাৰ বাবেই সেইসমূহ হয়তো তেওঁৰ পাৰদৰ্শিতা উন্মোচন হোৱা নাই। সেয়েহে এই ক্ষেত্ৰত অভিভাৱকৰ লগতে সমাজৰো দায়িত্ব আছে বুলিও তেওঁ লগতে উল্লেখ কৰে। শিক্ষাবিদজনে কয়, 'কিমান শতাংশ নম্বৰ পাইছো সেয়া মূল কথা নহয় - তাৰ পৰিৱৰ্তে প্ৰকৃততে কিমান ধাৰণাভিত্তিক জ্ঞান লাভ কৰিব পাৰিছো সেয়াহে গুৰুত্বপূৰ্ণ কথা। ইফালে, যিকোনো বিষয়ক জটিলতালৈ নিয়াৰ পৰিৱৰ্তে তাক সৰলতাৰে চোৱাৰ প্ৰয়োজন আছে বুলি উল্লেখ কৰি কয়, 'কোনো বিষয়কে অধিক জটিলতাৰ মাজলৈ নিব নালাগে, তাৰ পৰিৱৰ্তে আমি সকলোকে সৰলভাৱে চোৱাৰ প্ৰয়োজন আছি বুলিও লগতে মন্তব্য কৰে। তেওঁ তাৎপৰ্যপূৰ্ণভাৱে কয়, ' আমি যি মাধ্যমতেই শিক্ষাগ্ৰহণ নকৰো কিয় কিন্তু নিজৰ মাতৃভাষাক কেতিয়াও পাহৰিব নালাগিব। পশ্চিমীয়া ১৩ পৃষ্ঠাত চাওক

# সমাজকৰ্মী যতীন্দ্ৰ নাথ শৰ্মাৰ আকস্মিক নিয়োগ

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ৬ জুলাই ঃ** নগাঁও জিলাৰ মাহৰিআটিৰ নিবাসী, অসম চৰকাৰৰ হস্তত‌াঁত আৰু বয়ন শিল্প বিভাগৰ জ্যেষ্ঠ পৰিদৰ্শক তথা বিশিষ্ট সমাজকৰ্মী যতীন্দ্ৰ নাথ শৰ্মা (নিকুমণি)ৰ আজি পুৱতি নিশা পৰলোকপ্ৰাপ্তি ঘটে। জিলাখনৰ ভিতৰতে অন্যতম অগ্ৰণী সত্ৰীয়া নৃত্যানুষ্ঠান 'মৃদংগ'ৰ প্ৰতিষ্ঠাপক সভাপতি ৫৯ বছৰীয়া শৰ্মা যোৱা নিশা গা ধোৱা ঘৰত হঠাতে পিছলি পৰি অসুস্থ হৈ পৰে আৰু পাছত পৰিয়ালৰ লোকে উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ নিয়াৰ পথতে তেওঁ অকাল মৃত্যুক সাবটিবলগীয়া হয়। কিছু বছৰৰ আগতে পত্নীৰো মৃত্যু ঘটা সমাজ সংগঠক শৰ্মাই এজন পুত্ৰ-এজনী কন্যাৰ লগতে দুই ভ্ৰাতৃ, এগৰাকী ভগ্নীসহ বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি গৈছে। গ্ৰামাঞ্চলটোৰ প্ৰায়বোৰ সামাজিক আৰু ধৰ্মীয় অনুষ্ঠানৰ লগত সক্ৰিয়ভাৱে জড়িত মানৱদৰদী, সদালাপী সাংস্কৃতিক কৰ্মীগৰাকীৰ আকস্মিক বিয়োগত সমগ্ৰ অঞ্চলটোতে গভীৰ শোকৰ ছাঁ বিৰাজ কৰিছে।


# মানৱ সেৱাৰ প্ৰতি উছৰ্গিত ৩১ সাহসী যুৱকক সম্বৰ্ধনা চাপৰ আৰক্ষীয়ে

**অগ্ৰদূত বাৰ্তা**

**চাপৰ, ৬ জুলাই ঃ** মানৱ সেৱাৰ প্ৰতি উছৰ্গিত চাপৰ চহৰৰ মৌৱাটাৰী আৰু খৰিদা গোসাঁইগাঁৱৰ ৩০ গৰাকী সাহসী যুৱকক কালি চাপৰ আৰক্ষীয়ে দুপৰীয়া প্ৰায় ১২ বজাত চাপৰ থানা চৌহদত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ সভাত ৰাজহুৱাভাৱে সম্বৰ্ধনা জনায়। চাপৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ৰঞ্জিত কাকতিয়ে কালি এই কথা জানিবলৈ দিছে। ভাৰপ্ৰাপ্ত বিষয়া কাকতিয়ে জানিবলৈ দিয়া মতে যোৱা ২৬ জুলাইৰ নিশা প্ৰায় ১০ বজাত চাপৰ থানাৰ অন্তৰ্গত মৌৱাটাৰীত ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত এখন বলেৰ' পিক আপ ভেন ঘাইপথৰ কাষৰ এডাল গছত খুন্দা মৰাৰ ফলত গাড়ীখনৰ চালকসহ আন দুগৰাকী লোক গুৰুতৰভাৱে



আহত হৈ গাড়ীখনৰ ভিতৰত আবদ্ধ হৈ পৰে। গাড়ীখনৰ ভিতৰত আবদ্ধ হৈ পৰা লোক তিনিজন নিশ্চিত মৃত্যুৰ দিশত আগবাঢ়ি যোৱাৰ সময়ত মৌৱাটাৰী আৰু খৰিদা গোসাঁইগাঁৱৰ অৰ্ধ শতাধিক ৰাইজে প্ৰায় এক ঘণ্টা সময় যুঁজি গাড়ীখন কাটি অতি তৎপৰতাৰে দুৰ্ঘটনাত পতিত হৈ আৱদ্ধ হৈ পৰা লোক তিনিজনক উদ্ধাৰ কৰে। এই লোকসকলে মানৱ সেৱাৰ প্ৰতি অমূল্য নিদৰ্শন দেখুৱাই তিনিজন লোকৰ জীৱন ৰক্ষা কৰাৰ বাবে চাপৰ আৰক্ষীয়ে কালি ইয়াৰে ৩১জন যুৱকক ফুলাম গামোচা আৰু মানপত্ৰৰে আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। চাপৰ আৰক্ষীয়ে আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা যুৱকসকল হ'ল ক্ৰমে- জমিউল হক, মইনুল মোল্লা, গণি মোল্লা, আশ্ৰাফুল হক, বাপ্পি মোল্লা, বাবলু মোল্লা, নছমুল হক, ফৰিদুল হক, জয়নুল মোল্লা, আজিজুল হক, ৰচিদুল হক, মিকিৰ আলী, মনোৱাৰ হুছেইন, মইদুল হক, বাবু আলী, আজাদুল হক, মুচাহাৰ আলম, অনোৱাৰ হুছেইন, কাঞ্চা আলী, হুইলা আলী, মকদুল হুছেইন, ইব্ৰাহিম আলী, মন্টু আলী, ছাইদুল হক, বিকাশ আলী, হামিদুৰ আলী, ফাৰুক আলী, আৰু মেহদি আলম। লগতে এখন চুৰি হোৱা মটৰ চাইকেল উদ্ধাৰত আৰক্ষীক বিশেষভাৱে সহায় কৰা তেতুলতোলা প্ৰথম খণ্ড গাঁওৰক্ষী বাহিনীৰ সম্পাদক কাছেম আলী আৰু তেতুলতোলা দ্বিতীয় খণ্ড গাঁওৰক্ষী বাহিনীৰ সম্পাদক আলতাপ হুছেইনকো কালি সম্বৰ্ধনা জ্ঞাপন কৰা হয়। কালিৰ এই সম্বৰ্ধনা সভাখনত ভাৰপ্ৰাপ্ত বিষয়া কাকতিৰ লগতে চাপৰৰ আৰক্ষী চক্ৰ বিষয়া প্ৰফুল্ল দাসো উপস্থিত থাকে।



# কৃষ্ণাই-ভেলাখামাৰ-লালাবৰি সংযোগী পথৰ বিধ্বস্ত ৰূপ

## ■ কাণসাৰ নাই স্থানীয় বিধায়কৰ ■ ভয়াৱহ বাৰিষাৰ কথা সুঁৱৰি সন্ত্ৰস্ত গাঁৱলীয়া জনসাধাৰণ



**অগ্ৰদূত বাৰ্তা**

**কৃষ্ণাই, ৬ জুলাই ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাই অঞ্চলৰ কৃষ্ণাই-ভেলাখামাৰ-লালাবৰি সংযোগী গড়কাপ্তানী পথটো অঞ্চলটোৰ এটা অতি গুৰুত্বপূৰ্ণ পথ। কৃষ্ণাই-নেপালীখুঁটি গড়কাপ্তানী পথৰ খাৰিজা মানিকপুৰ (হাব্ৰাঘাট)ৰ পৰা ভেলাখামাৰ হৈ লালাবৰি বজাৰলৈকে বিস্তৃত এই গড়কাপ্তানী পথটোৰ দৈৰ্ঘ্য ৬০৪০ কিঃমিঃ। বছৰৰ পাছত বছৰ ধৰি বিধ্বস্ত ৰূপত থকা গড়কাপ্তানী পথটোত অৱশেষত চৰকাৰৰ সুদৃষ্টি পৰে বিগত ২০১৭ বৰ্ষত। প্ৰধানমন্ত্ৰী গ্ৰামচড়ক যোজনাৰ অধীনত অতি ব্যস্ত এই পথটোৰ নিৰ্মাণ কাৰ্য আৰম্ভ হয় ২০১৭ৰ ২৭ ডিচেম্বৰৰ পৰা। পথটো নিৰ্মাণৰ বাবে আৱন্টিত ধনৰ পৰিমাণ আছিল ৩,০৪,২৭৯১১ ০০টকা। শ্বাহী মোঃ কৰিম নামৰ ঠিকাদাৰজনে এই পথটো নিৰ্মাণৰ দায়িত্ব লাভ কৰে। তীব্ৰ বাদ-বিবাদ, অভিযোগ-প্ৰতি অভিযোগৰ মাজেৰে নিৰ্দিষ্ট সময়তকৈ বহু পলমকৈ অৱশেষত পথটোৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হৈছিল। পথটো নিৰ্মাণৰ পাছত যুগ যুগ ধৰি যাতায়াত ক্ষেত্ৰত যমৰ যাতনা ভুগি থকা লালাবৰি, পেটকাটা, পাখিৰীগুৰি, গণকঘূলি, ভেলাখামাৰ, গৰগৰীয়াবড়ী আদিকে ধৰি কে'বাখনো গাঁৱৰ বাসিন্দাৰ ওঁঠত বিৰিঙি উঠিছিল প্ৰাপ্তিৰ হাঁহি। যাতায়াত ক্ষেত্ৰত বৃহত্তৰ অঞ্চলটোলৈ নামি আহিছিল সুদূৰ প্ৰসাৰী পৰিৱৰ্তন। পিছে , অঞ্চলবাসীৰ সেই আনন্দ বেছি দিন স্থায়ী নহ'ল । কাৰণ পথটো নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হোৱাৰ এবছৰ নৌহওঁতেই ২০২০ৰ ২১ জুলাইত অহা প্ৰলয়ংকৰী বানে চূৰ্ণ-বিচূৰ্ণ কৰি দিলে নৱ নিৰ্মিত পথটো। ভেলাখামাৰ পেটকাটাৰ মাজৰ প্ৰায় এক কিলোমিটাৰ পথৰ কে'বাঠাইতো বানে উটুৱাই নিলে পেভাৰ ব্লকসহ ভালুকডুবিৰ কাৰ্লভাৰ্ট। পুনৰ বিধ্বস্ত হৈ পৰিল পথটো। যাতায়াত হৈ পৰিল স্তব্ধ। ৰাইজে অপেক্ষা কৰিবলৈ ল'লে নিশ্চয় পথটো পুনৰ নিৰ্মাণ হ'ব। যাতায়াতৰ উপযোগী হৈ উঠিব অতি ব্যস্ত পথটো। পিছে এদিন-দুদিন গৈ প্ৰায় দুবছৰ পাৰ হ'ল। ইয়াৰ মাজতে আহিল নিৰ্বাচন। পূৰ্বৰ কংগ্ৰেছী বিধায়ক এ, কে ৰশিদ আলম পুনৰ্বাৰ বিধায়ক নিৰ্বাচিত হ'ল। পিছে বিধ্বস্ত পথ বিধ্বস্ত হৈয়ে ৰ'ল। আকৌ আৰম্ভ হ'ল বাৰিষা কাল। ভৰি পৰিল খাল-বিল। ক্ৰমে বিস্তাৰ ঘটিল কৃষ্ণাই ভেলাখামাৰ লালাবৰি সংযোগী গড়কাপ্তানী পথৰ ওপৰত সৃষ্টি হোৱা প্ৰকাণ্ড গাঁতবোৰৰ। পিছে পথটোৰ মেৰামতিৰ কোনো ব্যৱস্থা নহ'ল। যাৰ পৰিপ্ৰেক্ষিতত পথটোৰে যাতায়াত বন্ধ হোৱাৰ আশংকাত একপ্ৰকাৰ দিশ হাৰা হৈ পৰিছে অঞ্চলটোৰ হেজাৰ হেজাৰ গাঁৱলীয়া জনসাধাৰণ। আতংকিত ৰাইজে সেয়ে অচিৰে পথটো মেৰামতিৰ দাবী জনাইছে স্থানীয় বিধায়ক তথা জিলা প্ৰশাসনক।

# অৰণ্য সুৰক্ষা সমিতিৰ পত্ৰৰ প্ৰতিক্ৰিয়া

## ৰাষ্ট্ৰপতিয়ে বুজ ল'লে অসমৰ বান পৰিস্থিতিৰ

**বিশেষ সংবাদদাতা**

**বিলাসীপাৰা, ৬ জুলাই ঃ** অসমৰ প্ৰলয়ংকৰী বানৰ সন্দৰ্ভত ভাৰতৰ ৰাষ্ট্ৰপতি ৰাম নাথ ক'বিন্দে কালি অসমৰ মুখ্যমন্ত্ৰীলৈ ফোন যোগে ৰাজ্যখনৰ ক্ষয়-ক্ষতিৰ বুজ লয়। উল্লেখ্য যে অসমৰ ভয়াবহ বানৰ বিষয়ে সবিশেষ জনাই যোৱা ২৮ জুনত অৰণ্য সুৰক্ষা সমিতি অসমে ভাৰতৰ ৰাষ্ট্ৰপতি ৰাম নাথ ক'বিন্দলৈ এক পত্ৰ প্ৰেৰণ কৰিছিল। পত্ৰখনত সমিতিয়ে উল্লেখ কৰিছিল যে অসমৰ ৩৩ খন জিলাৰ এক তৃতীয়াংশ লোক বানত ক্ষতিগ্ৰস্ত হৈছে আৰু ৰাজ্যখনৰ সাতখন ৰাষ্ট্ৰীয় উদ্যান, ১৮ খন অভয়াৰণ্যৰ অগণিত সংখ্যক বন্য প্ৰাণীৰ মৃত্যু হৈছে, হেজাৰ হেজাৰ লোক গৃহহীন হৈ পৰিছে আৰু পত্ৰপ্ৰেৰণ কৰা দিনটোলৈকে ২২ লাখ লোক আশ্ৰয় শিবিৰত আশ্ৰয় লৈ আছে। বানত অসমৰ ক্ষতি ১৫ লাখ কোটি টকামানৰ হ'ব বুলি উল্লেখ কৰি তেওঁ ৰাজ্যখনৰ ৰাইজক আৱশ্যকীয় সাহায্য প্ৰদান আৰু সংস্থাপনৰ বাবেও দাবী জনাইছিল। সমিতিৰ সচিব প্ৰধান ড° হৰিচৰণ দাসে বৈদ্যুতিন যোগে প্ৰেৰণ কৰা এই পত্ৰখনত ভূটানৰ নদী বান্ধে এৰি দিয়া পানীয়ে নামনি অসমত সৃষ্টি কৰা প্ৰলয়ৰ বিষয়ে উল্লেখ কৰি বান পৰিস্থিতিৰ অধ্যয়নৰ বাবে সম্ভৱ হ'লে অসম ভ্ৰমণ কৰিবলৈকো ৰাষ্ট্ৰপতিক অনুৰোধ জনাইছিল। সমিতিয়ে পত্ৰ প্ৰেৰণ কৰাৰ পাছত নিজে নাহিলেও মুখ্যমন্ত্ৰীলৈ ফোন কৰি ৰাজ্যখনৰ বান পৰিস্থিতিৰ বুজ লোৱাক বাবে ৰাষ্ট্ৰপতিৰ ধন্যবাদ জ্ঞাপন কৰিছে অৰণ্য সুৰক্ষা সমিতিয়ে।

# পথৰুৱা গৰুৰ বাবে হ'ব পৰা দুৰ্ঘটনা প্ৰতিৰোধৰ বাবে চৰাইদেউ জিলা প্ৰশাসনৰ বৈঠক

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ৬ জুলাই ঃ** চৰাইদেউ জিলাৰ অন্তৰ্গত ৰাষ্ট্ৰীয় ঘাইপথ, ৰাজ্যিক ঘাইপথ আৰু অন্যান্য বাট-পথসমূহত গৰাকীবিহীনভাৱে অবাধে গৰু বিচৰণ কৰাৰ ফলশ্ৰুতিত হ'ব পৰা সম্ভাব্য দুৰ্ঘটনা ৰোধ কৰাৰ লক্ষ্যৰে তথা এই সমস্যাৰ ফলপ্ৰসূ সমাধান বিচৰাৰ উদ্দেশ্যে যোৱা পাঁচ জুলাইত চৰাইদেউ জিলাৰ উপায়ুক্ত পল বৰুৱাৰ অধ্যক্ষতাত উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত সংশ্লিষ্ট বিভাগসমূহৰ স'তে আলোচনামৰ্মে ভালেকেইটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ঘাইপথৰ কাষৰ পঞ্চায়তসমূহত একোটাকৈ পাউণ্ড খুলি ৰাস্তাত চৰি থকা গৰুসমূহ ৰখাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ কোৱা হয় যাতে পৰৱৰ্তী পৰ্যায়ত এই গৰুসমূহ নিলাম কৰাৰ ব্যৱস্থা কৰিব পাৰি। উপায়ুক্তজনে পশুপালন বিভাগৰ স'তে মিলি পঞ্চায়তসমূহক ৰাস্তাত চৰি থকা গৰুসমূহৰ গৰাকীসকলক চিনাক্তকৰণ কৰিবলৈ কয়। উল্লেখ্য যে সোণাৰি আৰু মৰাণ পৌৰসভাৰ পৌৰপতি দুয়োগৰাকীয়ে নিজ নিজ পৌৰসভা অঞ্চলৰ বিষয়ে ৰাজহুৱা ঘোষণা কৰোৱাৰ ব্যৱস্থা কৰিব, যাতে গৰুৰ গৰাকীসকলে অতি সোনকালে নিজ নিজ গৰু নিজৰ জিম্মাত লয়, অন্যথা তেওঁলোকৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণ কৰিব। ইয়াৰ লগতে গৰাকীসকলে জৰিমনাও ভৰিব লাগিব। জিলা প্ৰশাসনে জিলা তথ্য আৰু জনসংযোগ বিভাগৰ সহযোগত ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ঘাইপথত গৰুৰ বিচৰণৰ বিৰুদ্ধে ৰাজহুৱা ঘোষণা কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব। উল্লেখ্য যে পথত গৰুৰ বিচৰণৰ বিৰুদ্ধে চৰাইদেউ জিলা প্ৰশাসনে জিলা আৰক্ষী বিভাগ, পৌৰসভা, পৰিবহণ বিভাগ আৰু জিলা পশুপালন বিভাগৰ সহযোগত জিলাখনত সোনকালে এক বিশেষ অভিযান আৰম্ভ কৰিব। এই অভিযানত নিশা ৰাস্তাত বিচৰণ কৰা গৰুসমূহক ট্ৰাকত উঠাই নাজিৰা বা যোৰহাটৰ গোশালাত আলোচনামৰ্মে ৰখাৰ ব্যৱস্থা গ্ৰহণ কৰে। বৈঠকত অতিৰিক্ত উপায়ুক্তদ্বয় জাবেদ আৰমান আৰু অভিজিৎ গগৈ, অতিৰিক্ত আৰক্ষী অধীক্ষক সবিতা দাস, সোণাৰি পৌৰসভাৰ পৌৰপতি তিলক চন্দ্ৰ নেওগ, মৰাণ পৌৰসভাৰ পৌৰপতি অৰূপ দত্ত, জিলা পৰিবহণ বিষয়া ৰাজীৱ চন্দ্ৰ বৰদলৈ আৰু মহকুমা পশুপালন তথা পশু চিকিৎসা বিষয়া প্ৰণৱজ্যোতি বড়া উপস্থিত থাকে।

# একাগ্ৰতা ই সাফল্যৰ মাফকাঠি

## ■ জানিগোগত কীৰ্তিমানক সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ৬ জুলাই ঃ** নলবাৰী জিলাৰ জানিগোগ বুথৰ উদ্যোগত জানিগোগ প্ৰাথমিক বিদ্যালয় প্ৰাংগণত আজি অঞ্চলটোৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কলা শাখাত ৰাজ্যৰ ভিতৰত চতুৰ্থ স্থানপ্ৰাপ্ত প্ৰিয়ংকা বৈশ্যসহ উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হোৱা ন গৰাকী ছাত্ৰ-ছাত্ৰীক গামোচা, মানপত্ৰ, কলম আদিৰে সম্বৰ্ধনা জনোৱা হয়। অৱসৰপ্ৰাপ্ত শিক্ষক, নাট্যশিল্পী যাদৱ চন্দ্ৰ ডেকাৰ সভাপতিত্বত আৰু শিক্ষক ভগৱান ডেকাই আঁতধৰা অনুষ্ঠানত পঞ্চায়ত সভাপতি আৰতি বৈশ্য, পঞ্চায়ত সদস্য নৱ ডেকা, অৱসৰপ্ৰাপ্ত সহকাৰী প্ৰধান শিক্ষক থানুৰাম ডেকা, ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক নিৰ্মল শৰ্মা, শিক্ষক দেৱানন্দ ডেকা, তৰোণী শৰ্মা, ৰমেশ শৰ্মা, সমাজসেৱক প্ৰণৱ প্ৰাণ বাচ্যস, বিজেপিৰ বুথ সভাপতি খনিন্দ্ৰ ডেকা, সাংবাদিক প্ৰাঞ্জল শৰ্মা, শিক্ষাৰ্থী, অভিভাৱকসহ ভালেমান ৰাইজ উপস্থিত থাকে। শিল্পী প্ৰণৱ প্ৰাণ বাচ্যসে কয় যে প্ৰত্যোক কাম মনোযোগেৰে কৰিলে শিক্ষাৰ্থীসকলে সফল হ'বই। তেওঁ লগতে কয় যে শিক্ষাৰ্থীসকলে পৰীক্ষাত কিমান নম্বৰ লাভ কৰিব সেয়া শিক্ষাৰ্থীসকলে নিজেই জানে। মাথো নিৰক্ষকে চূড়ান্ত নম্বৰহে প্ৰদান কৰে। গতিকে পঢ়াৰ দিশত ফাকি দিব নালাগে। অৱসৰপ্ৰাপ্ত শিক্ষক ভগৱান ডেকাই কয় যে একাগ্ৰতাৰে অধ্যয়ন কৰিলে, অভাৱ শিক্ষাৰ দিশত হেঙাৰ হ'ব নোৱাৰে।

# পশ্চিম বড়িগোগ সাৰ্বজনীন শ্ৰীশ্ৰী দুৰ্গা মণ্ডপৰ নৱনিৰ্মিত মন্দিৰৰ উদ্বোধন

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ৬ জুলাই ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ আৰক্ষী থানাৰ অন্তৰ্গত কিচমৎ গাঁৱত ঐতিহ্যমণ্ডিত পশ্চিম বড়িগোগ সাৰ্বজনীন শ্ৰীশ্ৰী দুৰ্গা পূজা মন্দিৰটো আজি সম্পূৰ্ণ ধৰ্মীয় ৰীতি-নীতি অনুযায়ী উদ্বোধন কৰে। তদুপলক্ষে পুৱা স্থানীয় শংকৰদেৱ বিদ্যা নিকেতন, বাহাৰঘাটৰ আচাৰ্যা কমলা দেৱীৰ পৰিচালনাৰে শিক্ষাৰ্থীসকলৰ দ্বাৰা মংগলাচৰণ গোৱাৰ পাছতে মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি নিৰঞ্জন চন্দ্ৰ ডেকাই পতাকা উত্তোলন কৰে। ইয়াৰ পাছতে স্মৃতি তৰ্পণ কৰে ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত শিক্ষক ৰামপ্ৰসাদ শৰ্মাই আৰু দেহাৰকুছিৰ বয়োজ্যেষ্ঠ ব্যক্তি বাসুদেৱ শৰ্মাই ভূমিদাতা প্ৰয়াত বশিষ্ঠ নাথ শৰ্মাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে। আনহাতে, এটি বিল্ববৃক্ষ ৰোপণ কৰে সংস্কৃত পণ্ডিত কেশৱ চন্দ্ৰ শৰ্মাই আৰু নিম গছৰ পুলি ৰোপণ কৰে প্ৰণৱ শৰ্মাই। ইয়াৰ পাছতে আৰম্ভ হয় ধৰ্মীয় অনুষ্ঠান। উল্লেখ্য যে এইবেলি নতুন মন্দিৰৰৰ লগতে মণ্ডপত এখন আটকধুনীয়াকৈ দেৱী দুৰ্গাৰ প্ৰতিমা নিৰ্মাণ কৰে। আজি মন্দিৰ উদ্বোধনৰ লগতে স্থানীয় প্ৰতিমা নিৰ্মাণকাৰী শিল্পীদ্বয় ক্ৰমে দীপক শৰ্মা আৰু দিলীপ পালক গামোচাৰে সম্বৰ্ধনা জনায়। প্ৰায় ৩০ লক্ষাধিক ধন ব্যয় কৰি নিৰ্মাণ কৰা নৱনিৰ্মিত মন্দিৰটো উদ্বোধনী অনুষ্ঠানত অসংখ্য ভক্তপ্ৰাণ ৰাইজৰ সমাগম হয়। ১৯৬৪ত অবিভক্ত কামৰূপ জিলাৰ বৃহত্তৰ পশ্চিম বড়িগোগ মৌজাৰ কে'বাখনো গাঁৱৰ ধৰ্মপ্ৰাণ ৰাইজৰ আকণ্ঠ প্ৰচেষ্টাত উক্ত মন্দিৰ প্ৰতিষ্ঠা হৈছিল। আজি তাহানিৰ মন্দিৰৰ ঠাইত নতুন মন্দিৰ এটি পাই অঞ্চলৰ ৰাইজ উৎফুল্লিত হৈ পৰিছে। আবেলি বিশিষ্ট পাঠক ৰামচৰণ ভৰালী আৰু চণ্ডীৰাম পাটোৱাৰীয়ে নাম পৰিৱেশন কৰিব বুলি আয়োজক সমিতিয়ে জনায়।

# আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সফলতা বীথিকা বৰাৰ



**অগ্ৰদূত বাৰ্তা**

**লাহদৈগড়, ৬ জুলাই ঃ** ভাৰত সংস্কৃতি যাত্ৰাৰ উদ্যোগত ডুবাইৰ ইন্টাৰনেছনেল গ্ল'বেল হাৰমনীত জুনৰ শেষত অনুষ্ঠিত ফেষ্টিভেল অৱ ইণ্ডিয়ান আৰ্ট কালছাৰৰ লঘু ৰাষ্ট্ৰীয় সংগীতৰ জ্যেষ্ঠ শাখাৰ একক প্ৰতিযোগিতাত বীথিকা বৰাই প্ৰথম স্থান অধিকাৰ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। গুৱাহাটীৰ এনপিএছৰ পৰা উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা বীথিকাই সাংস্কৃতিক কৰ্মী নিউটন হাজৰিকাৰ তত্ত্বাৱধানত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল। বীথিকাই উত্তৰ যোৰহাটৰ পটীয়া গাঁৱৰ আৰু বৰ্তমানৰ গুৱাহাটী কাহিলিপাৰাৰ ভগদত্তপুৰ নিবাসী অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত উচ্চপদস্থ বিষয়া আলোক কুমাৰ বৰা আৰু সংগীতা বৰাৰ কন্যা। শাস্ত্ৰীয় সংগীতৰ ডিগ্ৰীধাৰী আৰু আৰ্টৰ ডিপ্ল'মা লাভ কৰা বীথিকাই সৌন্দৰ্য প্ৰতিযোগিতাতো ৰাজ্যিক, ৰাষ্ট্ৰীয় পৰ্যায়ত শ্ৰেষ্ঠত্ব অৰ্জন কৰিবলৈ সক্ষম হৈছে।

# কামপুৰৰ বানাক্ৰান্ত শিবিৰত সাংবাদিকৰ এসাঁজ অন্ন



**বিশেষ সংবাদদাতা**

**নগাঁও, ৬ জুলাই ঃ** বানে ধোৱা কামপুৰত চৌদিশে এতিয়া অন্ন, বস্ত্ৰ, বাসস্থানৰ বাবে হাহাকাৰ বন্যাৰ্তৰ। এই সময়ত অসহায়জনক প্ৰয়োজন এধানি সহায়ৰ। সংকটৰ এই সময়ছোৱাত আজি স্থানীয় সাংবাদিক সমৰেন্দ্ৰ নাৰায়ণ বৰায়ে কামপুৰ পাছ নিজাৰ এল পি স্কুলৰ আশ্ৰয় শিবিৰত এসাঁজ অন্ন আগবঢ়ায়। প্ৰায় ১২০জন বানাক্ৰান্তক এসাঁজ অন্ন দি মানৱতাৰ নিদৰ্শন দাঙি ধৰে সাংবাদিকজনে।

# বৰমাত বজ্ৰপাত পৰি এজনৰ মৃত্যু

**বৰমা, ৬ জুলাই ঃ** বৰমাৰ নিকটৱৰ্তী খাৰুৱাজান গাঁওনিবাসী সন্তোষ ৰামছিয়াৰী (৩৩)ৰ আজি পুৱা বজ্ৰপাত পৰি মৃত্যু হয়। সন্তোষৰ মৃত্যুত অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, আজি পুৱাই শুই উঠি পথাৰত কঠীয়া ৰুবলৈ বুলি ওলাই গৈছিল সন্তোষ। পথাৰত কঠীয়া ৰুই থাকোতে হঠাৎ সন্তোষৰ গাত বজ্ৰপাত পৰে। ফলত তাতে তেওঁৰ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁ বৃদ্ধ পিতৃ-মাতৃ, পত্নী আৰু এজন পুত্ৰ সন্তানক এৰি যায়। পাছত ঘটনাৰ খবৰ পাই ঘটনাস্থলীত বৰমা আৰক্ষীৰ লোক উপস্থিত হৈ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে মুছলপুৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

# কামপুৰত ডাঃ ভৱ দাস ফাউণ্ডেচনৰ বান সাহায্য



**অগ্ৰদূত বাৰ্তা**

**কামপুৰ , ৬ জুলাই ঃ** সমগ্ৰ ৰাজ্যজুৰি বান পৰিস্থিতিয়ে সৃষ্টি কৰা দুৰ্যোগত দিশহাৰা হোৱাসকলৰ প্ৰতি সহায়ৰ হাত আগবঢ়ালে গুৱাহাটীৰ ডাঃ ভৱ দাস ফাউণ্ডেচন আৰু হেলথ্ চিটী হাস্পতালে। ডাঃ ভৱ দাস ফাউণ্ডেচনৰ সৌজন্যত আজি হেল্থ চিটী হাস্পতালে নগাঁৱৰ কামপুৰৰ দৰঙিয়াল গাঁৱৰ বন্যাৰ্তসকলৰ মাজত খাদ্য সামগ্ৰী বিতৰণ কৰে। বানত ক্ষতিগ্ৰস্ত প্ৰায় দুশটা পৰিয়ালক পাঁচ কেজিকৈ চাউল এক কেজিকৈ দাইল, এক পেকেটকৈ নিমখ, ৫০০ গ্ৰামকৈ মিঠাতেল, এক কেজিকৈ আলু, দুই পেকেটকৈ বিস্কুট আৰু দুই লিটাৰ খোৱাপানীৰ বটল বিতৰণ কৰা হয়। বান সাহায্য বিতৰণ অনুষ্ঠানত উপস্থিত থাকে হেলথ্ চিটী হাস্পতালৰ অধীক্ষক ডাঃ হেমজিৎ তালুকদাৰ, ফেচিলিটী ডাইৰেক্টৰ পৰাগজ্যোতি দত্ত, উপ-চিকিৎসা সঞ্চালক ডাঃ হিমাংশু বৈশ্য আৰু সহকাৰী প্ৰৱন্ধক ধীৰজ্যোতি দাস। স্থানীয় ৰাইজে বান সাহায্য বিতৰণত সহযোগিতা আগবঢ়োৱা বাবে সংশ্লিষ্টসকলক ভৱ দাস ফাউণ্ডেচনৰ পক্ষৰ পৰা ধন্যবাদ জ্ঞাপন কৰে হেলথ্ চিটী হাস্পতালৰ অধীক্ষক ডাঃ হেমজিৎ তালুকদাৰ আৰু ফেচিলিটী ডাইৰেক্টৰ পৰাগজ্যোতি দত্ত, উপ-চিকিৎসা সঞ্চালক ডাঃ হিমাংশু বৈশ্য আৰু সহকাৰী প্ৰৱন্ধক ধীৰজ্যোতি দাস। স্থানীয় ৰাইজে বান সাহায্য বিতৰণত সহযোগিতা আগবঢ়োৱা বাবে সংশ্লিষ্টসকলক ভৱ দাস ফাউণ্ডেচনৰ পক্ষৰ পৰা ধন্যবাদ জ্ঞাপন কৰে হেলথ্ চিটী হাস্পতালৰ অধীক্ষক ডাঃ হেমজিৎ তালুকদাৰ আৰু ফেচিলিটী ডাইৰেক্টৰ পৰাগ্যজ্যোতি দত্তই। আনহাতে, স্থানীয় ৰাইজেও প্ৰতিষ্ঠান দুটিয়ে আগবঢ়োৱা সহায়ৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে।

# টংলাত বানাক্ৰান্তক গুৱাহাটীৰ স্বেচ্ছাসেৱী সংগঠনৰ সাহায্য প্ৰদান



**অগ্ৰদূত বাৰ্তা**

**টংলা, ৬ জুলাই ঃ** সুদূৰ গুৱাহাটীৰ পৰা আহি সাম্প্ৰতিক কালান্তক বান পৰিস্থিতিত উদ্বেগ প্ৰকাশ কৰি ওদালগুৰি টংলাৰ বিভিন্ন অঞ্চলৰ বাাক্ৰান্তসকলক সাহায্য প্ৰদান কৰে কে'বাটাও স্বেচ্ছাসেৱী সংগঠনে। অসমৰ বিভিন্ন ঠাইৰ লগতে টংলা তথা ইয়াৰ আশে-পাশে থকা গাঁওবোৰত বানপানীয়ে ৰাইজক জ্বলা-কলা খুৱাইছিল। বানে বিধ্বস্ত কৰাৰ ফলত এতিয়াও নিজ গৃহত থাকিবলৈ নাই সুন্দৰ পৰিৱেশ। চৰকাৰে পতা অস্থায়ী আশ্ৰয় শিবিৰতে থাকিবলগীয়া হৈছিল বানপীড়িত লোকসকলে। এনেকুৱা দুৰৱস্থাৰ কথা জানিবলৈ পাই আজি বিটিআৰৰ ওদালগুৰি জিলাৰ টংলাত বানবিধ্বস্ত অঞ্চলৰ বানাক্ৰান্তসকলক স্বেচ্ছাসেৱী সংগঠন GMCKS Lightworkers, serve smile Foundation, The Ojas Foundation-এ সাহায্য প্ৰদান কৰে। উক্ত স্বেচ্ছাসেৱী সংস্থাসমূহে বানাক্ৰান্তসকলক চাউল দাইল, মিঠাতেল, নিমখ, চাবোন, ব্লিচিং পাউদাৰ, পানী আৰু খাদ্য সামগ্ৰী বিতৰণেৰে সাহায্য প্ৰদান কৰে। টংলা অঞ্চলৰ টংলা খপ্ৰাবস্তি, পূব নলবাৰী আৰ্মি কল'নী, খাটোৱালপাৰা পানীপোটা আদি বানবিধ্বস্ত গাঁওসমূহত খাদ্য সামগ্ৰী বিতৰণ কৰি দুখ-দুৰ্দশাত জৰ্জৰিত হোৱা লোকসকলক সকাহ দি মহৎ কৰ্মৰ নিদৰ্শন দাঙি ধৰে। স্বেচ্ছাসেৱী সংস্থাকেইটাক ভেৰগাঁও জিলা ইউপিপিএল আৰু খালিংদুৱাৰ ব্লক কমিটী ইউপিপিএলে উদ্যোগ লৈ সাহায্য প্ৰদানৰ কাৰ্যসূচীত সহায়-সহযোগ কৰে। স্বেচ্ছাসেৱী সংস্থাৰ কৰ্মী আৰু কেন্দ্ৰীয় সমিতি ইউপিপিএলৰ কৃষি মৰ্চাৰ সভাপতি নেৰখাং খাখলাৰীয়ে সাংবাদিকক এনেদৰেই অসমৰ বিভিন্ন অঞ্চলত সাহায্য প্ৰদান কৰি অহা বুলি কোৱাৰ লগতে মানৱ সেৱা কৰিবলৈ প্ৰচেষ্টা চলোৱা হৈছে বুলি জানিব দিয়ে।

# শ্যামা প্ৰসাদ মুখাৰ্জীৰ জন্মদিন উপলক্ষে নেহৰু যুৱ কেন্দ্ৰৰ ৰক্তদান শিবিৰ



**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ৬ জুলাই ঃ** শ্যামা প্ৰসাদ মুখাৰ্জীৰ জন্মদিন উপলক্ষে উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত আৰু লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ ৰক্ত ভঁৰালৰ সহযোগত লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ত আজি এক ৰক্তদান শিবিৰ আৰু সজাগতা সভা অনুষ্ঠিত হয়। উক্ত ৰক্তদান শিবিৰটো মুকলি কৰে লখিমপুৰ জিলাৰ অতিৰিক্ত উপায়ুক্ত গীতালি দুৱৰাই। শিবিৰটো মুকলি কৰি দুৱৰাই কয় ৰক্তদান মহান দান। এটুপি ৰক্তই কাৰোবাৰ জীৱন মৃত্যু দুৱাৰডলিৰ পৰা ঘূৰাই আনিব পাৰে। লগতে ৰক্তদাতাসকলক উৎসাহিত কৰে। তদুপৰি লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ উপ-অধীক্ষক ডাঃ নিখিল কাকতিয়ে ৰক্তদানৰ বিষয়ে বিভিন্ন সময়ত চলি অহা অপপ্ৰচাৰ আৰু ইয়াৰ প্ৰকৃত সত্য সম্পৰ্কে সভাত উল্লেখ কৰে। ৰক্তদান মহান দান শ্ল'গানেৰে অনুষ্ঠিত কৰা জিলাখনৰ বহু যুৱক-যুৱতীয়ে ৰক্তদান কৰে। অনুষ্ঠানটোত বিজেপি জিলা সভাপতি ফণীধৰ বৰুৱা, ৰক্ত ভঁৰালৰ উত্তৰদায়ী ড° নিতুমণি খাখলাৰী, নেহৰু যুৱ কেন্দ্ৰৰ সমন্বয়ক সুজাতা ভূমিক, সমাজ সেৱক ৰূপমজ্যোতি চেতিয়া প্ৰমুখ্যে বহুকেইজন ব্যক্তি উপস্থিত থাকে।

# সোণাপুৰত ৰেলৰ খুন্দাত মহিলাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**সোণাপুৰ, ৬ জুলাই ঃ** সোণাপুৰ আৰক্ষী থানাৰ অন্তৰ্গত কচুতলিত আজি বিয়লি উজনিমুৱা ৰেলৰ খুন্দাত এগৰাকী মহিলাৰ মৃত্যু হয়। মহিলাগৰাকীক ৰুমেচা খাতুন (৫০) বুলি চিনাক্ত কৰা হৈছে। ৰেলৰ পথত পোহনীয়া ছাগলী এটি বচাবলৈ গৈ দুৰ্ঘটনাত মহিলাগৰাকীৰ মৃত্যু হোৱা বুলি ৰাইজে প্ৰকাশ কৰিছে। ইতিমধ্যে ঘটনাস্থলীত সোণাপুৰ আৰক্ষীৰ লগতে ৰেল আৰক্ষী উপস্থিত হৈ মৃতদেহটোৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

# বানবিধ্বস্ত ছয়দুৱাৰ মহাবিদ্যালয়ৰ কাষত অসম কলেজ অধ্যক্ষ পৰিষদৰ প্ৰতিনিধি দল

**অগ্ৰদূত বাৰ্তা**

**গহপুৰ, ৬ জুলাই ঃ** বান বিধ্বস্ত ছয়দুৱাৰ মহাবিদ্যালয়ত কালি উপস্থিত হয় অসম কলেজ অধ্যক্ষ পৰিষদৰ দৰং- শোণিতপুৰ-বিশ্বনাথ মণ্ডলৰ এটি প্ৰতিনিধি দল। অসম কলেজ অধ্যক্ষ পৰিষদৰ দৰং-শোণিতপুৰ-বিশ্বনাথ মণ্ডলৰ সভাপতি তথা তেজপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জ্যোতিকমল হাজৰিকা, সম্পাদক তথা বিশ্বনাথ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চিন্তামণি শৰ্মা, দৰং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পলাশমনি শইকীয়া, চতিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° স্বপন কুমাৰ কলিতা আৰু বিহালী স্নাতক মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জীৱন চন্দ্ৰ নাথসহ প্ৰতিনিধি দলটিয়ে কালি বিয়লি বানে ধোৱা ছয়দুৱাৰ মহাবিদ্যালয়ত উপস্থিত হৈ বানপানীত হোৱা ক্ষয়-ক্ষতিৰ বুজ লোৱাৰ লগতে এনে বিপদকালীন সময়ত মহাবিদ্যালয়খনৰ কৰ্তৃপক্ষ তথা পৰিয়াল বৰ্গৰ প্ৰতি সহমৰ্মিতা ব্যক্ত কৰে। তদুপৰি অসম কলেজ অধ্যক্ষ পৰিষদৰ দৰং-শোণিতপুৰ-বিশ্বনাথ মণ্ডলৰ ১২গৰাকী অধ্যক্ষৰ লগতে বিশ্বনাথ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক অজিত দত্তই আগবঢ়োৱা বৰঙণিসহ অধ্যক্ষ পৰিষদৰ প্ৰতিনিধি দলটোৱে ছয়দুৱাৰ মহাবিদ্যালয়লৈ নগদ এক লাখ টকাৰ আৰ্থিক সাহায্য আগবঢ়ায়। পৰিস্থিতিৰ বুজ লোৱাৰ পিছতে অধ্যক্ষ মণ্ডলীয়ে মহাবিদ্যালয়খনৰ শিক্ষক- কৰ্মচাৰীসকলৰ লগত এক অন্তৰংগ আলাপত মিলিত হয়। ইয়াৰ উপৰি তেওঁলোকে ছয়দুৱাৰ মহাবিদ্যালয়ৰ বান সমস্যাৰ স্থায়ী সমাধান আৰু বৰ্তমানৰ পৰিস্থিতিৰ মোকাবিলাৰ বাবে তৎকালীনভাৱে যথোচিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিশ্বনাথ জিলাৰ উপায়ুক্তক এখন স্মাৰকপত্ৰও প্ৰদান কৰে। ছয়দুৱাৰ মহাবিদ্যালয় পৰিয়ালবৰ্গৰ হৈ অধ্যক্ষ ড° অঞ্জন কুমাৰ ওজাই ভয়ংকৰ তথা অভূতপূৰ্ব প্ৰাকৃতিক দুৰ্যোগৰ এই আপদকালীন সময়ত অসম কলেজ অধ্যক্ষ পৰিষদৰ দৰং-শোণিতপুৰ-বিশ্বনাথ মণ্ডলৰ লগতে সহযোগী অধ্যাপক অজিত দত্তৰ এনে মহানুভৱতাৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি সকলোকে কৃতজ্ঞতা সহকাৰে ধন্যবাদ জ্ঞাপন কৰিছে। উল্লেখ্য যে সমগ্ৰ উত্তৰ অসমৰ ভিতৰতে এখন আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠান হিচাপে সুপৰিচিত তথা গৌৰৱোজ্জল সোণালী জয়ন্তী বৰ্ষ গৰকা ছয়দুৱাৰ মহাবিদ্যালয়খন গহপুৰ মহকুমাবাসী ৰাইজৰ বাবে হিয়াৰ আমঠু স্বৰূপ আৰু একমাত্ৰ পূৰ্ণাংগ উচ্চ শিক্ষানুষ্ঠান। কিন্তু অতি পৰিতাপৰ বিষয় এই যে বিগত প্ৰায় এটা দশকৰে অধিক কাল ধৰি প্ৰতিটো বৰ্ষা ঋতুতে গহপুৰ নগৰৰ মাজেৰে বৈ যোৱা পাহাৰীয়া খৰস্ৰোতা ছত্ৰং নদীৰ প্ৰলয়ংকৰী বাঢ়নী পানীয়ে মহাবিদ্যালয় খনৰ চৌহদত তাণ্ডৱৰ সৃষ্টি কৰি শৈক্ষিক পৰিৱেশ বিনষ্ট কৰি অহাৰ লগতে আন্তঃগাঁথনিৰ বিস্তৰ ক্ষতি সাধন কৰি আহিছে। প্ৰায় প্ৰতিটো শিক্ষা বৰ্ষতে মহাবিদ্যালয়খনৰ চৌহদত সৃষ্টি হৈ অহা জল প্ৰলয়ে সামগ্ৰিকভাৱে গহপুৰ মহকুমাৰ শৈক্ষিক ক্ষেত্ৰখনতো বিৰূপ প্ৰভাৱ পেলাই আহিছে। চলিত শিক্ষা বৰ্ষতো যোৱা ১৬ মে' আৰু ২৮ জুনত ছত্ৰং নদীৰ বাঢ়নী পানীয়ে মহাবিদ্যালয়খনত জলপ্ৰলয়ৰ সৃষ্টি কৰে। এনে অৱস্থাত গহপুৰ মহকুমাৰ ৰাইজৰ স্বাভিমানৰ প্ৰতীক স্বৰূপ মহাবিদ্যালয়খনক ছত্ৰঙৰ বলিয়া বানৰ তাণ্ডৱৰ পৰা সুৰক্ষা প্ৰদানৰ স্থায়ী পদক্ষেপ গ্ৰহণ কৰিবৰ বাবে বিভিন্ন দল- সংগঠনৰ লগতে গহপুৰ মহকুমাবাসী ৰাইজে পুনৰবাৰ অসম চৰকাৰক আহ্বান জনাইছে।

# দ্য কেনভাছৰ উদ্যোগত হৰিশিঙাত শিশু থিয়েটাৰ কৰ্মশালা



**অগ্ৰদূত বাৰ্তা**

**টংলা, ৬ জুলাই ঃ** দ্য কেনভাছ এ ফিল্ড অফ ক্ৰিয়েটিভেটিৰ উদ্যোগত এন এছ ডিয়ান, টি আই ই (নতুন দিল্লী)ৰ প্ৰশিক্ষক জয়ন্ত ৰাভাৰ তত্ত্বাৱধানত শিশুসকলক নিজৰ লগতে সমাজৰ স'তে চিনাকি কৰি সৃষ্টিশীল মনোভাৱ গঢ়ি তোলাৰ মহৎ উদ্দেশ্যৰে 'সাঁকো' শীৰ্ষক আঠ বছৰৰ পৰা ১২ বছৰ আৰু ১২ বছৰৰ পৰা ১৬ বছৰ বয়সলৈকে প্ৰশিক্ষাৰ্থীসকলক বিভক্ত কৰি ১৫ দিনীয়া শিশু থিয়েটাৰ কৰ্মশালাৰ আয়োজন কৰা হৈছে। ভ্ৰাম্যমাণ থিয়েটাৰৰ অভিনেত্ৰী, ছিকিমস্থিত ৰাষ্ট্ৰীয় ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ স্নাতক বৰ্ণালী বৰদলৈয়ে কৰ্মশালাত উপস্থিত থাকি শিক্ষাৰ্থীসকলক উৎসাহ যোগোৱাৰ লগতে ইয়াৰ প্ৰয়োজনীয়তাৰ সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলৰ স'তে মত বিনিময় কৰে। কেনভাচৰ কৰ্মকৰ্তা ভোকেশ ৰাভা, ৰাকেশ ডেকা, ধ্ৰুৱজ্যোতি ৰাভা, নৰকান্ত ৰাভা, কবিতা দাস, পাৰমীনা বড়ো, মধুস্মিতা ৰাভা, দীপাংকৰ শইকীয়া, যুগল ডেকা, ডিম্বেশ্বৰ ৰাভা, বিকাশ ৰাভা, যদুৰাম ৰাভা, ভাস্কৰ দাস, প্ৰিয়ংকা তালুকদাৰ, হিমাশ্ৰী দাস, জ্যোতিস্মিতা ওজা, বিতোপন দাস, আকাশ ৰাভা আদিও কৰ্মশালাখন পৰিচালনা কৰাত সক্ৰিয়ভাৱে সহযোগ কৰি আছে। ওদালগুৰি জিলাৰ হৰিশিঙাৰ এক ভিতৰুৱা গাঁও দ্য কেনিভাছৰ চৌহদত তিনি জুলাইৰ পৰা ১৭ জুলাইলৈকে অনুষ্ঠিত হৈ থকা ১৫ দিনীয়া শিশু থিয়েটাৰ কৰ্মশালাখন থিয়েটাৰ ইন এডুকেচন পদ্ধতিৰ দ্বাৰা পৰিচালিত কৰা হয় বুলি ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ স্নাতক, প্ৰশিক্ষক জয়ন্ত ৰাভাই জানিবলৈ দিছে।

# সমাজ সেৱিকা কুঞ্জ হাজৰিকাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**ছিপাঝাৰ, ৬ জুলাই ঃ** ছিপাঝাৰৰ লেখাৰুপাৰা নিবাসী বিশিষ্ট সমাজ সেৱক পদ্মধৰ হাজৰিকাৰ ধৰ্ম পত্নী, ছিপাঝাৰ সাহিত্য সভাৰ আজীৱন সদস্যা, দিহানাম, বিয়ানাম, গোসাঁই নামৰ পাৰদৰ্শী শিল্পী কুঞ্জ হাজৰিকা (৬২)ৰ যোৱা নিশা মৃত্যু হয়। ছিপাঝাৰ সাহিত্য সভা, ছিপাঝাৰ লেখিকা সমাৰোহ সমিতি, দৰঙী কলা কৃষ্টি উন্নয়ন সংঘ, অসম জ্ঞান-বিজ্ঞান সমিতি আদি ভালেমান অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে জড়িত মহিলাগৰাকীৰ বিয়োগত শোকৰ ছাঁ পৰিছে। তেওঁৰ মৃত্যুত ছিপাঝাৰ সাহিত্য সভা, ছিপাঝাৰ লেখিকা সমাৰোহ সমিতি, ছিপাঝাৰ মহাবিদ্যালয়ৰ পৰিয়ালৰ, মনপুৰ গড় কালীমন্দিৰ সমিতি, ছিপাঝাৰ জ্ঞান-বিজ্ঞান সমিতি, ছিপাঝাৰ জনতা মহাবিদ্যালয়ৰ পৰিয়াল, স্থানীয় বিধায়ক ড° পৰমানন্দ ৰাজবংশী, প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়া আদিয়ে শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ স্বামীসহ, দুটি পুত্ৰ আৰু এগৰাকী জীয়ৰী ইহসংসাৰত এৰি যায়।



উইম্বলডনৰ খেল উপভোগ কৰিছে ব্ৰিটেইনৰ ৰাজকুমাৰ উইলিয়াম আৰু তেওঁৰ পত্নী কেথেৰাইনে।

# উইম্বলডনৰ ছেমিফাইনেলত ডক'ভিচ

## আৰবৰ প্ৰথম মহিলা খেলুৱৈৰূপে গ্ৰেণ্ড শ্লামৰ অন্তিম চাৰিত জাবেউৰ

**নিউজ ব্যুৰ'**

**লণ্ডন, ৬ জুলাই ঃ** ব্যক্তিগত সপ্তম উইম্বলডন খিতাপ জয়ৰ সম্ভাৱনা সজীৱ কৰি ৰাখিলে ন'ভাক ডক'ভিচে। বিগত তিনিবাৰৰ চেম্পিয়নজনে কালিৰ এখন প্ৰবল প্ৰতিদ্বন্দ্বিতামূলক খেলত জয়ী হৈ চলিত প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰে। কালিৰ কোৱাৰ্টাৰ ফাইনেলত ছাৰ্বিয়ান তাৰকাজনে ইটালীৰ জান্নিক ছিনাৰৰ বিপক্ষে প্ৰথম দুটা ছেট হেৰুৱাই পৰাজয়ৰ আশংকাত ভুগিছিল। অৱশ্যে সঠিক সময়ত উভতি ধৰি শীৰ্ষ বাছনিৰ ডক'ভিচে খেলখন ৫-৭, ২-৬, ৬-৩, ৬-২, ৬-২ ছেটত জয়লাভ কৰে। পুৰুষৰ আন এখন কোৱাৰ্টাৰ ফাইনেলত ব্ৰিটিছ খেলুৱৈ কেমেৰ'ন ন'ৰীয়ে বেলজিয়ামৰ ডেভিদ গ'ফিনক ৩-৬, ৭-৫, ২-৬, ৬-৩, ৭-৫ ছেটত পৰাজিত কৰি গ্ৰেণ্ড শ্লামত প্ৰথমাৰলৈ ছেমিফাইনেলত প্ৰৱেশ কৰে। ইপিনে, আৰব দেশৰ প্ৰথম মহিলা খেলুৱৈৰূপে প্ৰথম বাৰলৈ কোনো গ্ৰেণ্ড শ্লাম প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিলে অ'ন্স জাবেউৰে। কালিৰ কোৱাৰ্টাৰ ফাইনেলত টিউনিছিয়াৰ খেলুৱৈগৰাকীয়ে মেৰী বাউজক'ভাক ৩-৬, ৬-১, ৬-১ ছেটত পৰাজিত কৰে।



## জুনিয়ৰ ৰেংকিং টেনিছ

**গুৱাহাটী, ৬ জুলাই ঃ** অহা ১১ৰ পৰা ১৫ জুলাইলৈ উত্তৰ-পূব ৰেল ক্ৰীড়া সন্থাৰ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব সদৌ অসম ভিত্তিক জুনিয়ৰ ৰেংকিং টেনিছ প্ৰতিযোগিতা। অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই এই কথা জনাইছে। ল'ৰা আৰু ছোৱালীৰ অনূৰ্ধ্ব ১৮, ১৪, ১২ বছৰৰ বয়সত ছিংগল্‌ছ মেচ অনুষ্ঠিত হ'ব। সেইদৰে অনূৰ্ধ্ব ১০ বছৰ শাখাত মিক্সড্‌ ডাবল্‌ছৰ প্ৰতিযোগিতাও অনুষ্ঠিত হ'ব। জুনিয়ৰৰ লগতে প্ৰতিযোগিতাত পুৰুষৰ ডাবল্‌ছ ইভেণ্টো অনুষ্ঠিত হ'ব বুলি এক বিবৃতিত সম্পাদকে জনাইছে।

### ছবছৰৰ পাছত শীৰ্ষ ১০ৰ বাহিৰ কোহলি

## পঞ্চম ৰেংকিঙলৈ অগ্ৰসৰ পণ্ট

**নিউজ ব্যুৰ'**



**ডুবাই, ৬ জুলাই ঃ** দুৰ্ভাগ্যই লগ এৰা নাই বিৰাট কোহলিক। দীৰ্ঘদিন ধৰি বৃহৎ ৰাণ নথকা তাৰকা বেটাৰজন ইংলণ্ডৰ বিপক্ষে টেষ্টতো ব্যৰ্থ হয়। যাৰ প্ৰভাৱ পৰিল আইচিচিৰ টেষ্ট ৰেংকিঙতো। ধাৰাবাহিক ব্যৰ্থতাৰ বাবে টেষ্ট ৰেংকিঙৰ বেটিঙৰ তালিকাত নৱমৰ পৰা ত্ৰয়োদশ স্থানলৈ অৱনমিত হ'ল বিশ্বৰ অন্যতম শ্ৰেষ্ঠ বেটাৰজন। সুদীৰ্ঘ ছবছৰৰ পাছত কোহলি প্ৰথম ১০ৰ বাহিৰ হৈছে। অৱশ্যে কোহলিৰ এই অৱনমনৰ লজ্জা কিছু পৰিমাণে প্ৰশমিত কৰিলে ঋষভ পণ্টে। ইংলণ্ডৰ বিপক্ষে টেষ্টত শতৰাণ আৰু অৰ্ধশতৰাণ অৰ্জন কৰি পণ্টে কেৰিয়াৰৰ শ্ৰেষ্ঠ ৰেংকিং অৰ্জন কৰিছে। আজি ঘোষিত ৰেংকিঙৰ বেটাৰৰ তালিকাত পণ্টে পাঁচ নম্বৰ স্থানলৈ অগ্ৰসৰ হ'ল। উল্লেখ্য যে অন্তিম ছটা টেষ্ট ইনিংছত পণ্টৰ বেটৰ পৰা আহিছে দুটা শতৰাণ আৰু তিনিটা অৰ্ধশতৰাণ। শীৰ্ষ ১০ত থকা আনজন ভাৰতীয় বেটাৰ হৈছে ৰোহিত শৰ্মা। যদিও তেওঁ ইংলণ্ডৰ বিপক্ষে টেষ্টত খেলিব নোৱাৰিলে, তথাপি অধিনায়কজনে তালিকাৰ নৱম স্থান লাভ কৰিছে। বেটিঙৰ তালিকাৰ শীৰ্ষত আছে ইংলণ্ডৰ জো ৰুট। পৰৱৰ্তী তিনিটা স্থান ধৰি ৰাখিছে অষ্ট্ৰেলিয়াৰ মাৰ্ণাছ লাবুচেন, ষ্টিভ স্মিথ আৰু পাকিস্তানৰ বাবৰ আজমে।

## বয়স ফাকিৰ বিৰুদ্ধে কঠোৰ বেডমিণ্টন সন্থা

**নিউজ ব্যুৰ'**

**নতুন দিল্লী, ৬ জুলাই ঃ** বয়সভিত্তিক প্ৰতিযোগিতাত বয়স ফাকি দিয়া কাৰ্যক কোনোপধ্যে সহ্য নকৰে ভাৰতীয় বেডমিণ্টন সন্থাই। 'বাই'ৰ সচিব সঞ্জয় মিশ্ৰই খেলুৱৈ তথা অভিভাৱকক এই আশ্বাস প্ৰদান কৰি মন্তব্য কৰিছে যে দোষী সাব্যস্ত হোৱাসকলৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব। সম্প্ৰতি ম'হালিত উপস্থিত হৈ মিশ্ৰই একাংশ অভিভাৱকৰ স'তে ব্যক্তিগতভাৱে আলোচনাত মিলিত হোৱাৰ পাছতে এই আশ্বাস প্ৰদান কৰে। উল্লেখ্য যে ম'হালিত অনুষ্ঠিত য়'নেক্স-ছানৰাইজ সৰ্ব ভাৰতীয় ১৩ বছৰ অনূৰ্ধ্বৰ বেডমিণ্টন প্ৰতিযোগিতাতে বয়স ফাকিৰ বিতৰ্কই দেখা দিয়ে। একাধিক খেলুৱৈয়ে অধিক বয়স হোৱা সত্ত্বেও এই প্ৰতিযোগিতাত অংশ লোৱা বুলি একাংশ অভিভাৱক প্ৰতিবাদমুখৰ হৈ পৰে। সন্থাৰ সচিবজনে ম'হালিত উপস্থিত হৈ ক্ষুব্ধ অভিভাৱকৰ ক্ষোভ প্ৰশমিত কৰাৰ চেষ্টা কৰি কয় যে বয়স ফাকি দিয়া খেলুৱৈৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা হ'ব।

## মালয়েছিয়া মাষ্টাৰ্ছত অগ্ৰগতি সিন্ধুৰ ঃ পুনৰ ব্যৰ্থ ছাইনা



**নিউজ ব্যুৰ'**

**কুৱালা লামপুৰ, ৬ জুলাই ঃ** দুবাৰৰ অলিম্পিক পদকজয়ী পি ভি সিন্ধুৱে মালয়েছিয়া মাষ্টাৰ্ছ বেডমিণ্টনৰ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। আজি মহিলাৰ ছিংগল্‌ছৰ প্ৰথম ৰাউণ্ডৰ খেলখনত সিন্ধুৱে চীনৰ হে বিং জিয়াওক তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ অন্তত ২১-১৩, ১৭-২১, ২১-১৬ পইণ্টৰ ব্যৱধানত পৰাজিত কৰে। ইয়াৰ জৰিয়তে বিশ্বৰ সপ্তম ৰেংকিঙৰ খেলুৱৈগৰাকীয়ে চীনৰ প্ৰতিদ্বন্দ্বীগৰাকীৰ বিপক্ষে যোৱা মাহৰ ইণ্ডোনেছিয়া অপেনৰ প্ৰথম ৰাউণ্ডত পৰাজয়ৰ পোটক তুলিলে। ইফালে, ব্যৰ্থতাৰ ধাৰাবাহিকতা অব্যাহত আছে দেশৰ আন এগৰাকী শীৰ্ষ খেলুৱৈ ছাইনা নেহৱালৰ। দক্ষিণ কোৰিয়াৰ কিম গা ইয়ুনে ভাৰতীয় তাৰকাগৰাকীক ১৭-২১, ২১-১৭, ২১-১৪ পইণ্টত পৰাজিত কৰে। সেইদৰে পুৰুষৰ ছিংগল্‌ছত ভাৰতৰ সমীৰ বাৰ্মা চাইনিজ টাইপেইৰ চাও টিয়েন চেনৰ বিপক্ষে ২১-১০, ১২-২১, ১৪-২১ পইণ্টত পৰাজিত হয়। অৱশ্যে ভাৰতৰ আন দুজন পুৰুষ খেলুৱৈ বি ছাই প্ৰণীত আৰু পাৰুপাল্লি কাশ্যপে দ্বিতীয় ৰাউণ্ডলৈ অগ্ৰগতি অৰ্জন কৰে। প্ৰণীতে গুৱাটেমালাৰ কেভিন গৰ্ডনক ২১-৮, ২১-৯ পইণ্টৰ ব্যৱধানত সহজেই পৰাজিত কৰে। যদিও কাশ্যপে স্থানীয় খেলুৱৈ টমী ছুগিয়াৰ্টোক ১৬-২১, ২১-১৬, ২১-১৬ পইণ্টত পৰাস্ত কৰিবলৈ কিছু কষ্ট কৰিবলগীয়া হয়।

# ৱেষ্টইণ্ডিজত ভাৰতৰ নেতৃত্বত ধৱন

## ৰোহিত-বিৰাটসহ সকলো জ্যেষ্ঠ খেলুৱৈক বিশ্ৰাম

**নিউজ ব্যুৰ'**

**মুম্বাই, ৬ জুলাই ঃ** প্ৰথম শাৰীৰ একাধিক ক্ৰিকেটাৰ অবিহনে আগন্তুক ৱেষ্টইণ্ডিজ ভ্ৰমণত তিনিখন এদিনীয়া মেচ খেলিব ভাৰতে। এই শৃংখলাত ভাৰতীয় দলক নেতৃত্ব দিব অভিজ্ঞ অপেনাৰ শিখৰ ধৱনে। আজি উক্ত শৃংখলাৰ বাবে ধৱনৰ নেতৃত্বত ১৬জনীয়া দল ঘোষণা কৰা হৈছে। দলৰ সহঃ অধিনায়ক ৰবীন্দ্ৰ জাদেজা। উক্ত শৃংখলাত বিশ্ৰাম দিয়া হৈছে ৰোহিত শৰ্মা, বিৰাট কোহলি, ঋষভ পণ্ট, হাৰ্দিক পাণ্ডিয়া, যশপ্ৰীত বুমৰাহ, মহম্মদ ছামি আদিক।

অহা ২২, ২৪ আৰু ২৭ জুলাইত উক্ত মেচ তিনিখন অনুষ্ঠিত হ'ব। উক্ত শৃংখলাৰ বাবে নিৰ্বাচিত প্ৰায় দ্বিতীয় শাৰীৰ দলটোত ধৱনৰ উপৰি অপেনাৰৰূপে আছে শুভমন



গিল, ঈষাণ কিষাণ আৰু ৰুতুৰাজ গায়কোৱাড়। প্ৰায় দুবছৰৰ পাছত গিলে এদিনীয়া দললৈ প্ৰত্যাৱৰ্তন ঘটালে। মধ্যক্ৰমৰ বেটাৰৰূপে ৰখা হৈছে শ্ৰেয়াছ আয়াৰ, সূৰ্যকুমাৰ যাদৱ, সঞ্জু ছেমছন আৰু দীপক হুডাক। ঈষাণ বা ছেমছনে উইকেট কীপাৰৰ দায়িত্ব পালন কৰিব। প্ৰথমবাৰলৈ সহঃ অধিনায়কৰ দায়িত্ব লাভ কৰা জাদেজাৰ লগতে স্পীন বলিং বিভাগত আছে অক্ষৰ পেটেল আৰু যুজৱেন্দ্ৰ চাহাল। জাদেজা আৰু অক্ষৰৰ লগতে অলৰাউণ্ডাৰৰূপে দলত স্থান পাইছে শাৰ্দুল ঠাকুৰে। পেচবলাৰ অৰ্শদীপ সিঙক এই শৃংখলাৰ বাবেও স্থান দিয়া হৈছে যদিও সুযোগ নাপালে 'গতিৰ চাঞ্চল্য' উমৰান মালিকে। উক্ত শৃংখলাৰ পৰা প্ৰবীণ পেচবলাৰ ভুৱনেশ্বৰ কুমাৰকো বিশ্ৰাম দিয়া হৈছে।

ঘোষিত দলটো— শিখৰ ধৱন (অধিনায়ক), ৰবীন্দ্ৰ জাদেজা (সহঃ অধিনায়ক), ৰুতুৰাজ গায়কোৱাড়, ঈষাণ কিষাণ, শুভমন গিল, দীপক হুডা, সূৰ্যকুমাৰ যাদৱ, শ্ৰেয়াছ আয়াৰ, সঞ্জু ছেমছন, শাৰ্দুল ঠাকুৰ, যুজৱেন্দ্ৰ চাহাল, অক্ষৰ পেটেল, আৱেশ খান, প্ৰসিদ্ধ কৃষ্ণ, মহম্মদ ছিৰাজ আৰু অৰ্শদীপ সিং।

### প্ৰাইজমানি নগাঁও প্ৰথম ডিভিজন আন্তঃক্লাব ফুটবল

## ৰাজস্থানী যুৱক সংঘৰ জয়লাভ

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ৬ জুলাই ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা নুৰুল আমিন প্ৰাইজমানি প্ৰথম ডিভিজন আন্তঃক্লাব ফুটবল লীগৰ আজিৰ খেলত নগাঁও ৰাজস্থানী যুৱক সংঘ (এনআৰৱাইএছ)ই সঞ্জীৱন সমাজক ১-০ গ'লত হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। নগাঁও ক্ৰীড়া সংস্থাৰ স্বীকৃত প্ৰথম ডিভিজনৰ মুঠ আঠটা ক্লাবৰ মাজত ৰাউণ্ড ৰবিন লীগ পদ্ধতিত আয়োজিত এই লীগৰ আজিৰ তুমূল প্ৰতিদ্বন্দ্বিতামূলক খেলখনত এনআৰৱাইএছৰ হৈ বিৰতিৰ আগতে অনিল পাটৰে বিজয়সূচক গ'লটো দিয়ে। খেলখন পৰিচালনা কৰাত ৰেফাৰী কল্যাণ বৰুৱাক সহায় কৰে নয়ন হোকাই, শোণিত কুমাৰ বৰা আৰু কৃষ্ণকান্ত দাসে (চতুৰ্থ)। উল্লেখ্য যে নগাঁও ৰাজস্থানী যুৱক সংঘৰ অনিল পাটৰ আজি শ্ৰেষ্ঠ খেলুৱৈ নিৰ্বাচিত হয়



# অইল-আইটা টেনিছৰ ছেমিত মনন-বিষ্ণুপ্ৰিয়া

## ডাবল্‌ছৰ অন্তিম চাৰিতো অসমৰ তিনি খেলুৱৈ ঃ কোৱাৰ্টাৰত পৰাস্ত বহুতো

**গুৱাহাটী, ৬ জুলাই ঃ** অসমৰ মনন নাথ আৰু বিষ্ণুপ্ৰিয়া বৰগোহাঁয়ে মহানগৰীৰ চচলত চলি থকা ১৬ আৰু ১৮ বছৰ অনূৰ্ধ্বৰ অইল-আইটা ছুপাৰ ছিৰিজ টেনিছৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। অসম টেনিছ সন্থাৰ উদ্যোগত আয়োজিত প্ৰতিযোগিতাখনৰ ল'ৰাৰ ১৬ আৰু ১৮ বছৰ অনূৰ্ধ্বৰ উভয় শাখাৰে ছিংগল্‌ছৰ ছেমিফাইনেলত স্থান নিশ্চিত কৰে মননে। আনহাতে, বিষ্ণুপ্ৰিয়াই ছোৱালীৰ ১৮ বছৰ অনূৰ্ধ্বৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। অসমৰ তিনি খেলুৱৈয়ে ডাবল্‌ছৰো ছেমিফাইনেল খেলাৰ যোগ্যতা অৰ্জন কৰিছে।

মননে ১৬ বছৰ অনূৰ্ধ্বৰ ছিংগল্‌ছৰ কোৱাৰ্টাৰ ফাইনেলত অসমৰে পাৰ্থিৱ কলিতাক ৬-৩, ৬-৩ ছেটত পৰাজিত কৰে। আনহাতে, ল'ৰাৰ ১৮ বছৰ অনূৰ্ধ্বৰ কোৱাৰ্টাৰ ফাইনেলত মননৰ বিপক্ষে টেলেংগনাৰ ৰাহুল লোকেশে খেলৰ মাজতে নাম প্ৰত্যাহাৰ কৰে। সেইখিনি সময়তে মননে ৬-৪, ৩-০ পইণ্টত অগ্ৰগতি অৰ্জন কৰি আছিল। ইফালে, বিষ্ণুপ্ৰিয়াই ছোৱালীৰ ১৮ বছৰ অনূৰ্ধ্বৰ কোৱাৰ্টাৰ ফাইনেলত অসমৰে অংশিতা শুক্লাক তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ অন্তত ৬-২, ৩-৬, ৬-২ ছেটত পৰাজিত কৰে। উক্ত শাখাত অসমৰ আন দুগৰাকী খেলুৱৈ তানিয়া কুমাৰী আৰু নম্ৰতা দাসে কোৱাৰ্টাৰ ফাইনেলৰ পৰাই বিদায় লয়। উল্লেখ্য যে বিষ্ণুপ্ৰিয়া আজি ছোৱালীৰ ১৬ বছৰ অনূৰ্ধ্বৰ কোৱাৰ্টাৰ ফাইনেলত পৰাজিত হয়। পশ্চিমবংগৰ সৌম্যা চেটাৰ্জীয়ে বিষ্ণুপ্ৰিয়াক ৬-১, ৬-১ ছেটত হৰুৱায়। উক্ত শাখাত অসমৰ আন তিনি খেলুৱৈ নাবিহা মৰিয়ম, নম্ৰতা দাস আৰু তানিয়া কুমাৰীও কোৱাৰ্টাৰ ফাইনেলত পৰাজিত হয়। সেইদৰে ল'ৰাৰ উভয় শাখাত কোৱাৰ্টাৰ ফাইনেলৰ পৰা বিদায় লয় অনূৰ্ধ্ব ১৬ বছৰৰ খেলুৱৈ ৰিয়ান কাশ্যপ, অনূৰ্ধ্ব ১৮ বছৰৰ খেলুৱৈ পাৰ্থিৱ কলিতা, জিজ্ঞাসমান হাজৰিকা আৰু অৰুনেশ বৰাই।

ইপিনে, ১৬ বছৰ অনূৰ্ধ্বৰ ল'ৰাৰ ডাবল্‌ছৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে অসমৰ যুটি আনমাছ ইবন আহমেদ আৰু চাণ্ডোগ্য টি পাঠকে। তেওঁলোকে কোৱাৰ্টাৰ ফাইনেলত অসমৰে এনৰিখ পাটৰ আৰু আয়ান ৰেহমানৰ যুটিক ৬-০, ৬-০ ছেটত বিধ্বস্ত কৰে। আনহাতে, অসমৰ নয়ীম হুছেইন আৰু বিহাৰৰ অংশু গৌৰীৰ যুটিয়ে অসমৰ উৎপলাক্ষী শইকীয়া আৰু কোমল কৌৰক ৬-১, ৬-০ ছেটত হৰুৱাই ছেমিফাইনেলত প্ৰৱেশ কৰে।



দ্বাদশ সদৌ অসম মেজৰ ৰেংকিং টেবুল টেনিছ প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানৰ এটি মুহূৰ্ত।

## ভাৰতীয় বেটাৰৰ ধাৰাবাহিক ব্যৰ্থতাত চিন্তিত দ্ৰাৱিড়

**নিউজ ব্যুৰ'**

**লণ্ডন, ৬ জুলাই ঃ** ইংলণ্ডৰ বিপক্ষে টেষ্টৰ দুয়োটা ইনিংছতে ভাৰতীয় বেটাৰৰ ব্যৰ্থতাই চিন্তিত কৰি তুলিছে মুখ্য প্ৰশিক্ষক ৰাহুল দ্ৰাৱিড়ক। এই সন্দৰ্ভত নিৰ্বাচকৰ স'তে আলোচনা কৰিব বুলিও তেওঁ সংবাদ মাধ্যমক জনাইছে। উল্লেখ্য যে দ্ৰাৱিড়ৰ প্ৰশিক্ষণত ভাৰতে বিদেশত তিনিখন টেষ্টত পৰাজয়ৰ সোৱাদ পালে। ইয়াৰ পূৰ্বে দক্ষিণ আফ্ৰিকাৰ বিপক্ষে ভাৰত দুখন টেষ্টত পৰাজিত হৈছিল। বিশেষকৈ বেটাৰৰ ব্যৰ্থতাৰ বাবেই এই টেষ্ট কেইখনত ভাৰতীয় দল ব্যৰ্থ হৈছে। অৱশ্যে বলাৰৰ ব্যৰ্থতাৰ কথাও তেওঁৰ মনত আছে। পৰাজিত হোৱা তিনিখন টেষ্টত ভাৰতে প্ৰতিপক্ষক জয়ৰ বাবে ক্ৰমে ২৪০, ২১২ আৰু ৩৭৮ ৰাণৰ লক্ষ্য দিছিল যদিও বলাৰসকলে সেই ৰাণক সুৰক্ষা দিব নোৱাৰিলে। দ্ৰাৱিড়ে কয়, 'আমাৰ বাবে প্ৰতিখন মেচেই একো একোটা শিক্ষা। বুজিব লাগিব টেষ্টৰ তৃতীয় ইনিংছত কিয় ভাল বেট কৰিব নোৱাৰিলো বা কিয় আমি চতুৰ্থ ইনিংছত বিপক্ষৰ ১০জনক আউট কৰিব নোৱাৰিলো। আমি পৰৱৰ্তী ছখন টেষ্ট উপমহাদেশত খেলিব লাগিব। দুখন বাংলাদেশত আৰু চাৰিখন ভাৰতত। সেই মেচসমূহৰ কথা এতিয়াৰ পৰাই ভাবিব লাগিব। আমি প্ৰশিক্ষকসকলে নিৰ্বাচকৰ স'তে বহি পৰাজয়ৰ বিশ্লেষণ কৰিব লাগিব।

# মহিলা হকী বিশ্বকাপ ঃ চীনৰ বিপক্ষেও ড্ৰ খেলি সমস্যাত ভাৰত

**নিউজ ব্যুৰ'**

**আমষ্টেলভীন, ৬ জুলাই ঃ** মহিলা বিশ্বকাপ হকীত কঠিন পৰিস্থিতিৰ সন্মুখীন হ'ল ভাৰত। কালি চীনৰ স'তেও ভাৰতে ১-১ গ'লত ড্ৰ খেলি পইণ্ট ভগাই লয়। পুল 'বি'ৰ প্ৰথম মেচতো ভাৰতে ইংলণ্ডৰ স'তে ১-১ গ'লত ড্ৰ খেলিছিল। কালি চীনে জিয়ালি ঝেঙৰ গ'লেৰে আগবাঢ়ি যোৱাৰ পাছত ভাৰতৰ হৈ সমতা স্থাপন কৰে বন্দনা কাটাৰিয়াই। কাইলৈ ভাৰতে পুলৰ অন্তিম মেচত নিউজিলেণ্ডৰ বিপক্ষে খেলিব। পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ ভাৰতৰ বাবে কঠিন হৈ পৰিছে।



# ইউনাইটেড ত্যাগ কৰিব ৰোণাল্ডোৱে

**নিউজ ব্যুৰ'**

**মানচেষ্টাৰ, ৬ জুলাই ঃ** লোভনীয় প্ৰস্তাৱ অগ্ৰাহ্য কৰি নিজৰ পুৰণি ক্লাবত যোগদান কৰিছিল ক্ৰিষ্টিয়ানো ৰোণাল্ডোৱে। অথচ এটা বছৰতে যেন মোহভংগ ঘটিল পৰ্তুগীজ মহাতাৰকাজনৰ। আন ক্লাবলৈ যোৱাৰ বাবে অনুমতি বিচাৰি মানচেষ্টাৰ ইউনাইটেডৰ কৰ্তৃপক্ষক আবেদন জনাইছে ৰোণাল্ডোৱে।



ক্লাব কৰ্তৃপক্ষক ৰোণাল্ডোৱে আবেদন জনাইছে যে কোনো ভাল প্ৰস্তাৱ আহিলে যাতে তেওঁক বিক্ৰী কৰি দিয়ে। এই ক্ষেত্ৰত ৰোণাল্ডোৱে যুক্তি দৰ্শাইছে যে তেওঁ আগন্তুক ছিজনত চেম্পিয়ন্‌ছ ট্ৰফীত খেলিব বিচাৰে। সেয়ে তেনে কোনো প্ৰস্তাৱ আহিলে তেওঁ গ্ৰহণ কৰিবলৈ ইচ্ছুক। অৱশ্যে ৰোণাল্ডোক ক্ৰয় কৰাৰ বাবে এই পৰ্যন্ত কোনো ক্লাবে আনুষ্ঠানিকভাৱে যোগাযোগ কৰা নাই। ইফালে, ইউনাইটেড কৰ্তৃপক্ষই ধাৰণা কৰিছে যে পৰ্তুগীজ মহাতাৰকাজনক ক্ৰয় কৰাৰ বাবে হয়তো কোনো ক্লাব আগবাঢ়ি নাহিব। কিয়নো ৰোণাল্ডোৰ যি বেতনৰ চাহিদা, তাৰ বাবে কেৰিয়াৰৰ শেষৰ ফালে সেই চাহিদা পূৰণ কৰি তেওঁক ক্ৰয় কৰিবলৈ হয়তো কোনো ক্লাবেই ইচ্ছা নকৰিব। যদিও ইউনাইটেড ত্যাগৰ সিদ্ধান্তত অতল হৈ আছে ৰোণাল্ডো।

উল্লেখ্য যে বিগত ছিজনত ৰোণাল্ডোৱে ইউনাইটেডৰ হৈ ৩৮খন খেলত ২৪টা গ'ল দিছে। যদিও দলটোৰ প্ৰদৰ্শন মুঠেও আশাপ্ৰদ নাছিল। ইউৰোপৰ সন্মানীয় প্ৰতিযোগিতা চেম্পিয়ন্‌ছ লীগলৈ যোগ্যতা অৰ্জনত ব্যৰ্থ হয় ইউনাইটেড। ইংলিছ প্ৰিমিয়াৰ লীগত ক্লাবটোৱে ষষ্ঠ স্থানহে লাভ কৰে। চেম্পিয়ন্‌ছ লীগৰ ইতিহাসৰ অন্যতম সফল খেলুৱৈ হৈছে ৰোণাল্ডো। সেয়ে আগন্তুক চেম্পিয়ন্‌ছ লীগৰ পৰা তেওঁ আঁতৰি থাকিব খোজা নাই। সেইবাবেই চেম্পিয়ন্‌ছ লীগলৈ যোগ্যতা অৰ্জন কৰা কোনো ক্লাবত তেওঁ যোগ দিব বিচাৰিছে। এক সূত্ৰই জনোৱা মতে, ইটালীৰ ক্লাব জুভেণ্টাছলৈ উভতি যোৱাৰ ইচ্ছা কৰিছে ৰোণাল্ডোৱে। ইয়াৰ বাবে তেওঁৰ মেনেজাৰ জৰ্জে মেণ্ডেছে ইতিমধ্যে জুভেণ্টাছৰ কৰ্তৃপক্ষৰ স'তে যোগাযোগ আৰম্ভ কৰিছে।



এছিয়ান চাইক্লিঙত ব্ৰঞ্জৰ পদক জয়ী অসমৰ চয়নিকা গগৈক সম্বৰ্ধনা অসম চাইক্লিং সন্থাৰ, মহানগৰীত বুধবাৰে।

# পৰীক্ষা-নিৰীক্ষাৰ পৰ্ব শেষ ভাৰতৰ টি-২০ বিশ্বকাপলৈ দল গঠন প্ৰক্ৰিয়া আৰম্ভ

**নিউজ ব্যুৰ'**

**লণ্ডন, ৬ জুলাই ঃ** মাত্ৰ কেইমাহ মানৰ পাছতে অনুষ্ঠিত হ'ব টি-২০ বিশ্বকাপ। সেয়ে পৰীক্ষা-নিৰীক্ষা সম্পূৰ্ণ কৰি মূল একাদশ গঠনৰ লক্ষ্য বান্ধি লৈছে ভাৰতে। ইংলণ্ডৰ বিপক্ষে আগন্তুক টি-২০ মেচৰ শৃংখলাৰ পৰাই ৰোহিত শৰ্মাৰ দলে এই কাম কৰিব। আগন্তুক বিশ্বকাপৰ প্ৰতি লক্ষ্য ৰাখিয়ে নিৰ্বাচকে ইংলণ্ডৰ বিপক্ষে তিনিখনীয়া মেচৰ শৃংখলাৰ বাবে ২৩জনীয়া দল নিৰ্বাচন কৰিছে। আয়াৰলেণ্ড ভ্ৰমণ সামৰি হাৰ্দিক পাণ্ডিয়া নেতৃত্বাধীন দলটোৱে ইতিমধ্যে ইংলণ্ডত উপস্থিত হৈছে। প্ৰথম টি-২০ত সেই দলটোৱেই খেলিব। দলত একমাত্ৰ যোগ হৈছে অধিনায়ক ৰোহিত শৰ্মা। যদিও সদ্য ক'ভিডমুক্ত অধিনায়কজনে প্ৰথম মেচত খেলাটো এতিয়াও নিশ্চিত হোৱা নাই। এই দলৰ পৰা ঈষাণ কিষাণ, দীপক হুডা আৰু সূৰ্যকুমাৰ যাদৱৰ ওপৰত অধিক দৃষ্টি থাকিব। দ্বিতীয় মেচৰ পৰাই দললৈ প্ৰত্যাৱৰ্তন ঘটাব বিৰাট কোহলি, ঋষভ পণ্ট, যশপ্ৰীত বুমৰাহ, শ্ৰেয়াছ আয়াৰ আৰু ৰবীন্দ্ৰ জাদেজাই। ফলত মূল একাদশত একাধিক পৰিৱৰ্তন ঘটাতো নিশ্চিত। গতিকে প্ৰথম মেচতে অধিকাংশ খেলুৱৈয়ে উন্নত প্ৰদৰ্শনেৰে নিজৰ দাবী সবল কৰিব লাগিব।

ইফালে, বলিঙতো একাধিক খেলুৱৈৰ ওপৰত দৃষ্টি থাকিব। বিশেষকৈ পেচ বলিঙত ভুৱনেশ্বৰ কুমাৰ, হৰ্ষল পেটেল আৰু আৱেশ খানে সুযোগৰ সদ্ব্যৱহাৰ কৰিব লাগিব। কিয়নো দ্বিতীয় মেচৰ পৰাই প্ৰত্যাৱৰ্তন ঘটিব মূল পেচবলাৰ বুমৰাহৰ। স্পীন বিভাগত দ্বিতীয় মেচত জাদেজাৰ বাবে স্থান এৰিব লাগিব যুজৱেন্দ্ৰ চাহাল বা অক্ষৰ কুমাৰে। তৰুণ স্পীনাৰ ৰবি বিষ্ণ'ইৰ ওপৰতো দৃষ্টি ৰাখিব নিৰ্বাচকে।

## বিল্যসনন্দন চৰ্চা

# ডেম'ক্ৰেচীৰ ফাউণ্ডেছন



**আমাৰ** সংবাদ মাধ্যম, মানে নিউজ মিডিয়া হ'ল গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ। কিন্তু ছ'চিয়েল মিডিয়া? ই গণতন্ত্ৰৰ কিমান নম্বৰ স্তম্ভ? এই প্ৰশ্নটো যিকোনো ডাঙৰ ডাঙৰ পৰীক্ষাত সুধি দিব পাৰে। এতিয়ালৈকে ইয়াৰ কোনো স্পষ্ট উত্তৰ চৰকাৰৰ ফালৰ পৰা দিয়া হোৱা নাই। গতিকে উত্তৰবোৰ বিচাৰি লোৱাৰ দায়িত্ব আমাৰ।

আজি-কালি কোনেও আপোনাক নোসোধে আপোনাৰ ছ'চিয়েল এক্টিভিটিজৰ বিষয়ে। কিন্তু এটা কথা সুধিবই— ছ'চিয়েল মিডিয়াত আপুনি এক্টিভ হয় নে নহয়। আচলতে সোধোতায়ো এটা কথা খুব ভালকৈ জানে যে যিয়ে ছ'চিয়েল মিডিয়াত এক্টিভ, সি বৰ বেছি ছ'চিয়েল এক্টিভিটিজ চলাব নোৱাৰে। ধৰি লওক ঘৰৰ সন্মুখতে এটা এক্সিডেণ্ট হৈছে। ছ'চিয়েল মিডিয়াত এক্টিভজনে লগালগ এক্সিডেণ্টৰ ফটো এখন মাৰি পোষ্ট এটা এৰি দিয়াত গুৰুত্ব দিব। তেওঁ কেতিয়াও এক্সিডেণ্টত আহতসকলক হাস্পতাললৈ নি ট্ৰিটমেণ্ট কৰাই ছ'চিয়েলী এক্টিভ হৈ দেখুৱাব নোৱাৰে। গতিকে ছ'চিয়েল এক্টিভিটিজ চলাই থকাজনে ছ'চিয়েল মিডিয়াত এক্টিভ হ'ব নোৱাৰাটো নেচাৰেল কথা। কিন্তু আজি-কালি ছ'চিয়েলী এক্টিভ হোৱা বা নোহোৱাটো দৰকাৰী কথা নহয়। দৰকাৰী কথাটো হ'ল— আপুনি ছ'চিয়েল মিডিয়াত এক্টিভ হ'বই লাগিব। নহ'লে আপুনি তামাম আনছ'চিয়েল বুলি গৃহীতও হ'ব আৰু নিগৃহীতও হ'ব। ছ'চিয়েল মিডিয়াত আপুনি চূড়ান্ত আনছ'চিয়েল হোৱাৰ বদনামখিনি ঘৰতে বহি বহি, ছ'চাইটিৰ লগত কোনো ধৰণৰ টাচ্ছ নৰখাকৈ নাইকিয়া কৰি পেলাব পাৰে। ওচৰ-পাঁজৰৰ ছ'চিয়েল মিটিংবোৰলৈ যদি আপোনাক নামাতে বা লেকচাৰ দিবলৈ নকয়, তাকে লৈ যদি আপোনাৰ অন্তৰত তামাম ক্ষোভ আছে, তেন্তে চিধাই ছ'চিয়েল মিডিয়াত শৰণ লওক। নিজৰ জ্ঞান জাহিৰ কৰি এনে একো একোটা ফেচবুক পোষ্ট লিখক, যিবোৰ একলগ কৰি নাতি-পুতিয়ে পাছলৈ এখন বুক প্ৰিণ্ট কৰি পেলাব পাৰে। আৰু যদি আপোনাৰ বিখ্যাত অথবা কুখ্যাত হ'বলৈ মন আছে, তাকো অকণো কষ্ট নকৰাকৈ, তেন্তে ছ'চিয়েল মিডিয়াতকৈ ভাল মিডিয়া বেলেগ একোৱে হ'ব নোৱাৰে। এই ছ'চিয়েল মিডিয়াৰ সুবাদতে কাচ্ছা বাদাম বেচি গোৱা গান নেছনেল ক্ৰেইজ বনি যাব পাৰে বা ষ্টেছনত গান গাই ভিক্ষা খোজাজনীও গৈ ৰাতিটোৰ ভিতৰতে লতা বনি যাব পাৰে। ছ'চিয়েল মিডিয়াৰ এইটোৱে বাহাদুৰি যে ই মুহূৰ্তৰ ভিতৰতে সব কাম কৰি পেলাব পাৰে।



কোনো কামতে ই দেৰি হ'বলৈ নিদিয়ে। দি দিয়ক এটা কন্ট্ৰোভাৰ্চিয়েল পোষ্ট! যেনে ধৰক আপুনি ক্ৰিকেট নাজানে। কেতিয়াও নাচায়ো। হঠাতে আপুনি লিখি দিলে যে ক্ৰিকেট চাই ভাল পোৱাসকলৰ মূৰৰ গণ্ডগোল আছে। হৈ গ'ল কন্ট্ৰোভাৰ্চী! হৈ গ'ল আপুনি এগৰাকী বিতৰ্কিত ব্যক্তিত্ব? আপোনাৰ দৰে ক্ৰীড়াবিমুখ এজনৰ মন্তব্যক ইমান বেছি পাত্তা দি কিবা লাভ থাককেই বা নাথাককেই, সেইবোৰ ভবাৰ সুযোগ ছ'চিয়েল মিডিয়াই কেতিয়াও কাকো নিদিয়ে। ছ'চিয়েল মিডিয়াত এণ্ট্ৰি মাৰিবলৈ গেট বিচাৰিব নালাগে, বিচাৰিব লাগে টাৰ্গেট। এজন মহান বুলি জ্ঞাত ব্যক্তিক টাৰ্গেট কৰি কিবা এটা পোষ্ট দি দিয়ক বা টুইট টুইট কৰি দিয়ক, আপোনাৰ ওপৰত দুই-তিনিদিন ধৰি ঢুলাই চলি থাকিব। সেয়া যেনিবা গণঢুলাই নহয়, ভাৰ্চুৱেল ঢুলাই। তাৰ পৰা আপোনাৰ একো আহে নাযায়। একো ক্ষতি নহয়। বৰঞ্চ লাভ হয়—ফুটাকড়ি এটাও খৰচ নকৰাকৈ স্বীকৃতি এটা পাই যোৱা হয়। আজিৰ এনে চাকৰিৰ মহঙা দিনত ছ'চিয়েল মিডিয়াত কিন্তু নতুন নতুন চাকৰিৰ উদ্ভাৱন হৈয়ে আছে— পোষ্টাৰ, টুইটাৰিষ্ট, ইউটিউবাৰ, টিকটক ষ্টাৰ, ইনষ্টাগ্ৰামাৰ আৰু ক'ত যে কিমান পদবী! তাৰ বাবে নো ইণ্টাৰভিউ, অন্‌লী এপইণ্টমেণ্ট। চৰকাৰীভাৱেও এই ছ'চিয়েল মিডিয়াক স্বীকৃতি প্ৰদান কৰি ইউনিভাৰচিটিৰ মৰ্যাদা প্ৰদান কৰা হৈছে। চৰকাৰী কাম-কাজক বেয়াকৈ কোৱাবোৰৰ ওপৰত ভাৰ্চুৱেল ঢুলাই কেনেকৈ দিব লাগে, ফেক পাব্লিচিটী কেনেকৈ কৰিব লাগে, হংকঙৰ ফটোখনক পাটনাৰ ফটো বুলি কেনেকৈ পাব্লিকক বুৰ্বক বনাব লাগে, সেই সম্পৰ্কে এই হোৱাটছএপ ইউনিভাৰচিটিত শিক্ষা প্ৰদান কৰা হয়। সেইফালৰ পৰা চাবলৈ গ'লে ছ'চিয়েল মিডিয়া ইণ্ডিয়েন ডেম'ক্ৰেচীৰ স্তম্ভ নহয়, ফাউণ্ডেছন!

# চৰাইবাহী মহাবিদ্যালয়ত ছহিদ তিলক ডেকা-পণ্ডিত গোপীনাথ বৰদলৈ স্মাৰক বঁটা প্ৰদান

নাথক ছহিদ তিলক ডেকা স্মাৰক বঁটা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ বিজ্ঞান শাখাত ৰাজ্যৰ ভিতৰতে চতুৰ্থ স্থানপ্ৰাপ্ত এলড্ৰিন নাথক পণ্ডিত গোপীনাথ বৰদলৈ স্মাৰক বঁটা প্ৰদান কৰা হয়।



**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ৬ জুলাই ঃ** সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত বিশেষ স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক আজি চৰাইবাহী মহাবিদ্যালয়ত ছহিদ তিলক ডেকা আৰু পণ্ডিত গোপীনাথ বৰদলৈ স্মাৰক বঁটা প্ৰদান কৰা হয়। মৰিগাঁও জিলাৰ বৃহত্তৰ চৰাইবাহী অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান চৰাইবাহী মহাবিদ্যালয়ে এই বৰ্ষৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত চৰাইবাহী অঞ্চলৰ শীৰ্ষস্থানপ্ৰাপ্ত দুগৰাকীকৈ ছাত্ৰ-ছাত্ৰীক ছহিদ তিলক ডেকা আৰু পণ্ডিত গোপীনাথ বৰদলৈ স্মাৰক বঁটা প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সেই উদ্দেশ্যে আজি চৰাইবাহী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত মহাবিদ্যালয়ৰ উদ্যোগত আৰু মহাবিদ্যালয়ৰ গুণগত মান নিৰ্ণায়ক কোষৰ অধীনৰ 'আনুষ্ঠানিক প্ৰমূল্য আৰু উৎকৃষ্ট অনুশীলন'ৰ তত্বাৱধানত অনুষ্ঠিত স্মাৰক বঁটা প্ৰদান অনুষ্ঠান সঞ্চালনা কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমল চন্দ্ৰ নাথে। মহাবিদ্যালয়ৰ অধ্যাপক হৰিনাৰায়ণ ডেকাই আঁতধৰা এই অনুষ্ঠানতে সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত অসমৰ ভিতৰতে নৱম স্থানপ্ৰাপ্ত বিদিশা

# জাপানী এনকেফেলাইটিছত মৃত্যু

**বিশেষ সংবাদদাতা**

**বৰপেটা, ৬ জুলাই ঃ** জাপানী এনকেফেলাইটিছত আক্ৰান্ত হৈ বৰপেটাত আজি এজন মৃত্যুমুখত পৰে। মৃত লোকজন বৰপেটা চহৰৰ নসত্ৰৰ উপেন্দ্ৰ মজুমদাৰ। ৬৫ বছৰীয়া লোকজনক এসপ্তাহ পূৰ্বে জ্বৰ হোৱাত নিশা বৰপেটা মেডিকেল কলেজ হাস্পতালত ভৰ্তি কৰিছিল। পাছত উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰে যদিও আজি আবেলি গুৱাহাটীৰ জিএনআৰচিৰ আইচিইউত চিকিৎসাধীন হৈ থকা লোকজনৰ মৃত্যু হয়।

**PHYSIOTHERAPY CENTRE**
H.No-51, Basisthapur Bye lane 4,
Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720







অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com